# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

## ষষ্ঠ সংখ্যা * চন ১৯৮৫-৮৬ ইং

NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

NABAJYOTI COLLEGE LIBRARY
Estd-1971
Dist:-Kamrup.
(Assam).
P.O. KALGACHIA

সম্পাদক—
নুৰুল ইছলাম

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ বছৰেকীয়া প্ৰকাশ।

* চন ১৯৮৫-৮৬ ইং *

OTI COLLEGE LIB

NABAJYOTI COLLEGE
KALGACHIA
LEARN. LABOUR & SERVE

* ষষ্ঠ বছৰ ১৯৮৫-৮৬ * ষষ্ঠ-সংখ্যা

**তত্বাৱধায়কদ্বয়-**

অধ্যাপক শ্ৰীলম্বিত কোঁৱৰ।
" সেখ ওমৰ আলী আহমেদ।

**সম্পাদক-**

নুৰুল ইছলাম।

# নবজ্যোতি মহাবিদ্যালয় আলোচনী

নবজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বছৰেকীয়া প্ৰকাশ।

* চন ১৯৮৫-৮৬ ইং *

YOTI COLLEGE LIB

* ষষ্ঠ বছৰ     ১৯৮৫-৮৬     * ষষ্ঠ-সংখ্যা

**তত্বাৱধায়কদ্বয়-**

অধ্যাপক শ্ৰীলম্বিত কোঁৱৰ।

"     সেখ ওমৰ আলী আহমেদ।

**সম্পাদক-**

নুৰুল ইছলাম।

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বছৰেকীয়া প্ৰকাশ।

* চন ১৯৮৫-৮৬ ইং *

## ঃ সম্পাদনা সমিতি ঃ

অধ্যক্ষ— আব্দুছ ছাত্তাৰ আহমেদ, (সভাপতি)
উপাধ্যক্ষ— মোজাম্মেল হুছেইন, (উপ-সভাপতি)
অধ্যাপক— শ্ৰীলম্বিত কোঁৱৰ, (তত্বাৱধাৱক)
,, ছেঁখ ওমৰ আলী আহমেদ, ,,
সম্পাদক— নুৰুল ইছলাম।

## * সদস্য বৃন্দ *

জাহাঙ্গীৰ খাঁন।
শুকুৰ আলী আহমেদ।
আ: মাতিন আহমেদ।
আবুবাক্কাৰ ছিদ্দিক।
হুমায়ুন কবিৰ।
মিনহাজুৰ জুনুন।
মিচ্ হাফিজা খাতুন।

★ বেটুপাত— (কলেজ প্ৰতীক)
পৰিকল্পনা— এ, এছ, আহমেদ, (অধ্যক্ষ)
অঙ্কন— জি, ভৰালী, (অধ্যাপক)

★ অংগ-সজ্জা/পৰিকল্পনা— এন, ইছলাম, সম্পাদক।

★ মুদ্ৰা লিখক— দেৱান প্ৰেছ, কলগাছিয়া

কৃতজ্ঞতা স্বীকাৰ—
আলোচনীৰ সম্পাদনা সমিতি, মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক / অধ্যাপিকা মণ্ডলী, লেখক / লেখিকাসকল অফিচ কৰ্মী বৃন্দ, ছাত্ৰ একতা সভাৰ সদস্য বৃন্দ, বহুতো বন্ধু বৰ্গ, সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকল, দেৱান প্ৰেছৰ মালিক আৰু কৰ্মীবৃন্দ।

সম্পাদক— আলোচনী বিভাগ

## * কৃতজ্ঞতা *

নৱজ্যোতি মহাবিদ্যালয়ত বি, এছ, ছি, মহলালৈ বিজ্ঞান শাখা প্ৰবৰ্ত্তন কৰাত যিসকল মহৎ ব্যক্তিয়ে আৰ্থিক ও কায়িক সাহায্য আৰু সৎ পৰামৰ্শৰে সহযোগিতা কৰিলে তেখেত সকলৈ মহাবিদ্যালয়ৰ ফালৰ পৰা মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

নৱজ্যোতি মহাবিদ্যালয়ত নাম লগোৱা প্ৰতিজন ছাত্ৰ-ছাত্ৰী, এই মহাবিদ্যালয়ৰ প্ৰতিজন অধ্যাপক / অধ্যাপিকা আৰু প্ৰতিজন কৰ্ম্মী, এই অঞ্চলৰ প্ৰতিজন ব্যক্তি, এই অঞ্চলৰ প্ৰতিজন শিক্ষক ও শিক্ষয়ত্ৰী আৰু দূৰৰ কেইজনমান মহৎ ব্যক্তি ও কেইখনমান প্ৰতিষ্ঠানৰ ওচৰত কলেজখন চিৰদিনেই ঋণী থাকিব। কিয়নো নিচেই চালুকীয়া অৱস্থাত পোৱা সহায় অমূল্য সহায় যাক পৰিশোধ কৰিব নোৱাৰি।

গুৱাহাটী বিশ্ববিদ্যালয় কতৃপক্ষৰ সহানুভূতিশীল মনোভাৱ আৰু কলেজখনৰ উন্নতিত সহাঁৰিসূচক কৰ্ম্ম ব্যৱস্থা গ্ৰহণৰ কাৰণে বিশ্ববিদ্যালয়খন কৃতজ্ঞতা পোৱাৰ যোগ্য।

বিজ্ঞানৰ এই বৰ্ত্তমান যুগত বিজ্ঞান শিক্ষাৰ ফালে আমাৰ ল'ৰা ছোৱালীসকলক আগবঢ়াই নিবই লাগিব। জাতি হিচাবে জীয়াই থাকিবলৈ হ'লে, ব্যক্তি হিচাবে জীয়াই থাকিবলৈ হ'লে এই শিক্ষা অপৰিহাৰ্য্য। অতি দুখীয়া ও পিচপৰা এই অঞ্চলত প্ৰতিষ্ঠিত এইখন মহাবিদ্যালয়ে চিৰদিন বিজ্ঞান আৰু ক'লা শিক্ষাৰ পোহৰ বিলায়েই থাকিব। ই কেৱল মঙ্গল চিন্তা কৰাই জানে। সেয়ে এই মহান প্ৰতিষ্ঠানৰ প্ৰতি আমি সকলোৰে সুদৃষ্টি ৰখা আমাৰ নৈতিক কৰ্ত্তব্য। আহক, সুন্দৰৰ ও পোহৰৰ আৰাধনা কৰা এই সুন্দৰ প্ৰতিষ্ঠানটোক আমি আৰু অধিক সুন্দৰ আৰু পোহৰময় কৰি গঢ়ি উঠাত সকলোৰে অৰিহণা যোগাওঁ।

আব্দুছ ছাত্তাৰ আহমেদ
অধ্যক্ষ,
নৱজ্যোতি মহাবিদ্যালয়।

# সূচীপত্ৰ


| বিষয়— | পৃষ্ঠা— | লিখক— |
|---|---|---|
| আলোচনী সম্পাদকৰ প্ৰতিবেদন | | নুৰুল ইছলাম |
| *** কবিতা কানন *** | | |
| নৱজ্যোতিৰ নূৰ | ১ | ছাহজাহান আলী (বি, এছ, ছি ১ম বাৰ্ষিক) |
| আৰাধনা | ১ | মোঃ আয়নাল হ'ক (টি, ডি, ছি, ২য় বাৰ্ষিক) |
| মনমোৰ মুগ্ধ | ২ | মিচ্ হামিদা ইয়াছমিন (টি ডি, ছি, ১ম বাৰ্ষিক) |
| আমাৰ দেশ | ২ | ইমান হুছেইন (দ্বাদশ বাৰ্ষিক) |
| বিপ্লৱী দ'ল | ৩ | নুৰুল ইছলাম (টি, ডি, ছি, ২য় বাৰ্ষিক) |
| পোহৰৰ পিছে পিছে | ৩ | আবুবাক্কাৰ ছিদ্দিক (টি, ডি ছি, ২য় বাৰ্ষিক) |
| তিনিটা কবিতা | ৪ | বোস্তম আলী আহমেদ (টি, ডি, ছি, ২য় বাৰ্ষিক) |
| জীৱন | ৪ | মুবাৰক আলী (টি, ডি, ছি, ১য় বাৰ্ষিক) |
| *** গল্পাঞ্জলী *** | | |
| ঘৰে ঘৰে | ৫ | অধ্যাপক, খন্দঃ আঃ গফুৰ (ৰাজনীতি বিজ্ঞান বিভাগ) |
| এয়েনে প্ৰেম | ৭ | মিচ ছালেহা বেগম (টি, ডি, ছি, ১ম বাৰ্ষিক) |
| প্ৰেমৰ জিজিৰি | ১১ | এম, শ্বৌকত আলী (এইচ, এছ, ছি. ১ম বাৰ্ষিক) |

* প্ৰবন্ধৰ শৰাই *

| | | |
|---|---|---|
| (ভাৰতীয়) অৰ্থনীতি আমি আৰু আমাৰ মানসিকতা | ১৫ | ৰোস্তম আলী আহমেদ (টি, ডি, ছি, ২য় বাৰ্ষিক) |
| ধৰ্ম্ম আৰু বিজ্ঞান | ১৭ | মোঃ আকছেদ তালুকদাৰ (টি, ডি, ছি, ২য় বাৰ্ষিক) |
| সংগীতৰ লগতেই জীৱন মণ্ডিত | ২১ | মুবাৰক আলী (টি, ডি, ছি, ১ম বাৰ্ষিক) |
| ভ্ৰমণ কাহিনী (ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ জৰিয়তে) | ২৪ | আঃ মাতিন আহমেদ (টি, ডি, ছি, ২য় বাৰ্ষিক) |

● ENGLISH SECTION ●

| | | |
|---|---|---|
| My student life | 1 | Abdul Hamid. T. D. C. 2nd year |
| Seeking Thou | 2 | Shahjahan Ahmed B. Sc. 1st year |
| Nehru as an Administrator | 3 | Abdul Hamid T. D. C. 2nd year |
| Party & politics | 9 | M Mozammel Hussain Vice-principal |
| Idiosyncrasy of three romantic poets | 6 | A. S. Ahmed Principal |

* বিভিন্ন বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন *

| | | |
|---|---|---|
| ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ক | জাহাঙ্গীৰ খান |
| লঘু খেল বিভাগ | ঘ | আঃ ছবুৰ |
| সমাজ সেৱা বিভাগ | ঙ | আঃ মাতিন আহমেদ |
| গুৰু খেল বিভাগ | ছ | আবুবাক্কাৰ ছিদ্দিক |
| ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ | জ | মিচ হাফিজা খাতুন |
| সংগীত আৰু সাংস্কৃতিক বিভাগ | ঝ | শুকুৰ আলী আহমেদ |


—●—

# সম্পাদকীয়



## সাহিত্যঃ—

সাহিত্যই জাতিৰ দাপোন। মানুহৰ প্ৰতিবিম্ব যেনেকৈ দাপোনত ভাঁহি উঠে, স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সৃষ্টি মনোভাৱ লিখনী প্ৰতিভা আদি আলোচনীৰ মাধ্যমেদি প্ৰকাশ পায়। নিজৰ জাতিক সভ্যতাৰ পিনে এখোজ আগবঢ়াই নিয়াৰ একমাত্ৰ স্থল হৈছে সেই জাতিৰ লিখনী প্ৰতিভা। যিজাতিৰ লিখনী প্ৰতিভা উন্নত মানদণ্ডৰ সেই জাতিৰ সাহিত্য উৎকৃষ্ট মানদণ্ডৰ। সাহিত্য অবিহনে কোনো জাতিয়েই সভ্যতাৰ উচ্চ শিখৰত উঠিব পৰা নাই। যিকোনো জাতিৰ উত্থান-পতন, কলা-কৃষ্টি সভ্যতা আদি সাহিত্যৰ মাধ্যমেদি প্ৰকাশ পায়। যিজাতিৰ সাহিত্য নাই সেই জাতি পঙ্গু স্বৰূপ। লিখনীৰ জৰিয়তে সাহিত্যই জীৱন্তৰূপ পায়। সাহিত্যৰ মাধ্যমেদি সাহিত্যিকৰ লিখনী প্ৰতিভাই জীৱন্ত ৰূপ পায়। সাহিত্য অবিহনে যিকোনো জাতি জীয়াই থকা নথকা সমান কথা। "সাহিত্যই চিন্তাশীলৰ চিন্তা"। সুদুৰ পশ্চিম বৰপেটা পুৰ অভয়াপুৰী এই সুবিশাল জনবসতিপূৰ্ণ অনুন্নত এলেকাৰ একমাত্ৰ ভাষা সাহিত্যৰ প্ৰাণকেন্দ্ৰ আমাৰ এই "নৱজ্যোতি মহাবিদ্যালয়"।

## ব্যক্তিগত দু-আষাৰঃ—

প্ৰতিবেদনৰ আঁৰ কাপোৰ মেলোতেই সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ নেতৃত্বত যি সকল ব্যক্তিয়ে ১৯৮০ চনৰ ২৬ মে'ৰ দাবী দিৱসত ন্যায্য প্ৰাপ্য সাব্যস্ত কৰিবৰ কাৰণে পুলিচৰ গুলীত প্ৰাণ আহুতি দিলে, আৰু লগতে ১৯৮৩ চনৰ সৃষ্টি বিনাশী অসম নিৰ্ব্বাচনত ৰাজনৈতিক সত্বা প্ৰতিপন্ন কৰিবলৈ গৈ যিসকল বীৰ স্বহীদ হ'ল সেইসকলৈ গভীৰ শ্ৰদ্ধাঞ্জলী যাচিছোঁ।

ইং ১৯৮৫-৮৬ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বচনত মহাবিদ্যালয় আলোচনী সম্পাদক হিচাবে "আমছু" কলেজ ইউনিটৰ জৰিয়তে প্ৰাৰ্থীত্ব কৰি যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে অসীম ত্যাগ, কষ্ট, আৰু উৎসাহ উদ্দীপনাৰে জীৱনৰ প্ৰগতি পথত মোক যোগ্য বুলি নিৰ্ব্বাচিত কৰি আলোচনী সম্পাদকৰ পদবীৰ গুৰুভাৰ অৰ্পন কৰি সাহিত্য সেৱাৰ ৰি সুযোগ সুবিধা দিলে তাৰ প্ৰতিদান স্বৰূপে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

## আলোচনী প্ৰসঙ্গতঃ—

বৰ্ত্তমান যুগত প্ৰতিটো শিক্ষানুষ্ঠানৰেই একোখন মুখপত্ৰ থকাটো অতিকৈ প্ৰয়োজনীয়। কিয়নো এনেধৰণৰ মুখপত্ৰই ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত যথেষ্ট পৰিমাণে সহায় কৰাৰ উপৰিও ভৱিষ্যৎ জীৱনৰ গতিও নিয়ন্ত্ৰণ কৰিব পাৰে। আজিৰ এই কঠোৰ জীৱন সংগ্ৰামত জয়যুক্ত হবলৈ হলে প্ৰতিজন শিক্ষাৰ্থীয়ে পাঠ্যপুথিৰ উপৰিও বাহিৰা জ্ঞান অৰ্জন কৰা অতি প্ৰয়োজন। আমি লক্ষ্য কৰি আহিছো যে, যিসকল লিখকে সাহিত্য জগতত সুখ্যাতি অৰ্জন কৰিছে তেখেতসকলৰ প্ৰাৰম্ভিক সাহিত্যৰ পদক্ষেপ আছিল আলোচনী। এই ক্ষেত্ৰত আলোচনীৰ ভূমিকা সঁচাকৈয়ে অতি গুৰুত্বপূৰ্ণ আৰু ব্যাপক।

মই দয়িত্ব বহন কৰি থাকোতে সদায় এটা প্ৰেৰনাই মোক জগাই দিছিল যে, কেনেকৈ মই ষষ্ঠ সংখ্যা আলোচনীখন প্ৰকাশ কৰি উলিয়াই নৱজ্যোতি মহাবিদ্যালয়ৰ সমূহ অধ্যাপক, অধ্যাপিকা সকল তথা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী আৰু এই অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মুৰব্বী সকলৰ হাতত তুলি দিব পাৰিম। কিন্তু যেতিয়া আলোচনী প্ৰকাশ কৰিম বুলি সিদ্ধান্ত কৰি মহাবিদালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ পৰা কবিতা, প্ৰবন্ধ, চুটি-গল্প, জীৱনী, আদি বিভিন্ন ধৰণৰ ৰচনা সম্ভাৰ (Article) আদি পাইছিলো, কিন্তু সেইবোৰৰ অধিকাংশ আলোচনীত প্ৰকাশ কৰাত তেনেই লাজৰ কথা।

অৱশ্যে মই এই কথাৰে এইখিনি কব খোজা নাই যে, আমাৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতিভা নাই। কিছুমানৰ সুন্দৰ সাহিত্যৰ প্ৰতিভা আছে কিন্তু সিহতে আগবাঢ়ি নাহে। সৃষ্টিশীল মনোভাৱলৈ সাহিত্য চৰ্চ্চা নকৰি বহতে অগ্ৰজ সাহিত্যিক সকলক অনুসৰণ কৰে। তেওঁলোকে যেন নিজৰ প্ৰতিভা বিকাশৰ মানসেৰে দক্ষতা প্ৰকাশ কৰাৰ আশা বুকুত বান্ধিলৈ কৰ্মপথত আগবাঢ়ি আহে। "ঘহোঁতে ঘহোঁতে শিলো ক্ষয় যায়"। সেই বাবে ছাত্ৰ-ছাত্ৰীসকল নিৰাশ নহৈ দুগুণ উৎসাহেৰে প্ৰগতি পথত আগুৱাই যাবলৈ অনুৰোধ জনাইছোঁ। নিশ্চয় তেওঁলোকৰ আজিৰ সৃজনী প্ৰতিভাই কাইলৈ যথোচিত মৰ্য্যদা পাবই। জাতিক বিভিন্ন দিশত প্ৰতিফলিত কৰিবলৈ লাগে উপযুক্ত লিখনী সেয়েহে প্ৰতিজন উঠি অহা ন-লিখকসকললৈ জাতি গঠনৰ বাবে কাতৰ কন্ঠে আহবান জনালো। কবিয়ে গাইছে মৰুৰ মাজত যেনেকৈ মৰিচিকাৰ ছাঁয়া সংসাৰৰ মাজত সুখ তেনেকুৱা তই। সদায় ভাল বিচাৰি ফুৰিলে ভাল বস্তু পোৱা টান। তথাপি আমি সাধাৰণক উৎকৃষ্ট বুলি বিবেচনা কৰা উচিত কাৰণ সাহিত্যিক সকলে সেউজ বননীক নন্দ কানন বুলি কল্পনা কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত দুই এজন আশাৰ জ্যোতি বিলাৰ পৰা ধৰণৰ ব্যক্তিও আছে। নিজক পাহৰি যোৱা মানে বেইমানী কৰা হব, সেয়ে কলেজ সপ্তাহত বিষয় বস্তুলৈ তৰ্ক প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতাত প্ৰথম স্থান অধিকাৰ কৰা বন্ধু খন্দ: নুৰুজ্জামানৰ নাম নিলিখি থাকিব নোৱাৰিলোঁ। কলেজ সপ্তাহত প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰাত সম্পূৰ্ণ ৰাগে উদগনী দিয়াৰ বাবে, অধ্যক্ষ মহোদয়, তত্বাবধায়কদ্বয় লগতে সমুহ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলোঁ।



## শ্ৰদ্ধাঞ্জলী জ্ঞাপনঃ—

মোৰ কাৰ্য্যকাল ছোৱাত অসমৰ এজন স্বনাম ধন্য সাহিত্যিক শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা দেৱৰ পৰলোক প্ৰাপ্তি ঘটে, লগতে সংযুক্ত সংখ্যালঘু মৰ্চাৰ সভাপতি শ্ৰীযুত কালিপদ সেন দেৱক দুষ্কৃতিকাৰীসকলে গুলীয়াই হত্যা কৰে। ইয়াৰ উপৰি আন এজন বিশিষ্ট্য স্বদেশ প্ৰেমী অভিজ্ঞ ৰাজনীতিবিদ শ্ৰীজগজীৱন ৰাম দেৱৰ পৰলোক প্ৰাপ্তি ঘটে। মই এখেত সকলৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে আল্লাহৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

## কৃতজ্ঞতা স্বীকাৰঃ—

মাননীয় অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ, উপাধ্যক্ষ এম, মোজাম্মেল হুছাইন, তত্বাবধায়ক অধ্যাপকদ্বয় শ্ৰীযুত লম্বিত কোঁৱৰ, শেখ ওমৰ আলী আহমেদ, সমূহ অধ্যাপক অধ্যাপিকা মণ্ডলী আলোচনীৰ সম্পাদনা সমিতি, ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ লগতে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ।

## এখেতসকলৰ ওচৰত মই চিৰঋণীঃ—

সৰ্ব্বশ্ৰী আঃ হক (প্ৰাঃ সাঃ স:) ৰুস্তম আলী আহমেদ, জাহাঙ্গীৰ খান, আবুবক্কাৰ ছিদ্দিক তাজ উদ্দিন আহমেদ, মাহমুদুৰ ৰহমান খান, ছকুৰ আলী আহমেদ, এ, মাতিন, খোৰশেদ আলম, ছোহৰাৱ আলী আহমেদ, নুৰুল আলম, আৰশাদ আহমেদ, আনোৱাৰ, ৰুস্তম, শৰিফুল, ছেলিম, মিচ্ হাফিজা আছিয়া খাতুন, মাহমুদা খানম।

## সামৰণীঃ—

আমাৰ এই উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ "নৱজ্যোতি মহাবিদ্যালয়" স্থাপনকাৰী মহান ব্যক্তিসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। আমাৰ মহাবিদ্যালয়ৰ ষষ্ঠ সংখ্যা আলোচনী প্ৰকাশ কৰাৰ বাবে কলগাছিয়াত অৱস্থিত দেৱান প্ৰেছত ছপাবলৈ দিয়া হৈছিল। ইতিমধ্য আলোচনী ছপোৱাৰ কাম প্ৰায় শেষেই হৈছিল। কিন্তু দুখৰ বিষয় যে, প্ৰেছ থকা ঘৰখনত আকস্মিক ভাবে জুই লাগি প্ৰেছ লগতে আমাৰ মহাবিদ্যালয়ৰ আলোচনী আদি সকলো পুৰি শেষ হৈ যায়। কিন্তু ছপাবলৈ দিয়া Article বিলাকৰ কিছুমান ড্ৰাফ কপি মোৰ হাতত আছিল। পাছত আমাৰ অধ্যক্ষ মহোদয়ৰ উৎসাহ উদ্দীপনা মোৰ আগ্ৰহ লগতে প্ৰেছৰ মেনেজাৰ জনাব তাজ উদ্দিন আহমেদৰ অক্লান্ত পৰিশ্ৰমৰ ফলত আমাৰ এই ষষ্ঠসংখ্যা আলোচনী প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ হাতত তুলি দিবলৈ সক্ষম হৈছো।


সদৌ শেষত নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জল কামনা কৰি আৰু লগতে বিভিন্ন অঞ্চলৰ পৰা অহা সকলো ছাত্ৰ-ছাত্ৰী বন্ধু- বান্ধৱীক জ্যোতিৰ জ্যোতি আৰু ৰাভাৰ আভাক জ্যোতিষ্মান কৰাৰ আদৰ্শৰে অনুপ্ৰাণীত হবলৈ আহবান জনাই মোৰ কৰ্য্যকালত অজানিতে কৰি অহা ভুলত্ৰুটিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ আঁৰ কাপোৰ টানিলোঁ।

জয়হিন্দ—

ধন্যবাদেৰে

নুৰুল ইছলাম

সম্পাদক, আলোচনী বিভাগ।



বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ—
আয়ুব আলী খান



বছৰৰ শ্ৰেষ্ঠ গায়িকা—
মিচ্. ছালেহা খাতুন

## কবিতা

# নৱ-জ্যোতিৰ নূৰ

ছাহজাহান আলী
বি, এছ, ছি ১ম বাৰ্ষিক

নৱ জীৱনৰ
নৱ অভিজ্ঞতাত
নৱ দীপ্তি
মেলিবলৈ ।
আহিছোঁ নৱ চহৰৰ
নৱ মহাবিদ্যালয়
নৱজ্যোতিৰ
দুৱাৰ দলিলৈ ।
নৱজ্যোতিৰ প্ৰসংশাত
পঞ্চমুখ হই
উঠিছে নৱ হিল্লোল
নৱ-প্ৰাণ লই ।
নৱজ্যোতিৰ নূৰে
অন্ধকাৰ যাব দূৰে
আগুৱাই যাম
পোহৰ লই ।
নৱজ্যোতিৰ প্ৰেমে
নৱ প্ৰেমিকৰ
নৱ যৌৱনলৈ
আহিছে নৱ আশা ।
নৱজ্যোতিৰ জ্ঞানে
আগত নৱগতলৈ
আকাশী লতাৰ দৰে
মেলিব জ্ঞানৰ পাখা ।
মোৰ দৰে লক্ষ তৰা
লব বিদ্যাৰ জ্ঞান
এই নৱজ্যোতিত
লক্ষ বছৰ ধৰি ।
লক্ষ জীৱনৰ লক্ষ স্বপ্নে
ধৰাক কৰিব সুখী
যেন ফেৰেস্তা সকলৰ
অনন্ত স্বৰ্গপুৰী ।
এই নৱজ্যোতিলৈ
যি নৱ জ্ঞান তৃষ্ণাতুৰে
অলেখ ৰঙীন স্বপ্নলৈ
মেলিছে নয়ন পাঁহি ।
ঈশ্বৰক খাটো
ফুটে যেন সিহতঁৰ
নৱ মন কাননত
অযুত তৰাৰ হাঁহি ।
হে নৱজ্যোতি !
ফুলোৱা তোমাৰ
নৱ নৱ কুসুম
নৱ ৰূপ ধৰি ।
তোমাৰ সুগন্ধ
উপভোগ কৰি, মই
যাব পাৰো যেন
ধৰাত আগবাঢ়ি ।

●

# আৰাধনা

মোঃ আয়নাল হ'ক
টি, ডি, ছি, ২য় বাৰ্ষিক কলা (সন্মান)

নিঃকিন দৰিদ্ৰ মই,
দিবলৈ একো নাই;
আছে মাত্ৰ ভালপোৱা
অৰ্পণ কৰিলোঁ সেয়াই ।

দুখীয়াৰ পঁজা ঘৰ,
আছে খালী পৰি;
তোমাৰ দয়াৰে আমাৰ
হৃদয় শান্ত কৰি ।

হে প্ৰভু দয়াময়,
তুমি অবিহনে একো নাই;
তুমি বিশ্ব চৰাচৰ;
জগত শান্তিময় ।

●

## ※ মন মোৰ মুগ্ধ ※

মিচ্‌ হামিদা ইয়াছমিন ।
টি, ডি, ছি, ১ম বাৰ্ষিক (ক'লা শাখা)

সুলক্ষ্য ভেদিলো ধৰমৰ খুটি
প্ৰাণপণে লাগি মই
ঘৰৰ ঘৰুৱা পথাৰৰ কাম
সকলো আতৰাই থই ।

নোৱাৰো শিকিব অনতি পলমে
মোক লগা কথাবোৰ
এদিন দুদিন এনেদৰে মই
অলপ কৰিলো ওৰ ।

এয়েই নহয় আছে আৰু বহু
কৰ্মব্যস্ত জীৱনত
লাহে লাহে মই কৰিম মনত
উচ্চ মনৰ জ্ঞানত ।

লগৰ লগৰী থাকে বাট চাই
যাম বুলি লগ ল'ই
ধৰ্ম্মীয় কৰ্মৰ আঁৰে আঁৰে মই
থাকো নেযাও বুলিকৈ।

সৰ্বোচ্চ স্তৰ নহয় সেইটো
যিটো ধৰ্মৰ খুটি
ক্ষুদ্ৰ জীৱনৰ কৰ্মৰ মাজতে
হয় কাম সকলোটি ।

জানিও বুজিও কিয় হেৰা আমি
থাকো কিয় বিধৰ্ম্মী হই
মহাপাপ হব বিধৰ্ম্মী বাটত
মহাপুৰুষে গৈছে কৈ ।

যেতিয়াৰ যি কৰ্ম্ম কৰা তেতিয়াই
সময় নেপাবা পিছে
হবা বাৰুসুখী সিপুৰী কালত
বিশদ প্ৰমাণ আছে ।



## আমাৰ দেশ

ইমান হুসেইন
দ্বাদশ বাৰ্ষিক (কলা শাখা)

শস্য শ্যামলা ভাৰতবৰ্ষ
আমাৰ গৰ্ব আমাৰ হৰ্ষ
অসম আমাৰ স্নেহৰ ঠাই
ইয়াৰ তুলনা কতো নাই ।

জাতি ধৰ্মৰ সংকোচ এৰি
একে কৰ্ম সকলোৱে কৰি
ৰক্ষা কৰিম দেশৰ মান
দেশেই ধৰ্ম দেশেই জ্ঞান ।

জাতি ধৰ্মৰ নাই ভেদাভেদ
সকলোৰে বাবে একে লেখ
সকলোৱে থাকো মিলিজুলি
অসম আমাৰ দুৱাৰ ডলী ।



# কবিতা

## ঃ বিপ্লৱী দ'ল ঃ

নুৰুল ইছলাম
টি, ডি, ছি, ২য় বাৰ্ষিক (কলা)

হে বিপ্লৱী দ'ল—
হোৱা আগুৱান,
শোষণকাৰীহঁতৰ গৰ্ব্ব
কৰা চুৰমাৰ ।

সৌ ৰাজপথত—
হেজাৰ হেজাৰ নৰ-কংকালৰ,
হৃদয় বিদাৰক আৰ্তনাদ,
শুনিছানে শোষণকাৰীহঁত ?

তাৰ বাবে দায়ী কোন
তঁহত নহয়নে বাৰু ?
হোৱা সাৱধান
হে নৰাধম শোষণকাৰীৰ দল,
শুনিছানে আজি কুৰিশতিকাৰ
বিপ্লৱী দ'লৰ ৰণ ভেৰীৰ ঝংকাৰ ?

হে বিপ্লৱী দ'ল—
হোৱা আগুৱান,
শোষণকাৰীহঁতৰ গৰ্ব্ব
কৰা চুৰমাৰ ।

## ঃ পোহৰৰ পিছে পিছে ঃ

আবুবাক্কাৰ ছিদ্দিক
টি, ডি, ছি, ২য় বাৰ্ষিক (কলা)

মই দৌৰিছোঁ—
মাথো দৌৰিছোঁ—
বাট বৰ দুৰ্গম;
লক্ষ্যস্থান বহু দূৰ !

মই শ্ৰান্ত, ক্লান্ত
ভোকাতুৰ আৰু তৃষ্ণাতুৰ;
তথাপি দৌৰিছোঁ !
মই যে যাবই লাগিব
লক্ষ্যস্থান পাবই লাগিব !!

মোৰ আইৰ ওচৰত
মই প্ৰতিশ্ৰুতিবদ্ধ,
সত্য আৰু ন্যায়ৰ সজাত
মই আৱদ্ধ !

সেয়েহে—
তিমিৰ-ঢাকাক পোহৰেৰে উদ্ভাসিত
উৱলি যোৱা খেৰৰ জুপুৰিটোৰ পৰা
আইৰ আশীৰ্ব্বাদ লৈ
মই আহিছোঁ—
একাঁজলি পোহৰ আনিবলৈ !
এটি নতুন সূৰ্য্যৰ জন্ম দিবলৈ !!!

## কবিতা

## ঃ বিপ্লৱী দ'ল ঃ

নুৰুল ইছলাম
টি, ডি, ছি, ২য় বাৰ্ষিক (কলা)

হে বিপ্লৱী দ'ল—
হোৱা আগুৱান,
শোষণকাৰীহঁতৰ গৰ্ব্ব
কৰা চুৰমাৰ।

সৌ ৰাজপথত—
হেজাৰ হেজাৰ নৰ-কংকালৰ,
হৃদয় বিদাৰক আৰ্তনাদ,
শুনিছানে শোষণকাৰীহঁত ?

তাৰ বাবে দায়ী কোন
তঁহত নহয়নে বাৰু ?
হোৱা সাৱধান
হে নৰাধম শোষণকাৰীৰ দল,
শুনিছানে আজি কুৰিশতিকাৰ
বিপ্লৱী দ'লৰ ৰণ ভেৰীৰ ঝংকাৰ ?

হে বিপ্লৱী দ'ল—
হোৱা আগুৱান,
শোষণকাৰীহঁতৰ গৰ্ব্ব
কৰা চুৰমাৰ।

## ঃ পোহৰৰ পিছে পিছে ঃ

আবুবাক্কাৰ ছিদ্দিক
টি, ডি, ছি, ২য় বাৰ্ষিক (কলা)

মই দৌৰিছোঁ—
মাথো দৌৰিছোঁ—
বাট বৰ দুৰ্গম;
লক্ষ্যস্থান বহু দূৰ !

মই শ্ৰান্ত, ক্লান্ত
ভোকাতুৰ আৰু তৃষ্ণাতুৰ;
তথাপি দৌৰিছোঁ !
মই যে যাবই লাগিব
লক্ষ্যস্থান পাবই লাগিব !!

মোৰ আইৰ ওচৰত
মই প্ৰতিশ্ৰুতিবদ্ধ,
সত্য আৰু ন্যায়ৰ সজাত
মই আৱদ্ধ !

সেয়েহে—
চিমিক-চামাক পোহৰেৰে উদ্ভাসিত
উৰলি যোৱা খেৰৰ জুপুৰিটোৰ পৰা
আইৰ আশীৰ্ব্বাদ লৈ
মই আহিছোঁ—
একাঁজলি পোহৰ আনিবলৈ !
এটি নতুন সূৰ্য্যৰ জন্ম দিবলৈ !!!

## ঃ তিনিটা কবিতা ঃ

বোস্তম আলী আহমেদ
টি, ,ডি ছি, ২য় বাৰ্ষিক (সন্মান)

(১)

অকিচৰ বঙা ফাইলত
দেশৰ প্ৰগতি আগবাঢ়ে,
জনতাৰ মুক্তিৰ সপোনে হাঁহে !

(২)

সেই কলা কুৎসিত
কুলিটো আকৌ আহিছে ;
তাক আহিবলৈ নিদিবা
.........সি মাথো বসন্ততহে আহে ।

(৩)

মোৰ বুকুৰ ওপৰত থকা বন্দুকটো
———বৰ গধুৰ!
বুকুত হেঁচা পৰিছে; বিষাইছে ।
কষ্ট পাইছো, তথাপি থাকক
ৰাতিটো পাৰ হলেই পোহৰ হব ;
তেতিয়া বন্দুকটো নমাই থম ॥

## ঃ জীৱন ঃ

মুবাৰক আলী আহমেদ
টি, ডি, ছি, ২য় বাৰ্ষিক (কলা)

বৈ যায় এই নদী
নিৰবদি নিৰৱছিন্ন ধাৰাৰে
নীৰৱ উৰ্মিলতাৰে......
বিজনতাৰ উপকূল
নিস্তব্ধতাৰ প্ৰবাহ
বৈ যায় দিবানিশি
অবিৰল ভাবে, কোৱাল গতিৰে .....
ইপাৰে সিপাৰে থকা
গছ বৃক্ষৰ মৰহা
ডাল পাতবোৰ
সৰি পৰি যায়.....
সিহতঁ উঠি ভাহি যায়
দুৰ দুৰনিলৈ-
কোনো এক সঙ্গমত সিহঁত
পাক-ঘুৰণি খায়......
ওলট পালট হৈ পৰে
পাৰে পাৰে কিছুমান
বৈ যায়- যাৰ উৰ্বৰতাৰে
ধৰিত্ৰী হৈ পৰে
সগৰ্ভাঃ শস্য শ্যামলিমা ।

> জীৱনত কৃতকাৰ্য্যতা হোৱাটো গৌৰৱৰ কথা নহয় । কিন্তু অকৃতকাৰ্য্যতাৰ পৰা সফলতা লাভ কৰিবলৈ চেষ্টা কৰাটোৰে আমাৰ গৌৰৱ প্ৰকাশ পায় ।
>
> —কাৰ্লাইল ।



গল্প

## ঃ ঘৰে ঘৰে ঃ

অধ্যাপক, খন্দঃ আঃ গফুৰ এম, এ
( ৰাজনীতি বিজ্ঞান বিভাগ )

বিকাৰগ্ৰস্থ মন এটিৰে মতিনে বিছনাত ছটফটাই মৰিছে— ক'তা টোপনিবোৰ চকুৰ পৰা আতঁৰ হ'ল নেকি ? জীৱনৰ একুৰি আঠ বছৰ পাৰ হবৰ হ'ল আৰু এই ২৮ বছৰীয়া জীৱনত ২০ বছৰতে বি, এ, ডিগ্ৰীলৈ সংসাৰৰ অনাহক বোজাহৈ আছে । আঠ বছৰ ধৰি পৰিয়ালৰ আবৰ্জনা হৈ পৰিছে । প্ৰথমে মাকে একো কোৱা নাছিল । আজি মতিনৰ মাকেওঁ যেতিয়া কলে— ইমানটো গজগজীয়া ল'ৰা হলি উপাৰ্জন কৰিব নোৱাৰো । লোকৰ ল'ৰাই কত কি কৰিছে, 'তোৰ দৰে অধম থকাতকৈ নথকাই ভাল' । মতিনে মৰ্ম্মাহত হল বেছি বুজাব নোৱাৰি তাৰ ব্যথাখিনি মতিনে দেউতাকক চাগৈ আজি পাঁচ বছৰে একেলগে বহি এষাৰ কথাকৈ পোৱা নাই । মুখামুখি হবলৈও মতিনে ভয় কৰে । "টকা পইচা মই কিমান কষ্টকৈ আৰ্জো মইহে জানো তোৰ দৰে কুলক্ষণীয়া মোৰ সংসাৰৰ পৰা আতঁৰি যোৱাই ভাল" ! এইয়া দেউতাৰ কথা । তেওঁ হলে মোৰ মুখ চোৱাটো অসহ্য লাগে । কিন্তু মতিনে কি কৰিব । জীৱনৰ কিমানটা বছৰ পাৰ হল কেৱল ইন্টাৰভিউৰ বায়না দিওঁতে । তাৰদৰে হেজাৰ হেজাৰ নিবনুৱাই কেৱল হুমনিয়া আৰু নিৰাশাৰ হাহাকাৰ লৈ বাট চাই থাকে কিজানি কিবা ভাল খবৰ আহে, নাই চাওঁতে দিন, মাহ, বছৰ শেষহৈ যায় । টকা লাগে, সাধাৰণ মহৰীৰ ল'ৰা মতিনে ক'ত পাব ইমান টকা । টকা আৰু চাকৰীৰ যেন দীঘ আৰু বলিৰ সম্পৰ্ক

মতিনৰ দৰে নিবনুৱাক কোনেওঁ দেখিব নোৱাৰে । সেই কলেজীয়া দিনবোৰ কিমান মধুৰ সপোনেৰে আৱৰা আছিল আৰু আজি মতিনৰ দিনতে এন্ধাৰ । ভাত নেখালেও কোনেও নকয় ভাত খাবলৈ । টকাৰ কি মহিমা মতিনে জনা নাছিল । আজি টকা আনি হাতত দিলেই মাক দেউতাক সকলোৰ বাবে মতিন হবগৈ আলাসৰ লাড়ু ।

মতিনে হেনো পৰিয়ালৰ প্ৰথম ল'ৰা-সন্তান সেয়ে সকলোৰে আশাকৰা মতে সি একো এটা কৰিব পৰা নাই । মতিনৰ ভনীজনী H.S.L.C পাছ কৰিব নোৱাৰি ঘৰতে বুঢ়ী হব ধৰিছে । মতিনে ডাঙৰ লৰাটো হৈ ভনী জনীক কিবা এটা গতি কৰিব পৰা নাই । সমাজৰ অভিশাপ সৃষ্টি কৰিবলৈ এই বিদ্যা মোক চৰকাৰে কিয় জাপিলে ?

সৌ সিদিনাৰে কথা— মতিনে চুইটিহঁতৰ পদূলিৰ দেউনাখন পাৰ হোৱাই নাই এনেতে শুনিলে ভিতৰ চোতালত চুইটিৰ দেউতাকে গৰজিছে "চুইটী সেই, বেকাৰ মতিনৰ লগত তোৰ কিহঁৰ ইমান বোৰ হলিগলি ? সি এটা বদমাচ, সংসাৰত কিটো কৰি খাব পাৰিব । দিনটো মানুহৰ ঘৰে খোৱাৰ ছলৈ ফুৰে । মহৰীৰ ঘৰৰ কথা নেজানোনে; সেই ছালছিগা-টোক এই ঘৰত পুনৰ দেখিলে কথা বেয়া হব, অ" । সৰগ পৰা মানুহৰ দৰে থৰ লাগি মতিনে কথাষাৰ শুনিলে । একমাত্ৰ মনৰ বেদনাবোৰ কবলৈ চুইটীজনীক মতিনে

বাছি লৈছিল কিন্তু এইয়া কি শুনিলে মতিনে! এজন কেৰাণ ডিকহব বাবে ভাল পোৱা আৰু বাওঁনাহে চন্দ্ৰৰ হাত মেলা একে কথা। সি উভতি আহিছিল কাপুৰুষৰ দৰে। চাবলে মনগৈছিল চুইটীৰ সেই মুখখন...... চকুত পানী আহিছেনে নাই! নে দেউতাৰ কথাত পতিয়নগৈ মতিনলৈ ঘিনেই উপজিল? নাই নেচায় " কোনো দিন নেচায় " গুচি আহিল-- তাৰ সেই এন্ধাৰ কোঠাটোত! এডাল ৰছীত তাৰ সেই তাপলি মৰা লংপেন্ট আৰু বিপুৰাৰা চাৰ্টটো থৈ সি দীঘলদি পৰিল। অনাহাৰে নিশা এপৰত মাকে কোৱা শুনিলে— সেই বাবুৰে আহিবৰ হোৱাই নাই, ভাতনি টেবুলত সাজি দিবলৈ মই কিবা চাকৰণী নে? যেতিয়া ইচ্ছা আহি ভাত বাঢ়ি খালে খাব, নাখালে শুকাই মৰক! সেই আপদৰ কথা চিন্তা কৰি কৰি মোৰ আয়ুস টুটি আহিছে। দেউতাৰ উত্তৰ... "কাইলৈ তাক কবা সি যতেই পাৰেগৈ নিজ কৰ্ম্ম কৰি নিজৰ পেটৰ ভাত খিনি মোকোলাওঁকগৈ। কুকুৰ এটাই জানো নিজে নিজক নোপোহে, মই আৰু বহাই কিমান খুৱাম? এই দৰে সি চোৰৰ দৰে কেতিয়াবা খায় কেতিয়াবা অনাহাৰে থাকে।

মতিনে ঈশ্বৰক প্ৰাৰ্থনা কৰে কিনো কৰিব উপায় এটা দিবলৈ। দেউতাৰ মাটিও নাই। হয়তো খেতিবাতি কৰিলেও চলিব পাৰিলেহেতেন কিন্তু কি কৰিব। কিমান বছৰ এইদৰে থকা যাব কথাৰ বিষবান সি কিমান সহিব? নিজৰ ঘৰখনেই চোন আজি কালি পৰ পৰ লগা হ'ল। ভাইটি ভন্টী হতে আগৰদৰে দাদা বুলি নেমাতে। কাৰণ দাদাই চাকৰী পালে ইটো সিটো খুজিব বুলি কৰা আশাটো পানী হোৱা বাবে চাগে। সিহঁতক সি এপেকেট লজেনো কিনি দিব নোৱাৰে। পইচাৰ অভাৱত চাহ পান খোৱা এৰিলেই। দেউতাই কেতিয়াও এটকাও নিদিয়ে, মাকে আগেয়ে দিছিল মনে মনে কিন্ত বহুদিন হ'ল দিবলৈ এৰিছে। সি ভাবে এজন চাকৰী কৰা ল'ৰা আৰু চাকৰী নকৰা লৰা দুটাৰ মাজত ইমান পাৰ্থক্য, এটা আসন গুৰুৰ সন্মান আৰু আনটো বাটৰ কুকুৰৰ দৰে। মাজে মাজে মতিনৰ আত্মহত্যা কৰিবলৈ মন যায়, কিন্ত এক মতিনে আত্মহত্যা কৰিম, হেজাৰ হেজাৰ মতিনে কি কৰিব, মোৰ দৰে কৰিম, ৰহিম, নগেন, মৃনাল, জয়ন্ত, সকলেচোন একে দশাতে ভুগিছে। আমাৰ পথ কোন পিনে? হাজাৰ প্ৰশ্নৰ কোৱাল সোহতত মতিনৰ দুখৰ নিশা নুপুৱায়.................... !!





# ঃ এয়েনে প্ৰেম ঃ

মিচ্ ছালেহা বেগম
টি, ডি, ছি ১ম বাৰ্ষিক (কলা)

পুৱা আঠ বাজিবলৈ তেতিয়াও কুৰি মিনিট বাকী, সময়খিনি কটাবলৈ দীপকে আলোচনী খন খুলিলে। এনেতে দুৱাৰত শব্দ হল......

দীপক-দা দীপক-দা আপুনি আজি কলেজত নাযায়নে? কথাকেইটা দীঘল দীঘল উশাহত কলে দীপ্তিয়ে। আলোচনীৰ পৰা মুখ তুলি দীপকে কলে যোৱা নোযোৱা মোৰ কথা তুমি মোৰ ওৱাদিহ লবলৈ কোনহে? খঙৰ ভেঙু-চালি কৰি মুখত মৃদু তৃপ্তিৰ হাঁহিলৈ আকৌ আলোচনীৰ ওপৰত চকু দিলে। দীপক যেন আজি সি বিজয়নীক জয় কৰিবলৈ ওলাইছে।

নহয় মানে...... আপোনাৰ লগত মই আজি চহৰত যাম। দেউতা তিনিমাহে ঘৰত আহা নাই। তাৰ উপৰি মোৰ দশমমান শ্ৰেণীৰ কেইটামান কিতাপ আনিব লাগিব। আপোনাৰ লগত গৈ এইখিনি সুবিধা পাম বুলি আশা কৰি আহিছোঁ দীপক-দা। সিহৰ কথা কেইটা কওঁতে তাইৰ কণ্ঠস্বৰ মধুৰ হোৱা যেন অনুমান কৰিলে দীপকে।

অভিমানৰ সলনি আহিল অনুশোচনা। দীপক নিজৰ বক্তব্যৰ কাৰণে নিজকে ধিক্কাৰ দিলে। ভেঙুচালিৰ কাৰণে বৰকৈ অনুতাপ আহিল তেওঁৰ। দীপ্তি এলাপেচা ছোৱালী নহয়। গড়কাপ্তানি বিভাগৰ এজন সাধাৰণ কেৰাণী তাইৰ দেউতাক। অষ্টমমান শ্ৰেণীত ভৰি দিয়াৰ লগে লগে দেউতাকে সপৰিয়ালে বিদেশত থকাটো এৰি দিছে। তেতিয়াৰে পৰা ঘৰখনৰ প্ৰায় সকলো দায়ীত্ব দীপ্তিৰ ওপৰত। আজি দশমমান শ্ৰেণীৰ ছাত্ৰীহইয়ো বজাৰ কৰিবলৈ এৰা নাই, এৰিব পৰাও নাই।

আনদিনা দীপক ছাইকেলেৰে কলেজত যায় কিন্তু আজি দীপ্তি থকাৰ কাৰণে খোজকাঢ়ি দুয়ো ষ্টেটচনৰ পিনে যাব ধৰিলে। প্ৰকৃতিৰ নীৰৱ কোলাত দুয়ো নীৰৱে খোজ কাঢ়িছে। সময়ত তলফালে সময়ত ওপৰফালে চোৱাৰ লগে লগে আচৰিত হৈ যায় দীপকে। কোনোবা নিখুত কাৰিকৰে জ্যামিতিৰ আহিলা - পাতি আৰু এলজেব্ৰাৰ ফৰমুলা প্ৰয়োগ কৰি সৃষ্টি কৰিছে দীপ্তিৰ দেহ। প্ৰতিটো অঙ্গৰে গঢ় প্ৰয়োজনতকৈ অধিক বা কম হোৱা নাই। ইয়াৰ আগতে তেওঁ বহুবাৰ দীপ্তক দেখিছে। কিন্তু ইমান অপৰূপ সৌন্দৰ্য্যতো তেওঁৰ চকুত পৰা নাই। দীপকৰ মনত দীপ্তিৰ সৌ সি-দিনাৰ দীপ্তি থকা নাই। যেন স্বৰ্গৰ অপ্সৰা স্বৰ্গৰ পথ ভুল কৰি তাই হেন মৰ্ত্তইদি দীপকৰ লগত খোজ দিছে। দীপ্তিৰ ৰূপত মুগ্ধহৈ যায় দীপকৰ মন। মুখত ভাহে তৃপ্তিৰ মিচিকিয়া হাঁহিৰ বিজিৰণি। চকুত ভাহি উঠে স্বপ্ন বিভোৰ অকল্পনীয় জ্যোতি হিয়াত উত্তেজনাৰ তাণ্ডৱ নৃত্য। নিজকে পাহৰি যায় দীপকে। বিস্তৃত নয়নে চাই থাকে দীপ্তিৰ পিনে। প্ৰশ্ন কৰে দীপ্তি কি ছাইচা দীপক দা?

আৰু আচৰিত হৈ যায় দীপক! কিয় আজি তাই আপোনাৰ সলনি মোক তুমি সম্বোধন কৰিছে। তেন্তে তাই মোক সচাঁকৈ ভাল পাইছেনে? মোৰ অজানিতে ইমান দিনে তাই মোক আপোন কৰি লৈছেনে? প্ৰেমৰ আগলি বতৰাক নেওচিব নোৱাৰে দীপক। চকুৰ আগত ভাহি উঠে এটা নতুন দিনৰ স্বপ্ন, ভালপোৱাৰ সপ্নৰ পৰা নিজকে মোকলাই উত্তৰ দিলে দীপকে তোমাৰ ৰূপ চোৱা নাই দীপ্তি।

তেন্তে কি চাইছা? তোমাৰ ৰূপৰ মাজেদি মই নিখুত কাৰীকৰৰ ৰূপ চাইছোঁ। তেন্তে তুমি মোৰ ৰূপক বেছি পছন্দ কৰা নাই নহয়নে দীপক-দা? তুমি এইবোৰ মেৰপকোৱা কথা নুবুজিবা, কলেজত ভৰি দিয়াৰ লগে লগে সকলো গম পাবা। ইয়াৰ দ্বাৰা মই তোমাৰ ৰূপক ভৎসনা কৰা নাই বৰং বিপুল আবেগেৰে আকোৱালি লৈছো। কলেজৰ নাম শুনাৰ লগে লগে [illegible]

নিৰাশ বতাহৰ সোঁত বলৈ ধৰিলে। ভৰিৰ-সৈতে যেন মাটিৰ সম্পৰ্ক নোহোৱা হল। ভৰিদুটাও যেন অৱশ হৈ পৰিছে। অতিককৰুণ ভাষাৰে তাই কলে, দীপক-দা এই জীৱনত কলেজৰ মুখ আৰু নেদেখিম, আশা কৰিছিলো অহা বছৰতে কলেজৰ দুৱাৰত পদাৰ্পণ কৰিম কিন্তু নোৱাৰিলো, দীপক-দা! হুকহুকাই কান্দি দিছিল দীপ্তিয়ে। বাটেদি যোৱাৰ কাৰণে নিজকে সংযত কৰি উচুপি উচুপি শাৰীৰ আচলেৰে চকুপানী মুচিব ধৰিলে। কিয় নোৱাৰিবা দীপ্তি? ভালকৈ পঢ়াশুনা কৰিলে কোনে কৃতকাৰ্য্য নহয়? এষাৰ কথা আছে "যত্ন কৰিলে ৰত্ন পায়' যত্ন কৰি চাবা, নিশ্চয় পাচ কৰিব পৰিবা।

মই পঢ়াশুনাৰ কথা কোৱা নাই দীপক-দা! তেন্তে অসুবিধা কি? মোৰ বিয়া দীপক-দা! মেট্ৰিক পৰীক্ষা দিয়াৰ লগে লগে ফলাফলৰ অপেক্ষা নকৰি মই প্ৰণয়পাশত আবদ্ধ হব লাগিব। বিয়াত সোমোৱাৰ পাছতেই আৰম্ভ হব সাংসাৰিক জীৱন। গতিকে কলেজ নামটো আজি মোৰ সপোনহে মাথোন।

নিৰৱ শ্ৰোতা দীপকৰ মন কোনোবা অজান বিপদৰ সংকেতত চিৰিংকৈ কঁপি উঠিল। মুখৰ সৌন্দৰ্য্যখিনি হঠাৎ কলা পৰি গ'ল। ক্ষণিকৰ স্বপ্ন হঠাৎতে মাৰ গল শূণ্য উদাস পৃথিৱীৰ বুকুত। বটলৰ ভিতৰত সৰিয়হৰ তেল খাবলৈ সোমোৱা পইতাচোৰা মেৰপকাই থকাৰদৰে তেওৰ বুদ্ধিজ্ঞানো বটলৰ ভিতৰত আবদ্ধ হল। কি কৰিব কি নকৰিব উপায়হীন। আজি এবছৰ আগৰ পৰাই দীপকে দীপ্তিক ভালপাই আহিছে। এই ভালপোৱাৰ মৃদুপৰশ [illegible] জীৱনলৈ দিয়া নাই। সেইবুলি দীপ্তিয়েও দীপকৰ মনৰ বেদনা উদ্ঘাটন কৰিবলৈ সক্ষম হোৱা নাই। দীপ্তিৰ ইমান দিনৰ অনুমান দীপকৰ মনৰ অৱস্থা তাই সঁচা বুলি প্ৰমান কৰিলে। বহুপৰ নিৰৱে থাকি দীপকে কলে —

বিয়া কৰিবলৈ ওলোৱা ডেকাজন কি কৰে? এল, পি স্কুলৰ শিক্ষক ধনীঘৰৰ লৰা। দীপ্তিয়ে উত্তৰ দিলে এনেতে দুৰত গাড়ীৰ হৰ্ণবাজি উঠিল। লৰালৰিকৈ দুয়োগে যাত্ৰীৰ মাজত সোমাই পৰিল। গাড়ী এৰিদিলে গুৱাহাটী চহৰ। এইচহৰত দীপ্তি কেইবাবাৰো আহিলেও আজি যেন একেবাৰে অচিনাকী লাগিছে তাইৰ। পূৰ্বৰ ৰংচুৱা পকী দালানবোৰ যেন শোকত মৃয়মান হৈ পৰিছে। মহানগৰীৰ



ব্যৱস্থাও বহু পৰিমানে কমি গৈছে। আগৰ দৰে এতিয়া মানুহৰ মুখত হাঁহি থিকিন্দালি নোহোৱা হৈছে। সকলোতে যেন শোঁকৰ ছাঁ তাই দেখিবলৈ পালে। এয়া মহানগৰীৰ অৱস্থানে? দীপকৰ হাতৰ ঔষধপাতিখিনি দীপ্তিৰ হাতত দি হতাশ মনে বিদায় জনাই দীপক কলেজলৈ গ'ল।

গুৱাহাটী মহানগৰীৰ আৰ্য্যবিদ্যাপীঠ কলেজ কেইবছৰ আগত মানুহে ইয়াৰ নাম নেজানিছিল। অধ্যক্ষ আৰু অধ্যাপক সকলৰ নেৰানেপেৰা চেষ্টাৰ ফলত আজিকালি অইন কলেজৰ লগত সমানে ফেৰমাৰি চলে। ছাত্ৰছোছাই টিও কোনোফালে হীন নহয়। ছাত্ৰ-ছাত্ৰী বহুত, অফ পেৰিয়ডত ছাত্ৰ-ছাত্ৰীৰ জুমবন্ধা দেখা যায়। কোনোবা আকৌ প্ৰেমিকাক লৈ টহল মাৰিবলৈ যায়। কিছুমানে আকৌ কেন্টিনত ছিগাৰেটৰ ধোঁৱা অকাই পকাই এৰি দিয়ে ওপৰলৈ। বৰ আমেজ লগা কলেজ। ছাত্ৰ সমাজৰ এনেহেন পৰিবেশ এটাই দীপকৰ মনত কৌতুহল আনিব পৰা নাই, কেমিষ্ট্ৰি অনাৰ্চ বি, এছছিৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ দীপক কলেজৰ প্ৰায়বোৰ ছাত্ৰ ছাত্ৰীয়ে তেওক চিনি পায়। ছাত্ৰসমাজ প্ৰিয় দীপকৰ আজি একোৱে ভাল লগা নাই। কলেজৰ দেৱালবোৰত বাৰে বাৰে বাধা পাইছে। দুটা পেৰিয়ড কৰি দীপক ঘৰমুৱা হল। ঘৰ পায়েই বহীটো টেবিলৰ ওপৰত থৈ শুই পৰিল নিৰশ মৰিচিকাৰ বুকুত।

দিনৰ পাছত সপ্তাহ মাহ পাৰ হোৱাৰ লগে লগে দীপক আৰু দীপ্তিৰ নিৰবছিন্ন প্ৰেমৰ বান্ধ কটকটীয়া হব ধৰিলে। পুৱা সন্ধিয়া দিপ্তি গণিতৰ বহী লৈ যায় দীপকৰ ওচৰত এলজেবৰা শিকিবলৈ। দীপকেও মাজে মাজে ধুমকেতুৰ দৰে ভুমুকি মাৰি যায় দীপ্তিহতৰ ঘৰত। ইমান মিলাপ্ৰীতি, কিন্তু দীপ্তিৰ মাকৰ চকুত ধুলি মাৰিব পৰা নাই। ছোৱালীৰ গুণ-গুণনী গানৰ সুৰত মাকে দেখিবলৈ পায় দীপকৰ ছবি।

মেট্ৰিক পৰীক্ষা দিছে দীপ্তি। বহাগ মাহৰ শেষৰ ফালে তাইৰ বিবাহ পৰ্ব অনুষ্ঠিত হব। এই বিয়া ভঙ্গ কৰিবলৈ দীপকে চেষ্টা কৰিবলৈ ধৰিলে। চেষ্টা চলালে দীপ্তিয়েও, কথা-প্ৰসঙ্গত দীপ্তিয়ে হঠাৎ এদিন মাকক কৈ উঠিল— দীপকৰ লগত নহলে মই বিয়াত নোসোমাও। ইতিমধ্যে দীপক মানুহ পঠাই বিয়াৰ প্ৰস্তাৱ দিলে। দীপ্তিৰ দেউতাকে দীপকক মাতি পঠিয়ালে, দীপক আহিল, বিভিন্ন আলোচনাৰ শেষত নিজৰ বক্তব্যখিনি পেশ কৰিলে দীপ্তিৰ দেউতাকে।

অভিভাৱকৰ কোনো মতামত নোহাৱাকৈও তেওঁ দীপ্তিৰ পাণি গ্ৰহণ কৰিবলৈ ৰাজি আছে বুলি দীপকে কলে। অভিভাৱকৰ মত নহলে দীপ্তিক তেওৰ হাতত তুলি দিয়া সম্ভৱ নহয় বুলি দীপ্তিৰ দেউতাকে কলে। ইমান পৰ দীপ্তি বেৰৰ আঁৰত লুকাই আছিল দেউতাকৰ মুখত শেষৰ কথাকেইটা উচ্চাৰণ হোৱাৰ লগে লগে দীঘল হুমনিয়াহ কাঢ়ি নিজৰ ৰূমত সোমাল। ছোৱালীৰ মৌনতা বুজিপাই মাকে দেউতাকক বুজাই কলে,— ছোৱালীয়ে যি চায় তাকে কৰক। আজিকালিৰ যুগে হৈছে তেনেকুৱা, আমি বা যুগক নেওচিব যাও কিয়? দীপকতো অযোগ্য লৰা নহয়। পি ইউ পাছ কৰিছে আৰু এটা বছৰ পাছতেই বি

এছছি পাছ কৰিব।

শ্বশুৰ ভয়তত দীপ্তিৰ দেউতাকে কলে ল'ৰাটোৰ অভিভাৱকৰ মতামত বিচাৰ কৰি চোৱা উচিত। বৰ্ত্তমান যিহে নিবনুৱা সমস্যা বি. এহছি পাছ কৰিবলৈ এতিয়াও এবছৰ বাকী। বিয়াৰ পাছত সিহঁতৰ দাম্পত্যজীৱন কেনেকৈ কটাব। আমাৰতো তেনে সমৰ্থ নাই যে দুপইচা দি সহায় কৰিম।

আন দহজনী তিৰোতাৰ দৰে দীপ্তিৰ মাকেও কলে যি— ভালদেখে তাকে কৰক। তিনিবছৰ হল দীপক দীপ্তিহঁতৰ গাৱত থাকি কলেজত লিখাপঢ়া কৰিছে। গাওঁখনৰ প্ৰত্যেকৰ লগত তেওঁৰ চিনাকী। দীপক আজি ঘৰত যাবলৈ ওলাইছে। মেঘালয়ৰ সমতল অঞ্চলত তেওৰ ঘৰ। দেউতাক এজন সবল কৃষক। পাচোটা ভাইককাইৰ ভিতৰত দীপক তৃতীয়। পঢ়াশুনাত ভাল কাৰণে তেওঁ দেউতাকৰ অতি মৰমৰ। ঘৰ আহি পায়েই সকলো কথা দেউতাকক জনালে। অশিক্ষিত দেউতাকক বুজাবলৈ সময়েবা কিমান লাগে? অনিচ্ছা সত্ত্বেও দেউতাকে এই বিয়াত সন্মতি দিলে।

দীপকৰ অভিভাৱকৰ মত পাই দীপ্তিহঁতৰ ঘৰত আনন্দৰ বোল উঠিল। আগৰ বন্দবস্ত উলঙ্গা কৰি দীপকৰ লগতে বিয়াৰ বন্দবস্ত কৰিলে। যথাসময়ত বিবাহ পৰ্ব পাৰহৈ গ'ল। দীপক আৰু দীপ্তিৰ আৰম্ভহল দাম্পত্য জীৱন।

সুদীৰ্ঘ চাৰিটা বছৰ পাৰ হৈ গ'ল। দুটা সন্তানৰ জননী দীপ্তি। একে একে তিনিবাৰ পৰীক্ষা দিও উত্তীৰ্ণ হব পৰা নাই দীপক। জীৱনত নিজকে প্ৰতিষ্ঠা কৰিব নোৱাৰি হতাশ হৈছে তেওঁ। চাৰিওফালে হতাশাৰ অন্ধকাৰে ছাটি ধৰিছে দীপকৰ জীৱন। ব্যৰ্থতাই তেওৰ জীৱনৰ একমাত্ৰ লগৰী। মেঘালয়ৰাজ্যৰ চুকে কোণে থকা নতুন হাইস্কুলবোৰত শিক্ষকতা কৰি যি দৰমহা পায় তাতে নিজৰ পেট প্ৰৱৰ্ত্তোৱা টান। তেনে প্ৰসঙ্গত পৰিয়ালৰ কথা আহিব নোৱাৰে। দেউতাক মৰিবৰ পিছৰে পৰা ভাই-ককাইহঁতে দীপকক দেখিব নোৱাৰা হ'ল। মাটিবাৰীৰ ভাগ যিখিনি পাইছিল তাকো ইতিমধ্যে বেচি শেষ কৰিছে।

কিছুদিন পিছত তেওঁলোকৰ দাম্পত্য জীৱনতো অশান্তিয়ে দেখা দিলে। মাজে মাজে কিছুমান দোষত দোষাৰোপ কৰে দীপ্তিক। লাহে লাহে এই বিৰোধ ভয়ানক ৰূপ ধাৰণ কৰিলে। দীপক উপলব্দি কৰে, দীপ্তি তেওৰ জীৱনৰ ব্যৰ্থতাৰ কাৰণ। তাইৰ প্ৰেমত নপৰা হলে তাইক বিয়া নকৰা হলে নিশ্চয় তেও ইমান নিকাৰ ভুগিব নালাগিলেহেতেন। আৰম্ভ হল দীপ্তিৰ ওপৰত শাৰীৰিক আৰু মানসিক যন্ত্ৰণা। সময়ে অসময়ে শাস্তি ভুগিব লগা হয় তাইৰ। দেউতাকক উপেক্ষা কৰি নিজৰ মততে বিয়াত সোমাইছে বুলি গোচৰৰ দুৱাৰ সিপিনে বন্ধ। জীৱনত তাই কোনো স্বাৰ্থকতাই উপলব্দি কৰিব নোৱাৰিলে। সকলো ভাগ্যৰ দোষ বুলি নিক দিনে উচুপি থাকে। হা-হুতাশ তাইৰ জীৱনৰ একমাত্ৰ সঙ্গী। অত্যাচাৰ নিপীড়িত দীপ্তিৰ দেহ দিনে দিনে ক্ষীণাই যাবলৈ ধৰিলে। এতিয়া আৰু তাই পৃথিবীত জীৱাই থাকিবলৈ ইচ্ছা নকৰে। অপেক্ষা কৰিছে মৃত্যুৰ শুভক্ষণলৈ।

সিদিনা আছিল ৰবিবাৰ। আকাশ ডাৱৰে ছাটি পেলাইছে। মেঘৰ মাজেদি সূৰ্যাগৈ পশ্চিম আকাশত উপস্থিত হৈছে। অলপ পাছতে ৰাতিৰ অন্ধকাৰে গোটেই পৃথিৱী ছাটি ধৰিব। ৰাতিৰ পাছতে আহিব পুৱাৰ কিৰণ। কিন্তু দীপ্তি জানো সেই কিৰণলৈ অপেক্ষা কৰিব? লাহে লাহে এন্ধাৰ ঘনীভূত হব ধৰিলে। একেবাৰে অতিমাত্ৰা চিলিপিং টেবলেট খালে তাই। ঘুমন্ত ল'ৰা ছোৱালী দুটাৰ মাজেদি শুই পৰিল। তৃপ্তিৰ মিচিকিয়া হাঁহি মাৰি কলে, "এয়ে নে প্ৰেম"?



# ঃ প্ৰেমৰ জিঞ্জিৰি ঃ

এম, শ্বৌকাত আলী আহমেদ
এইচ, এছ, ছি, ১ম বৰ্ষ (ক'লা)

দীপকে ৰুণুমী, ৰুণুমী বুলি চিঞৰি, চিঞৰি সেঁ সিদিনা ঘৰৰ পৰা ওলাই গৈছিল। বহু দূৰৰ পৰা যেতিয়া ৰিণিকি ৰিণিকি বতাহৰ বুকুৰ মাজেৰে গান ভাহি আহি মোৰ কাণত পৰিছিল তেতিয়া মই অনুভৱ কৰিছিলো সেই গান কিমান করুণ আৰু হৃদয়স্পৰ্শী, কিমান যন্ত্ৰনাদায়ক। সি কিয় ওলাই যাব লগা হ'ল। দীপকৰ কথা কোনেওঁ নেজানিলেওঁ মই জানো। সি ৰুণুমীক ভাল পাইছিল। হয়তো, তাৰ জীৱন বিচাৰে ৰুণুমীক একেবাৰে নিজৰ কৰি লবলৈ ৰুণুমীৰ লগত হোৱা তাৰ জীৱনৰ সামান্য অভিজ্ঞতা এটিৰ কথাওঁ মোৰ আগত লুকুৱাই নেৰাখে। তেওঁ মোৰ ওচৰত কৈ যায় নিজকে কোৱাৰ দৰে, সহনুভূতি বিচাৰি নহয়, এটা প্ৰাণৰ বোধিৰ নোৱাৰা আবেগত নোপোৱাৰ বেদনাত সি ওলাই গৈছিল বসন্তৰ এক নিৰাবিল নিশাত।

সি ভাৱে ৰুণুমীৰ বিষয়ে আৰু ভাৱে বৰ্ত্তমান সমাজৰ মানুহ নামৰ প্ৰাণীৰ বিষয়ে। তাৰ অন্তৰত গানৰ সৃষ্টি হৈছিল, অকল্পশৰীয়া হোৱাৰ কাৰণে আৰু সুৰ ওলাই আহিছিল আবেগত হিয়াৰ মাজৰ পৰা। এইদৰে নানা ধৰণৰ কথা চিন্তা কৰি দীপকে যাত্ৰা আৰম্ভ কৰিলে এটা পাহাৰীয়া লুংলুঙীয়া বাটেৰে। কিমান দূৰ গ'ল সি কব নোৱাৰিব। মাথোন সি চাইছে গছ-লতাৰ, অপূৰ্ব সৌন্দৰ্য্য, চৰাই চিৰিকতিৰ সুমধুৰ মাত বেদনাযুক্ত মনেৰে।

তাৰ কাণত বাজি উঠিল পাহাৰৰ মাজেৰে অকাই পকাই ওলাই অহা এটি সৰু নিজৰাৰ কুলু কুলু মৃদু শব্দ। নিজৰাৰ ওচৰতে এখন সুন্দৰ ফুলনি, সেইটো যেন প্ৰকৃতি দেৱীৰ অতুল দান। সি যিফালে গৈ আছিল তাৰ বিপৰীত ফালে সো-সোৱাই বৈ আছিল এজাক মলয়া বতাহ। তেতিয়া তাৰ মনত পৰিল মৰমৰ ৰুণুমী জনীলৈ। সেই বতাহ জাক যেন তেওঁৰ অন্তৰত আনন্দ দিলে আৰু অতীতৰ স্মৃতি জগাই তুলিলে। এনেকুৱা ফুলনিত ৰুণুমীৰ লগত হোৱা কথা বতৰা তাৰ মনত উদয় হ'ল। অতীতৰ স্মৃতিবোৰ মনত জীৱন্ত ৰূপ ললে।

সেই কাহিনী বহু পুৰণী, ৰুণুমী আৰু দীপকে ফুলনিত বহি আকাশৰ ফালে চাই আছিল। এনেতে এযোৰ বগলী আকাশেদি উৰি গৈছিল। তেতিয়া দীপকে হাঁহি কৈছিল চোৱা! ৰুণুমী, সিহঁতে কেনেকৈ যোৰ পাতি উৰি আছে। দীপকে আকৌ সুধিলে সিহতে কিয় যোৰ পাতি উৰি আছে? তেতিয়া ৰুণুমী আনন্দ আৰু লাজত ভঙা মাতেৰে কৈছিল— Life is not happy w'thout friend" তাৰ পিছত সি কলে, "আমি দুয়ো যদি ঠিক তেনেকৈ" ৰুণুমীয়ে কলে, "লাজৰ কি কথা আছে, দীপকদা, আপুনী জানেইতো, *Women is Men's Companion*' আৰু তাৰ মনত পৰিছিল সি যেতিয়া কটন কলেজত টি, ডি, চি,

(১ম বৰ্ষ) ত পঢ়ি আছিল, তেতিয়া ৰুণুমীয়ে দিয়া চিঠি এখনৰ কথা। চিঠিৰ মাজে মাজে হাতৰ আঙুলি কাটি তেজ লগাই দিছিল।

তাই লিখিছিল—

মৰমৰ দীপকদা,

মোৰ ভগ্ন হৃদয়ৰ পৰা ওলোৱা একোচা বুকু বেদনাৰে উদ্দেশ্যহীন জীৱনৰ কৰ্ম বহুল ভাৱধাৰাৰ জীৱনৰ সকলো আশা, আকাংখা, ইচ্ছা অভিলাষ, কামনা-বাসনা, অপ্ৰত্যাশিত হৈ ৰ'ল একমাত্ৰ তোমাৰ বাবেই। অন্তৰৰ শব্দহীন সংগীতৰ মধুৰ সুৰত দিনে ৰাতি অবিৰাম ভাৱে বিশ্ব প্ৰকৃতিৰ সৌন্দৰ্য্য সুধা উথলি উঠিছে তোমাৰ ৰঙীন কল্পনাৰ মাজেৰে। সৃষ্টিকৰ্তা বিহীনে এই মধুৰ সংগীত কোনেও শুনিবলৈ নেপায়। বিধাতাৰ নিৰ্দ্দেশত মানৱ জীৱন পৰিচালিত হয়। হৃদয়-সাগৰত নাচি নাচি সৌন্দৰ্য্য ঢালিছে প্ৰিয়জন প্ৰিয়তমাৰ ওচৰত। সেয়েহে প্ৰকৃতিয়ে বিচাৰিছে দীপক ৰুণুমীক একলগ কৰিবলৈ। এই সৌন্দৰ্য্য বুকু ভৰি পাণ কৰিব দীপকে ৰুণুমীয়ে চিৰ জীৱন।

দীপকদা, তোমাৰ বৰ্ত্তমান মনোভাৱ কেনেকুৱা? মোক অলপ জনাবানে? মই এতিয়া অকলশৰীয়া তথাপিও আশাকৰো তোমাৰ আশা সফল কৰিম। মোৰ এই ভগা হিয়াক তুমি জীয়াই তুলিবানে? যেতিয়া মোৰ হিয়া ভাঙি অশ্ৰুধাৰ ওলায়, তেতিয়া মই তোমাৰ সেই প্ৰতিজ্ঞাৰ চিঠি বিলাক পঢ়ি অলপ শান্তি পাওঁ। চাতকী চৰাইয়ে পানীৰ কাৰণে ককবকাই থাকিলে সেইটো জানো মানুহে গম পায়? চাতকী চৰাইৰ বেদনা মাত্ৰ কবি সকলে বুজি পায়। ঠিক তেনেকুৱা মোৰ অন্তৰত কিমান আঘাত পাই আছো, সেইটো মাত্ৰ তুমি আৰু বিশ্বৰ গৰাকীয়ে জানে।

ভাগ্যত থাকিলে নিশ্চয় আমাৰ আশা আকাংখা পুৰণ হ'ব। তুমি বহুত বাৰ লিখিছা তোমাতকৈ তোমাৰ প্ৰিয়তমা জনীক বেছি ভাল পোৱা। তোমাৰ আপোনজনী এতিয়া সাগৰৰ তলিত ডুব গৈ আছে, তুমি দেখোন আগবাঢ়ি অহা নাই? আমাৰ প্ৰেমৰ জিন্‌জিৰি কোনোবাই ছিঙি দিলে নেকি? আকৌ লিখি অন্তৰৰ বেদনা জনাম। আজিলৈ আহিলো দেই। ইতি—

তোমাৰ—

ৰুণুমী

দীপকে ভাল গীত গাব জানিছিল। মাজে সময়ে ৰুণুমীক সংগীত শিকাইছিল। সৰুৰে পৰা দুয়োজনে একেখন স্কুলত পঢ়িছিল। যেতিয়া লৰালি কাল পাৰহৈ গ'ল দুয়োজনে চহৰত একেলগে ঘূৰি ফুৰি ভাল পাইছিল। এনেকৈ দিনবোৰ পাৰহৈ যোৱাৰ পিছত দুয়ো দুয়োকো যেন বুজি পালে। দিনৰ বিপৰীতে ৰাতি, ক্ৰিয়াৰ প্ৰতিক্ৰিয়া আছে, আশাৰ মাজতে নিৰাশা যেনেকৈ আছে ঠিক তেনেকুৱা দীপক ৰুণুমীৰ ভাল পোৱাৰ মাজতো যেন কিবা এটা হৈ গ'ল। দীপকৰ মগজুৱে কাম নকৰা হ'ল। গভীৰ নিশাত ঘৰৰ পৰা মাজে সময়ে নিৰুদ্দেশ হৈ যায়। ছোৱালীৰ প্ৰতি বিতৃষ্ণা ভাৱ জন্মিল। ছোৱালী দেখিলে খেদি যায়।

সি ৰুণুমীৰ বিষয়ে বহুত কথা ভাবিছে। কিয় ৰুণুমীয়ে তাক এৰি ক'ৰবালৈ গুচি গ'ল। তাকতো এবাৰ কৈ যাব পাৰিলেহেতেন? তাৰ কাৰণে অকনো সময় নেপালেনে? হাজৰিকা বাবুতো ৰুণুমী নাইকিয়া হোৱাত অলপো চিন্তা কৰা নাই। নিজৰ ঘৰত ৰখা ছোৱালী। কাৰণ কি? কি হ'ল? ক'ত গল? আঃ!

সি এই বিলাক কথা ভাবি ভাবি পাহাৰীয়া বাটেৰে অতীতক সোঁৱৰী গৈ আছিল।



এনেতে হঠাৎ দীপকৰ কাণত পৰিল ৰিণিকি ৰিণিকি ভাহি অহা এফাকি গীত—

জয় আই অসমৰ জয়
জয় আই ভাৰতৰ জয়
দেশ প্ৰেমিক আমি
কুৰিশতিকাৰ নাগৰিক আমি
কাকো যে, নকৰো ভয়

গানটো শুনাৰ লগে লগে দীপকৰ গা শিহঁৰি উঠিল। এই গানটো ৰুণুমীৰ লগত দীপক College Week ত গাইছিল। সি উদ্বিগ্নহৈ বাট চাই থাকিল সেইফালে যিফালৰ পৰা গীতটোৰ সুৰ ভাহি আহিছিল। অলপ পিছতেই হাতত কাপোৰৰ টোপোলা এটা লৈ ছোৱালী এজনী নদীৰ পাৰলৈ আহিল। ছোৱালীজনী সম্ভৱত ধুবুনী। তাইৰ মুখত বেদনাৰ ছাঁ। গীত গাই গাই তাই দীপকৰ কাষেদি পাৰহৈ গ'ল। তেতিয়া দীপকৰ মনত ছোৱালীজনীক মাত দিবৰ মন গ'ল। দ্বিধাবোধ কৰি ছোৱালীজনীক দীপকে থিয় হবৰ কাৰণে অনুৰোধ কৰিলে। ছোৱালীজনী তেতিয়া থং কৰি দীপকক কলে কিয় থিয় হব লগে?

তেতিয়া দীপকে এটা বেজাৰৰ হুমনিয়াহ কাঢ়ি শুধিলে, তুমি দয়া কৰি কবানে, "চহৰীয়া গীত পাহাৰৰ বুকুত কেনেকৈ আহিল"? মই অলপ জানিব বিচাৰো"। আপুনি জানিয়েই বা কি লাভ। অৱশেষত দীপকৰ মনৰ বেজাৰ দেখি ছোৱালীজনীৰ দুঃখময় জীৱনৰ কাহিনী আৰম্ভ কৰি দিলে। মোৰ জন্ম হয় এই পাহাৰৰ সৌ নামনি অঞ্চলৰ জুপুৰী ঘৰটোত। আমি ভনীৰ সংখ্যা বেচি হোৱাত দেউতাকৰ মৃত্যুৰ পিছত মাকে ভৰণ পোষণ দিব নোৱাৰাৰ কাৰণে চহৰত মোক বিক্ৰি কৰি আছে। হাজৰিকা দেৱৰ নিজৰ সন্তান নথকাৰ কাৰণে মোক নিজৰ ছোৱালীৰ দৰে মৰম কৰিছিল। তেওঁৰ ঘৰতেই থাকি মই পঢ়া শুনা কৰো। মই সংগীত ভাল পাইছিলো সেই কাৰণে তাৰে ডেকা এজনৰ লগত গীত গাইছিলো। ঠিক সেই সময়ত আমাৰ দুয়োৰো মাজত যেন কিবা এটা হৈ গ'ল। তাৰ পিছত......... তাই আৰু কব নোৱাৰিলে দুচকুয়েদি অশ্ৰু বাগৰি পৰিবলৈ ধৰিলে। বহুত পৰলৈকে তাই একো কব পৰা নাছিল। কাপোৰেৰে চকু পানী মুচি পেলাই আকৌ আৰম্ভ কৰিলে। হাজৰিকাই এই কথা গম পাই নিজৰ সন্মান হানি হোৱাৰ ভয়ত মোক কৌশল কৰি মাকৰ ঘৰত থৈ যায়। এতিয়া মই মানুহৰ কাপোৰ ধুই জীৱন নিৰ্ব্বাহ কৰি আছো। এতিয়া মই পাগল হৈছো। যেতিয়া মোক পাহাৰত থৈ যায় তেতিয়া মোৰ কেনে লাগিছিল, আপুনি নিশ্চয় অনুভৱ কৰিছে। মই আত্মহত্যা কৰিব খুজিছিলো কিন্ত আইক সমাজৰ পৰা বহিষ্কাৰ কৰাৰ ভয়ত নকৰিলো। মই যেন এতিয়া অটব্য হাবিৰ এপাহ ফুল। হাবিতে ফুলি ফুলি নিঃশেষ হৈ যাম। সেই ডেকাজনৰ মৰম মই কেতিয়াও নেপাহৰো। তেওঁৰ মৰম মোৰ অন্তৰৰ মাজত এতিয়াও আছে। তেওঁ মোক নিজতকৈ বেচি ভাল পাইছিল। এষাৰ কথা মোৰ আজিও মনত আছে *College Week* ৰ পৰা ঘৰত আহোঁতে নদীৰ পাৰত তেওঁ কৈছিল এই নদীত যিমান টোপাল পানী আছে ঠিক তোমালৈ সিমান মৰম। তাই কান্দি কান্দি কলে মোৰ আপোন বুলিবৰ কোনো নাই। আইয়ো কেইদিনমান আগতে মোক এৰি গুচি গল। হাজৰিকা দেৱে আমাৰ প্ৰেমৰ ডিন্‌ডিৰি টানি ছিঙি দিলে। এতিয়া মই কি কৰো।

অ' মই কবলৈ পাহৰিলো নামটো আছিল ......!!! দীপকে মাটিৰ মূৰ্ত্তিৰ দৰে থিয়হৈ শুনি আছিল। সি যেন সপোন দেখিছে। সি বিশ্বাস কৰিবলৈ টান পাইছে।

হেৰা, মোৰ মনত পৰিছে তাৰ নাম আছিল শ্ৰীদীপক কুমাৰ শইকিয়া ।

আঃ ৰুণুমী মই তোমাক চিনি পোৱা নাই। দীপকদা তুমিয়েই ।

তোমাৰ দেখোন আগৰ ধুনীয়া স্বাস্থ্য একেবাৰে নাই । তোমাৰ স্বাস্থ্য নাই সঁচা, কিন্তু তোমাৰ আগৰ মৰম, ভালপোৱা আৰু মনটো একেই আছে । দীপক চিঞৰি কবলৈ ধৰিলে ৰু—ণু—মী

আঃ দীপকদা

ৰু—ণু—মী

দীপক— দা— আ

তেওঁলোকৰ দুয়োজনৰ মাত পাহাৰত খুন্দা খাই প্ৰতিধ্বনি হবলৈ ধৰিলে ।

তেতিয়া সূৰ্য দেৱতা পশ্চিম আকাশত গৈ সকলোৰে পৰা বিদাই মাগিছিল । তেতিয়া দুয়ো আকাশলৈ চাইছিল আৰু দীপকে কৈছিল চোৱা ৰুণুমী বগলীযোৰ প্ৰেমৰ জিঞ্জিৰিত আবদ্ধহৈ পাখিতে পাখি লগাই কেনেকৈ নিজৰ বাঁহলৈ গৈ আছে । দুয়োজন বগলীযোৰ যোৱাৰ পিনে 'ৰ' লাগি চাই থাকিল ।




ফুল নিজৰ বাবে নফুলে লোকৰ বাবে, তোমাৰ হৃদয়ৰ ফুলপাহি ফুলাই তোলা ।

—বঙ্কিম চন্দ্ৰ



# নৱজ্যোতি মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি

( চন ১৯৮৫-৮৬ ইং )



বহি থকা বাওঁফালৰ পৰা সোঁফাললৈ—

১। মিচ্ হাফিজা খাতুন ( সদস্যা ) ২। হুমায়ুন কবিৰ ( সদস্য ) ৩। আবুবাক্কাৰ ছিদ্দিক (সদস্য) ৪। নুৰুল ইছলাম ( সম্পাদক আলোচনী বিভাগ ) ৫। উপাধ্যক্ষ এম, মোজাম্মেল হোচাইন ( উপ-সভাপতি ) ৬। অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ ( সভাপতি ) ৭। অধ্যাপক শেখ্ ওসৰ আলী আহমেদ ( তত্বাঃ আলোচনী বিভাগ ) ৮। অধ্যাপক শ্ৰীনন্দিত কোঁৱৰ ( তত্বাঃ আলোচনী বিঃ ) ৯। জাহাঙ্গীৰ খান ( সদস্য ) ১০। মিনাহাজুৰ জুনুন (সদস্য) ১১। শুকুৰ আলী আহমেদ (সদস্য)

★ প্ৰবন্ধ ★

# (ভাৰতীয়) অৰ্থনীতি আমি আৰু আমাৰ মানসিকতা।

ৰোস্তম আলী আহমেদ।
টি, ডি, ছি, দ্বিতীয় বাৰ্ষিক (ক'লা)

তথ্য আদৰ্শবান জনগণৰ খুবেই প্ৰয়োজন। কাৰণ আমাৰ হাতত আৰ্থিক মূলধনৰ সমনি আছে কেৱল আমাৰ মানসিকতা আদৰ্শ তথা প্ৰবুদ্ধতা। সেয়ে ভাৰতীয় অৰ্থনীতিত জনসম্পদে বিশেষ ভূমিকা গ্ৰহণ কৰি আছে। ভাৰতীয় অৰ্থনীতিত জনসম্পদৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। কেনেকৈ ভাৰতৰ নিচিনা অনুন্নত দেশ এখনক উন্নত মানসিকতাৰে সমগ্ৰীৰ ওপৰত শুল্ক বহুৱাইছে। তাৰে প্ৰধান উদ্দেশ্য দুটা হৈছে শুল্কৰ সহায়ত কিছু বৈদেশিক মুদ্ৰা অৰ্জন কৰা আৰু অতিৰিক্ত শুল্ক লগাই কোনো বস্তুৰ বিকল্প স্বদেশত তৈয়াৰী সামগ্ৰীৰ প্ৰচলন বৃদ্ধি কৰা। কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা যায় যে ভাৰত চৰকাৰে এই লক্ষ সাধনত পদে পদে বিপৰ্য্যস্ত হৈছে। ভাৰতত বৰ্ত্তমান যিমান সংখ্যক বিদেশী সামগ্ৰী ব্যৱহৃত হৈ আছে সেই আটাইবোৰৰ পৰা যিখিনি কৰ বা শুল্ক চৰকাৰে সংগ্ৰহ কৰিব লাগিছিল সিমানখিনি সংগ্ৰহ কৰিব পৰা নাই। ইয়াৰ কাৰণ বিশ্লেষণ কৰিলে আমি আমাৰ দেশৰ এক বৃহৎ সংখ্যক জনসাধাৰণৰ মানসিকতাকেই জগৰীয়া কৰিব লাগিব। বৰ্ত্তমান কালত দেখা যায়যে আমাৰ দেশৰ এক বৃহৎ সংখ্যক লোকে দৈনন্দিন জীৱনৰ খোজেপতি বিদেশী বস্তু ব্যৱহাৰ কৰে। আমাৰ ছাত্ৰ সকলৰ বেছি ভাগেই অ.নকি নিজৰ কলমটোও বিদেশী হোৱাটোহে পছন্দ কৰে। এই কথা সৰ্বজনবিদিত যে এইদৰে ব্যৱহাৰ কৰা বিদেশী সামগ্ৰী সমূহৰ প্ৰায় ভাগেই মুকলি বজাৰত ক্ৰয় কৰা নহয়। এই সামগ্ৰীবোৰ ক'লা বজাৰতহে বেছিকৈ ক্ৰয় বিক্ৰয় কৰা হয়। ফলত চৰকাৰ এক বৃহৎ পৰিমানৰ শুল্ক বা আমদানি শুল্ক সংগ্ৰহৰ পৰা বঞ্চিত হব লগা হয়। আমাৰ এই বিদেশী সামগ্ৰী ক্ৰয় কৰা তাকো চোৰাং বজাৰত আইনক ফাঁকি দিয়া মানসিকতা যেতিয়ালৈকে নেৰো, তেতিয়ালৈকে আমি সদায় এক বৃহৎ অংকৰ মূলধন গঠণৰ পৰা বঞ্চিত হৈ থাকিব লাগিব আৰু তাৰ লগে লগে আমাৰ অৰ্থনৈতিক উন্নয়নো স্থগিত হৈ থাকিব। গ্ৰাহকৰ দৃষ্টিত ব্যক্তিগত ভাবে এইদৰে ক'লা বজাৰত প্ৰচলিত বজাৰ দৰতকৈ কম দৰত বিদেশী সামগ্ৰী ক্ৰয় কৰাটো লাভজনক যেন লাগিলেও সামগ্ৰীক ভাবে ই আমাক ভয়ঙ্কৰ ক্ষতিৰ ফাললৈহে আগুৱাই নি আছে। আমাৰ দেশৰ জনসাধাৰণে যেতিয়ালৈকে এই দৰে চোৰাং বজাৰত বিদেশী বস্তু ক্ৰয় কৰি থাকিব তেতিয়ালৈকে তাৰ প্ৰতিকল্প স্বদেশত তৈয়াৰী সমূহৰ চাহিদা বৃদ্ধি নহব আৰু তাৰ ফলত স্বদেশী দ্ৰব্যৰ দাম উৰ্দ্ধগামী হৈহে থাকিব। এই অৱস্থা এনেদৰে আৰু কিছু বছৰ চলি থাকিবলৈ দিলে আমাৰ নিজৰ অৰ্থনীতি সম্পুৰ্ণ ভাবে ধ্বংশ হৈ যাব আৰু আমি বিদেশী অৰ্থনীতিৰ হাতৰ পুতলা হৈ পৰিম (উদাহৰণ স্বৰূপে ভুটান, নেপাল আদি দেশৰ অৰ্থনীতি)

ইয়াৰ উপৰিও বৰ্ত্তমান কালত ইয়াকো লক্ষ কৰা যায় যে আমাৰ দেশত দিনে দিনে অনুৎপাদনশীল ব্যয়ৰ মাত্ৰা বাঢ়ি গৈছে।

ধৰ্মীয়, সামাজিক উৎসৱ আদিয়ে এই ব্যয় বৃদ্ধি কৰাত সহায় কৰে। ১৯৮৩ চনত দীপান্বিতা উৎসৱ পালন কৰাৰ নামত কেৱল ফটকা ফুটোৱা আৰু চাকি জ্বলোৱাতেই সমগ্ৰ অসমত প্ৰায় ২৫ কৌটি টকা খৰচ কৰা হয়। এই-খিনি ধনেৰে সমগ্ৰ অসমত কেইবাটাও ক্ষুদ্ৰ উদ্দ্যোগ স্থাপন কৰিব পৰা গ'লহেঁতেন আৰু তাতকৈ আমৰ কৰ্ত্তব্য দেশত অনাহাৰে জীৱন কটোৱা লোকসকলৰ মুখত এমুঠি অন্ন দিয়াৰ বাবে আমি প্ৰত্যেকেই কিছু ত্যাগ স্বীকাৰ কৰিব লাগিব। ইয়াৰ দ্বাৰা এইটো কব খোজা নাই যে ওপৰত উল্লেখ কৰা অপৰাধ সমূহ সংঘটিত নহলে দেশৰ সকলো লোককে আহাৰৰ যোগান ধৰিব পৰা যায়। কিন্তু এই কাৰ্য্যই আমাক দ্ৰৰিদ্ৰতা দূৰ কৰাত কিঞ্চিত হলেও সহায় কৰিব। সমাজৰ সকলো স্তৰৰ পৰা যেতিয়া দুৰ্নীতি আতৰিব, জনসাধাৰণে ব্যয় কৰা প্ৰত্যেকটো পইচাই যেতিয়া দেশৰ অৰ্থনৈতিক উন্নয়নত বৰঙণি যোগাব তেতিয়া আমাৰ দেশৰ অৰ্থনৈতিক কল্যাণ সুনিশ্চিত হব। আমাৰ ছাত্ৰ সমাজৰ এইক্ষেত্ৰত বিশেষ দায়িত্ব আছে। আমি এই ধৰণৰ অৰ্থনৈতিক অপৰাধী লোকসকলৰ মস্তিস্ক প্ৰক্ষালন কৰিব পাৰো। যাৰ ফলত তেওঁলোকে এই ধৰণৰ কাৰ্য্যৰ পৰা বিৰত থাকিব। আমাৰ অনুষ্ঠান বিলাকত আমি ন্যূনতম ব্যয় কৰিবলৈ চেষ্টা কৰিব পাৰো। হাজাৰো লোকৰ কৰ্ম সংস্থানৰ সৃষ্টি হলেহেঁতেন। এইদৰে সমগ্ৰ ভাৰতবৰ্ষত প্ৰতিদিনে কৌটি কৌটি টকা উৎপাদন বহিৰ্ভূত হৈ আছে যাৰ ফলত আমি দ্ৰুতগতিত মুদ্ৰা স্ফীতিৰ কবলত পৰিছো। আমাৰ নিচিনা এখন দৰিদ্ৰ দেশত এনেধৰণৰ অৰ্থ নীতিৰ পৰিঘটনাই অতি ভয়ঙ্কৰ প্ৰভাৱ পেলায়। এই ক্ষেত্ৰত এইটোও লক্ষ কৰা গৈছে যে এনে ধৰণৰ অনুৎপাদনশীল ব্যয় কৰাৰ ক্ষেত্ৰত ছাত্ৰ সমাজেই আগভাগ লয়। ছাত্ৰ সকলে পৰিচালনা কৰা বিভিন্ন সামাজিক কাৰ্য্য (যেনে— মহাবিদ্যালয় সপ্তাহ, স্বৰসতী পূঁজা আদি) ত এনে ধৰণে কৰা ব্যয়ে বৃহৎ অংক স্পৰ্শ কৰেগৈ।

এই ধৰণৰ অৰ্থ সামাজিক সমস্যাৰ উপৰিও আমাৰ সমাজত দিনে নিশাই অনেক অৰ্থনৈতিক অপৰাধ সংঘটিত হব ধৰিছে; যিবোৰ আমাৰ দেশত অৰ্থনৈতিক সমস্যাৰ সৃষ্টি কৰাৰ উপৰিও সমাজৰ সামগ্ৰিক মানসিকতাৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলায়। আমাৰ সমাজত অতি সঘনে সংঘটিত হোৱা এনে এটা অপৰাধ হ'ল সুবিধাৰ অপব্যৱহাৰ যাৰ এটা প্ৰধান ভাগ হব ঘোচ খোৱা। উচ্চ স্তৰৰ চৰকাৰী বা বেচৰকাৰী কৰ্মচাৰী সকলে সাধাৰণতে এনে অপৰাধৰ অপৰাধী। এনে ধৰণৰ অৰ্থ সামাজিক পৰি ঘটনাবোৰ আমাৰ উত্তৰ পুৰুষৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। ইহতে আমাৰ সামাজিক বাতাবৰণো দুষিত কৰি তোলে।

সেয়ে আমাৰ এই ধৰণৰ ঘটনাবোৰ বোধ কৰাৰ সময় আহি পৰিছে। আমাৰ দৰে দৰিদ্ৰ দেশ এখনৰ, যাৰ শতকৰা পঞ্চাশ ভাগ নাগৰিকেই দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে তাৰ অৰ্থনৈতিক তথা সামাজিক উন্নতি সাধনৰ বাবে যৎপৰোনাস্তি চেষ্টা, সেয়ে আমি প্ৰতিজ্ঞাবদ্ধ হও আহক যে আমি ব্যয় কৰা প্ৰতিটো টকা, প্ৰতিটো পইচা আৰু প্ৰতিটো কাৰ্য্যই দেশৰ আৰু সমাজৰ কল্যাণ সাধন কৰিব। ওপৰত উল্লেখ কৰা অৰ্থনৈতিক ঘটনাৰ বিৰুদ্ধে এটা মানসিক বিপ্লৱ গঢ়ি তোলাৰ দায়িত্বও আমাৰ ছাত্ৰ সমাজৰেই।



# ঃ ধৰ্ম্ম আৰু বিজ্ঞান ঃ

মোঃ আকছেদ তালুকদাৰ
টি, ডি, ছি ২য় বাৰ্ষিক (ক'লা)

এই আড়ম্বৰপূৰ্ণ বিশাল বিশ্বৰ সকলো জনসাধাৰণ সৰ্ব্বশক্তিমান এক অদ্বিতীয় প্ৰভুৰ নিয়ন্ত্ৰনাধীন। জন্মৰ পৰা মৃত্যুলৈকে সকলোকে সেই মহান প্ৰভুৱে নিয়ন্ত্ৰণ কৰি জীৱৰ আয়ু বেলি মাৰ যোৱাত এক অমৰণ শীল দেশলৈ লৈ যায়। এই ক্ষেত্ৰত আমি কব পাৰিযে 'Man is Mortal, অৰ্থাৎ 'মানুহ মৰণশীল। স্বৰ্গীয় দয়ানন্দ স্বৰসতীৰ ভাষাত "Nothing stable, nothing worth living in the world. ইয়াৰ বাবে আৰু কোৱা হৈছেযে যেনেকৈ মানুহে কৰা যেতিয়া শৌচ প্ৰস্ৰাৱ কৰাৰ বাবে পায়খানালৈ যায় তেতিয়া শৌচ-প্ৰস্ৰাৱ শেষ হোৱাৰ পিছত কোনেও তাত অপেক্ষা নকৰে, আৰু যিজনে অপেক্ষা কৰি তাত থাকি যাবলৈ খোজে, সেইটো মানুহৰ ওচৰত মুৰ্খামি তথা পাগলামীৰ বাহিৰে অইন একো হব নোৱাৰে। তেতিয়া মানুহে জোৰ কৰি হলেও তেওঁক পায়খানাৰ পৰা টানি বাহিৰ কৰি লব। তদ্ৰূপ আমালোকে যদিও মৃত্যুক পাহৰি যাওঁ আনকি ক্ষণস্থায়ী পৃথিৱীত চিৰকাল থাকি যাবলৈ খোজো, সেই বুলি মহান প্ৰভুৱে তেওঁক অমৰণ কৰি ৰাখি নথয়। তেওঁ মৃত্যু ঘটাই ইহকালৰ সকলোবো মৰম স্নেহ আৰু সকলো প্ৰকাৰ সুখ-দুখৰ পৰা বঞ্চিত কৰিবই। এই সন্দৰ্ভত আমালোকৰ ইহকালৰ কৰ্ত্তব্যটো নো কি? সেইটো নিশ্চয় আমালোকৰ জানিব লাগিব আৰু মানিবও লাগিব। এই কৰ্ত্তব্যক আমি দুটা বহল অৰ্থত ভগাব পাৰি। এটা হ'ল সকলো বিষয়ত কি ৰাজনীতি, কি ধৰ্ম্মনীতি, কি সমাজ নীতি ইত্যাদিত আমালোকে প্ৰকৃত সত্যৰ জ্ঞান, অৰ্জন কৰিব লাগিব। আনটো এই প্ৰকৃত সত্যৰ জ্ঞানৰ ধ্যান বা তপস্যাৰে মহান সৃষ্টি-কৰ্ত্তা আৰু সকলো সৃষ্টিৰ সন্তুষ্টিৰ বিধান কৰিব লাগিব। প্ৰকৃত ধৰ্ম্ম আৰু বিজ্ঞানৰ দ্বাৰিয়তে এই সন্তুষ্টিৰ বিধান কৰিব পৰা যায়। আমি ভাৱিব পাৰো, বিজ্ঞান আৰু ধৰ্ম্ম বেলেগ বেলেগ। এইটো ভুল, সেইবাবে এজন লিখকে কৈছে,

Religion without Science is blind
Science without Religion is lame.

গতিকে ধৰ্ম্মই বিজ্ঞানৰ প্ৰকৃত সত্যক অস্বীকাৰ কৰিলে সেই ধৰ্ম্মটো হব অন্ধ বিশ্বাসৰ (মিছা) ধৰ্ম্ম। আনহাতে বিজ্ঞানে ধৰ্ম্মৰ প্ৰকৃত সত্যক অস্বীকাৰ কৰা মানে বিজ্ঞানৰ প্ৰচাৰ ও প্ৰসাৰক বাধা দিয়া অৰ্থ্যাৎ ইয়াৰ হাত-ভৰি বোৰ ভাঙি লেঙেৰা কৰি দিয়া, যাৰ ফলত ই লৰচৰ কৰিব নোৱাৰা হেতুকে চৰম বিকাশ লাভ কৰিবও নোৱাৰে। গতিকে সকলো বিজ্ঞানীয়ে এক মহান শক্তিক (ইয়াত সৃষ্টি কৰ্ত্তা) বিশ্বাস কৰে আৰু তেওঁৰ মনোনিত এক চৰম ও পৰম সত্যনীতিক বিশ্বাস কৰে। সেইটোকে সত্য ধৰ্ম্ম' বুলি কোৱা হয়। বিশ্ব বিখ্যাত বৈজ্ঞানিক 'দাৰুইন' নিজেও এক মহান শক্তিৰ অস্তিত্বৰ কথা আৰু আমি সকলোৱে যে সেই মহান শক্তিৰ নিয়ন্ত্ৰনাধীন সেইটো স্বীকাৰ কৰি গৈছে। সেইবাবে সকলো ৰাষ্ট্ৰই কম বেচি পৰিমানে হলেও ধৰ্ম্মীয় বিশ্বাস মানি লৈছে। এনেকি সমাজবাদী দেশেও বৰ্ত্তমান ধৰ্ম্মীয় নীতি নিয়ম পালন কৰাত কোনো বাধা প্ৰয়োগ নকৰে। সেইবাবে

লেনিনত ঘোষণা কৰা হৈছে 'Religion must be declared the private matter of the endividual on religion Lenin.

গতিকে ধৰ্ম্মৰ বাস্তৱ সভ্যতাত আমালোকে অবিশ্বাস কৰাৰ কোনো যুক্তি নিশ্চয়কৈ দিব নোৱাৰি। কোনোবাই যদি সেইটো কৰাৰ চেষ্টা কৰে, নিশ্চয়কে সি বিজ্ঞানৰ বিকাশত বৰ বেয়াকৈ বাধা আৰোপ কৰিব। তেতিয়া এই সন্টালনি বিজ্ঞানে আমালোকক কোনো পক্ষেই ৰক্ষা কৰিব নোৱাৰিব। ইছলাম ধৰ্ম্ম মতে যিমানবোৰ নবী হজৰত মোহাম্মদ (ছ:)ৰ আগত ধৰ্ম্ম প্ৰচাৰ কৰিছিল সেই সকলো নবীয়ে একেশ্বৰবাদ প্ৰচাৰ কৰি গৈছে আৰু এই সকলো ধৰ্ম্ম পূৰ্ণ বিকাশ ঘটিছে সৰ্ব্বশেষ বিশ্বনবী হজৰত মোহাম্মদ (ছঃ)ৰ পবিত্ৰ ইছলাম ধৰ্ম আৰু ধৰ্ম্ম পুথিৰ নাম হৈছে "পবিত্ৰ কোৰাণ শ্বৰিফ" আৰু এই মহা মূল্যবান গ্ৰন্থখনৰ ৰাজনীতি, সমাজনীতি, ধৰ্ম্মনীতি ইত্যাদিৰ আটাইতকৈ গ্ৰহনযোগ্য নীতি সমূহৰ পূৰ্ণ বিকাশ ঘটিছে। সেইবাবে মানুহে এই অন্তিম যুগত 'বিজ্ঞানৰ' চৰম সাফল্য অৰ্জ্জন কৰিব পাৰিছে। টেলিভিচন, টেলিগ্ৰাফ, টেলিফোন, ৰেডিঅ' ইত্যাদিৰ আবিষ্কাৰৰ ভবিষ্যদ্বাণী 'পবিত্ৰ কোৰাণ শ্বৰিফত" উল্লেখ আছে। তাৰ দুই এটা উদাহৰণো দিয়া হ'ল। পবিত্ৰ কোৰাণ শ্বৰিফত থকা ছুৰা ৰহমানত কোৱা হৈছে 'The Sun and Moon are made punctual অৰ্থাৎ চন্দ্ৰ আৰু সূৰ্য্য ঘূৰ্ণিত অৱস্থাত আছে। এই বিষয়ত বৰ্ণনা কৰিলে আমাৰ প্ৰৱন্ধ কলমৰ আয়তন বাঢ়ি যাব পাৰে। গতিকে ইয়াৰ বৰ্ণনা একমাত্ৰ ইখিনিতেই সামৰিছোঁ যে সূৰ্য্যটো স্থিৰ নহয়। ইও নিজৰ ভিতৰতেই ওলট-পালট ভাৱে ঘূৰি আছে। দ্বিতীয় এটা উদাহৰণ হ'ল হজৰত মোহাম্মদ (ছঃ) নিজে মানুহক শিকাইছিল যে মাখি গাখিৰৰ পানীত পৰিলে তাৰ উভয় পাখী ডুবাই দি গাখিৰ খাব লাগে। বৰ্ত্তমান বিজ্ঞানে আৱিস্কাৰ কৰিছে যে-- মাখিৰ এটা পাখিত বিজাণু আৰু আনটো পাখিত তাৰ প্ৰতিষেধক ঔষধ থাকে।

ইছলাম ধৰ্মমতে আল্লাহই 'নূৰ'ৰ পৰা পৃথিৱী, চন্দ্ৰ, সূৰ্য, গ্ৰহ, নক্ষত্ৰ আদিৰ সৃষ্টি কৰিছে। আনহাতে বিজ্ঞানৰ মতে পৃথিৱীখন বিৰাট জ্যোতিপিণ্ডৰ পৰা সৃষ্টি হৈছে। পৱিত্ৰ কোৰাণত বৰ্ণিত আছে— জল, স্থল, আকাশত এনেকুৱা কোনো বস্তু আল্লাহই সৃষ্টি কৰা নাই যিটো পৱিত্ৰ কোৰাণত নাই। এই কোৰাণ মানুহৰ দেহৰ ভিতৰত আছে। কাৰণ হিৰা পৰ্বতৰ গুহাত হজৰত মোহাম্মদ (ছঃ) ৰ ছিনা মোবাৰকৰ পৰা পবিত্ৰ কোৰাণৰ বাণী আপোনা-আপুনি বাহিৰ হৈছিল। হিন্দু ধৰ্মৰ যোগীসকলে কৈছে— ত্ৰৈলোক্য যানি ভূতানি আনি সৰ্বানি দেহতঃ। বিজ্ঞানৰ মতে ভূ-মণ্ডলৰ সকলো সৃষ্টিৰ বিষয়ে বিজ্ঞানে গৱেষণা কৰে আৰু তাৰ প্ৰকৃত সত্যৰ উদ্ঘাটন কৰে।

ওপৰোক্ত আলোচনাৰ পৰা এইটো বুজা যায় যে, যি গ্ৰন্থ মানুহৰ চৰম ও পৰম সাফল্যৰ মাৰ্কাঠি তাত নিশ্চয় ৰাজনীতি, সমাজনীতি, ধৰ্মনীতি ইত্যাদিৰ বিশদভাৱে বৰ্ণনা দিয়া থাকে। এই বৰ্ণনা নিভুল হব লাগিব। বিজ্ঞান আৰু ধৰ্মত কেতিয়াও মিছাৰ সংযোজন হব নোৱাৰে। মিছা কেতিয়াও বিজ্ঞান তথা ধৰ্মৰ বিষয়বস্তু হব নোৱাৰে। গতিকে এই মিছাৰ পৰা সঁচা উদ্ঘাটন কৰিবলৈ হলে জ্ঞান সমুদ্ৰৰ প্ৰয়োজন। আমি যিমানেই জ্ঞানী নহও কিয় সেই পৰম কৰুণাময় আৰু মহান বিজ্ঞানময় প্ৰভুৰ জ্ঞানৰ তুলনাত আমালোকৰ জ্ঞান অতি নগন্য। গতিকে এই ক্ষুদ্ৰ জ্ঞানেৰে সেই মহাপ্ৰভুৰ মনোনিত ধৰ্মীয় আইন-শৃঙ্খলাৰ কিমানদূৰ হৃদয়াংগম কৰিব পাৰোঁ সেইটো এবাৰ ভাৱি চাইছেনে? কিন্তু আমালোকে যি ভাবিছোঁ তাতকৈ বেচি ভাবি চাইছে ঈশ্বৰৰ প্ৰেৰিত মহাপুৰুষ সকলে। গতিকে সিহঁতৰ আদৰ্শ আমাৰ গ্ৰহণীয়। এজন কবিয়ে ইংৰাজীত কৈছে,

Lives of great men all remind us,
We can make our lives sublime.

গতিকে এই ক্ষেত্ৰত আমাৰ কৰ্ত্তব্য হব প্ৰকৃত মহাপুৰুষ, যিজন সৰ্ব্বগুণে বিভূষিত তেনেকুৱা মহাপুৰুষৰ আদৰ্শ আৰু চৰিত্ৰ আমি গ্ৰহণ কৰিব লাগিব। সত্যনাথ দেৱ নামৰ এজন লিখকে কৈছেযে 'চৰিত্ৰবান মানুহ পবিত্ৰ জলৰ নিচিনা। সি নিজেও পবিত্ৰ আৰু আনকো পবিত্ৰ কৰে। ইংৰাজীত আৰু এষাৰ কথা আছে "Character is above genius. অৰ্থাৎ সমাজ এখনৰ প্ৰগতিৰ বাবে প্ৰতিভাশালী লোকতকৈ চৰিত্ৰবান লোকৰ প্ৰয়োজন বেচি আৰু কোৱা হৈছে "Fine dress does not make a gentle man. এইটো সঁচা কথাযে যিসকল মানুহ আমাৰ ওচৰত সোনচৰা জেউতি তথা ৰত্ন স্বৰূপ সিবিলাকে কেতিয়াও নিজৰ পোছাক পৰিচ্ছদৰ জাকজমকতাৰ পিনে সজাগ নহয়। তাৰ প্ৰমান স্বৰূপে হজৰত মোহাম্মদ (ছঃ)ক লব পাৰি। তেওঁৰ কাপোৰ বহু তালিযুক্ত আছিল কিছুমান হাদিছ সংগ্ৰহক চাহাবাৰ (সঙ্গী) মতে তেওঁৰ কাপোৰত সত্তৰটি তালি দিয়া হৈছিল তেওঁ নিজে নেখাই দুখীয়াক দান দক্ষিণা কৰিছিল। তেওঁ কেতিয়াবা কেতিয়াবা এসপ্তাহলৈকে নেখাই থাকিছিল। কিন্তু পবিত্ৰ কোৰাণ শ্বৰিফত তেওঁৰ চৰিত্ৰ সম্পৰ্কে কোৱা হৈছে ইন্নাকা ইয়াইয়া খুলুকে আজীম" অৰ্থাৎ আল্লাহ তালাই কৈ আছে যে নিশ্চয় আমি তেওঁক (মহম্মদ ছঃ) আজীম (সৰ্ব্বশ্ৰেষ্ঠ আখলাক (চৰিত্ৰ) দিয়ে সৃষ্টি কৰিছোঁ। গতিকে এইক্ষেত্ৰত আমি কব পাৰোঁ যে,

"Money is lost, nothing is lost, health is lost, something is lost but character is lost every thing is lost.

ধৰ্ম্ম আৰু বিজ্ঞানে আমালোকৰ মাজত কি কৰ্ম্ম ভাল আৰু কি কৰ্ম্ম বেয়া সেইটো জনাই দিয়ে। যেনেকৈ বিজ্ঞানৰ কিছুমান আবিস্কাৰ যেনে, ৰেডিও, টেলিগ্ৰাফ, টেলিভিচন ইত্যাদি আমাৰ কাৰণে মঙ্গলজনক কিন্তু এটম বোমা, হাইড্ৰজেন বোমাৰ নিচিনা কিছুমান বস্তু আমাৰ কাৰণে বিপদ জনক বিজ্ঞানত ইয়াৰ ব্যৱহাৰ অতি ধ্বংসাত্মক। ঠিক তেনেদৰে ধৰ্ম্মৰ ক্ষেত্ৰ তেওঁ যিবিলাক কৰ্ম্ম যেনেকৈ সদায় সচাঁ কথা কৰা' চুৰি নকৰিবা, মদ নেখাবা, জুৱা নেখেলিবা, অইনৰ গ্লানি প্ৰচাৰ নকৰিবা, সদায় সত্য পথত থাকিবা ইত্যাদি যদি মানি চলা হয় তেতিয়া আমালোকৰ ইহকাল তথা পৰকালত শান্তি হব, আৰু যদি মানি নচলা হয় তেনেহলে বিজ্ঞানৰ দ্বাৰাই আমালোকৰ ধ্বংসযে নিশ্চত তাত কোনো সন্দেহ নাই। ইয়াৰ বাবে আমালোকৰ নিৰ্ব্বিকাৰ নিকৰুণ নিগড়িত নীড়ৰ ৰজনীৰ দিননি কেতিয়াও শেষ নহব। ইয়াৰ বাবে পবিত্ৰ কোৰাণ শ্বৰিফত কোৱা হৈছে তাৰ কাৰণে তেওঁলোকে পৃথিবীত পৰিভ্ৰমণ কৰি তাৰ পিছত লক্ষ্য কৰা নাই যে তেওঁলোকৰ পূৰ্ব্ববৰ্ত্তী সকলোৰ পৰিনাম কেনেকুৱা হৈছিল? আল্লাহই তেওঁলোকক ধ্বংস কৰিছিল আৰু অবিশ্বাসী সকলৰ কাৰণে এনেকুৱা পৰিনাম ঘটি থাকে (ছুৰা মহম্মদ ১০ নং আয়েত)। প্ৰমান হজৰত নুহ (আঃ) ৰ অবিশ্বাসী কাফেৰ সকলৰ ভয়ঙ্কৰ প্লাবনৰ দ্বাৰা ধ্বংস কৰা হৈছিল। এনেকুৱা অনেক ভুৰি ভুৰি প্ৰমান কোৰাণ শ্বৰিফত আছে।

পৃথিবীৰ সকলো ধৰ্ম্মই 'একেশ্বৰবাদ' হয়নে নহয়, আৰু ঈশ্বৰৰ উপাসনাৰ বাবে কি আমাৰ কৰ্ত্তব্য আৰু ইছলাম ধৰ্ম্ম সৰ্ম্পকে অইন অইন ধৰ্ম্মই কি কৈ আছে তাৰ সংক্ষিপ্ত বৰ্ণনা আমি ইয়াত কৰিম। কাৰণ

বস্তু বস্তুৰ পৰা বিজ্ঞানে এটা মতবাদ আগ-বঢ়ায়। তদ্ৰূপ বহুতো ধৰ্ম্মৰ নীতি নিয়মৰ আলোচনাই প্ৰকৃত সত্য বিজ্ঞান ভিত্তিত পাব পাৰি।

পবিত্ৰ ইছলাম ধৰ্ম্ম মতে সৃষ্টিকৰ্ত্তা এজন। তেওঁ নিৰাকাৰ, অক্ষয় ও বাধাবন্ধীনহীন। তেওঁৰ শেষ নাই অন্তও নাই। হিন্দু ধৰ্ম্মত আছে "একোমে ব্ৰহ্ম দ্বিতীয়ং নাস্তি: অৰ্থাৎ এক ব্ৰহ্ম ব্যতিৰেকে দ্বিতীয় ব্ৰহ্ম নাই। শ্বেতশ্বত পৰোনিষেধত আছে 'আপনি পদ যবনো, গৃহিতা পশ্যতা চক্ষু সদৃনোত্য কৰ্ণ অৰ্থাৎ তেওঁৰ হাত ভৰি চক্ষু কৰ্ণ একোৱেই নাই; তথাপিও তেওঁ সকলোকে ধৰিব পাৰে, সকলোকে দেখিব পাৰে, সকলোতে যাব পাৰে, আৰু সকলো শুনিব পাৰে। মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱৰ মতে "One God, one faith, none else than that one. অৰ্থাৎ এক দেৱ, একসেৱ, এক বিনে নাহিকেৰ। তেওঁৰ মতে মুল গছৰ গুৰিত পানী ঢালিলে অইন অইন ডাল পাত বিলাক আপোনা আপোনি জীয়াই থাকে। তদ্ৰূপ এক ঈশ্বৰৰ আৰাধনাই সকলো দেৱতা সন্তুষ্ট থাকে। খৃষ্টান ধৰ্ম্মত, ঈছা নবী (যিশু)য়েও এক ঈশ্বৰৰ পূজা কৰিছিল। গতিকে এক ঈশ্বৰৰ পূজা কৰাই প্ৰকৃত ধৰ্ম্ম।

এই 'একেশ্বৰবাদ' ঈশ্বৰৰ পূজা (উপাসনা) কিভাবে আমাৰ কৰা উচিত হব তাক জনা দৰকাৰ। ইছলাম ধৰ্ম্মমতে প্ৰত্যেকজন মুছলমানৰ জন্য কালেমা, নামাজ, ৰোজা ইত্যাদি পালন কৰা ফৰজ (জৰুৰি)। ধনী মুছলমানে ইয়াৰ ওপৰিও হজ্জ আৰু জাকাত আদায় কৰিব লাগিব। হিন্দু শাস্ত্ৰৰ মহাভাৰতৰ মহানিৰ্ব্বানত আছে 'নাদ্ধি কালো বিচাৰে হস্তি মুত্ৰা নাশ সংহতিতং বিনা কোহনা মাশ্ৰয়েতঃ অৰ্থাৎ সেই ঈশ্বৰৰ উপাসনাৰ বাবে মানুহৰ সময় কালৰ বিচাৰ আৰু ধনব্যয়ৰ অৱশ্যক নপৰে; আৰু সেই ঈশ্বৰ ভিন্ন অইন কোনো দেৱ দেৱীৰ আশ্ৰয় নলব। শ্ৰীশংকৰ দেৱৰ মতে 'ভকতিত নাই জাতি অজাতিৰ বিচাৰ'। মহাভাৰতৰ মহানিৰ্ব্বানত আছে 'বৰ্নাভিমানা চক্ৰেতু বৰ্নাভেদাং কৰি যত, সব জাতি ঘোৰ নিৰমপি বেদান্ত পৰাগত; অৰ্থাৎ যিজনে অভিমানৰ বশবৰ্ত্তী হৈ জাতিৰ ভেদাভেদ কৰি চলিব সি বেদপঠিক ব্ৰাহ্মণ হলেও নৰকগামী হব। গতিকে ধৰ্ম্মৰ কথাবোৰ সচা কিন্তু আমি তাকে নকৰি তাৰ বিপৰীতটো কৰি আছোঁ। কিয়নো মুছলমানৰ বাবে পূৰ্ণ পৰ্য্যায়ৰ ঈমানদাৰৰ ৭৭ টি অংশ আছে। কিন্তু সেইবোৰ পালন নকৰকৈ আমাৰ কিছুমানে মৌখিক স্বীকাৰো ক্তিৰ মুছলমান আৰু দাবী কৰে ঈমানদাৰ। প্ৰকৃততে সিহতে 'ঈমানদাৰ' নহয়। সিহত ভণ্ড ও বেদাতী দল। যিহ'ক আল্লাহই মুছলমান ভাই সকলক ইয়াৰ পৰা ৰক্ষা কৰক ও সৎপথ দেখাওঁক।

সি যিকেইনহওঁক আহক আমি সকলোৱে সকলোঁ ধৰ্ম্মৰ সাৰমৰ্ম্ম কি, আৰু সেইটো বিজ্ঞান সম্মত হয়নে নহয় তাক উজ্জ্বল বুদ্ধিদীপ্ত জ্ঞানেৰে প্ৰমান কৰি আৰু উক্ত জ্ঞানেৰে আমালোকৰ মহান সৃষ্টিকৰ্ত্তাৰ আদেশ ও নিষেধ জানি শুনি মানি চলি মহান প্ৰভু আৰু বিশ্বৰ সকলোঁ সৃষ্টিবস্তুৰ সন্তোষ্টিৰ বিধান কৰোঁহক ॥

---

গঢ়া কঠিন, ভঙা উজু, সাহিত্য কঠিন, সমালোচনা উজু।

—ফনী শৰ্ম্মা।

---



# ঃ 'সংগীতৰ লগতেই জীৱন মুক্তি' ঃ

মুবাৰক আলী
টি, ডি, ছি, ১ম বাৰ্ষিক (কলা)

হৃদয়ৰ সুৰীয়া অনুৰাগ হ'ল- "গীতম বাদ্যম্ তথা নৃত্যম্ এয়ং সংগীতম উচ্যতে"। সংগীতৰ প্ৰতি প্ৰত্যেক মানুহেই আকৰ্ষিত। ই প্ৰায় গতানুগতিক ভাবে চলিয়েই আহিছে। সংগীতৰ পুলকে বা গতিয়ে কেৱল মানুহৰ ওপৰতেই প্ৰতিক্ৰিয়া নকৰেই আনকি জীৱ-জন্তু গছ-গছনি আদিৰ ওপৰতো সদায়েই চৰাচৰ জগতত বিতৰণ কৰিয়ে আছে।

হাইড্ৰিলা নামৰ এবিধ উদ্ভিদে হেনো সংগীতৰ তালে তালে লৰিবলৈ হয়। কিছুমান গছৰ বৃদ্ধি হেনো আংশিক পৰিমানে সংগীতৰ মাধ্যমেৰেই হয়। বজাৰত বা বাটে ঘাটে দেখুৱা সাপ খেল সমূহত সাপবোৰে পেপাৰ সুৰৰ তালেৰে মোহিত হৈ নাচে। সাপৰ স্বভাৱ হিচাবেও জানো যে, ই সংগীত প্ৰিয় প্ৰানী। মানুহৰ মাজত থকা কিছুমান সৰু সুৰা বেমাৰ আজাৰ যেনে মানুহৰ চুলি উঠা, মূৰৰ বিষ, টোপনী নধৰা আনকি পেটৰ বিষ, সংক্ৰামক ৰোগ আদি বেমাৰ সমূহ বিভিন্ন ধৰণৰ সংগীতেৰে হেনো লাঘৱ কিংবা নিৰ্মূল কৰিব পাৰি। গতিকে শিল্পীৰ সুৰত কব পৰা যায় যে, যতেই জীৱৰ জন্ম ততেই সংগীতৰ জন্ম। যদি মানৱ শৰীৰৰ জন্মৰ লগতে হৃদয় আছে সংগীতৰ সৃষ্টি আৰম্ভ হৈছে তাৰ পৰাই। কাৰন সংগীত মূলত মানৱ হৃদয়ৰ আনন্দ, বিষাদ, ইৰ্ষা আদি সহজাত অনুভূতিৰেই ৰাগ।

হয়তো প্ৰাচীন অৱস্থাৰ গুহাৰ মানৱে আহাৰৰ জ্বালামুখী প্ৰয়োজনৰ দাবীত সংগীত শিল্পৰ প্ৰয়োজনীতাৰ কথা চিন্তা কৰা নাছিল। তথাপি আদিম হৃদয়ৰ পৰা নিজৰিছিল সংগীতৰ ধাৰ। চিকাৰ কৰি অনা জন্তুটোৰ চাৰিও ফালে ঘূৰি ঘূৰি হৰ্ষোল্লাসত আদিম মানুহেও নাচিছিল, গাইছিল কিবা নবুজা ভাষাৰে নিজৰৰ গান মৃত সংগীনীৰ বিৰহত আদিম মানৱৰ ওঁঠৰ পৰাও ওলাইছিল অস্ফুট ধ্বনি বিলাপৰ সুৰ হয়তো কোলাৰ সন্তানক শুৱাবলৈ সেই আদিম নাৰীয়েও গাইছিল নিচুকনি গীত ভাষাহীন সুৰেৰে আৰু সেই সুৰৰ যুক্তি নোহোৱা নাছিল। নদ, নিজৰা মেঘ বিজুলী, বতাহ চেৰকনিক, গছ বন আদিক দেৱতা ৰূপে মানি ভয় পাই তাৰ সন্তোষ্টিৰ হকে সৃষ্টি কৰিছিল অজান ভাষাৰ সুৰৰ মাহত্ম্য থকা ভক্তি সংগীতৰ বন্দনা সংগীত। যিবোৰ আজিৰ সমাজত ভজন কীৰ্ত্তন ৰূপে জনসমাজত পৰিচিত। সভ্যতাই যেতিয়া দিলে নিশ্চিত অৱসৰ, মানুহে সহস্ৰ প্ৰশ্নৰ উত্তৰ বিচাৰি ওলাল। আকাশৰ নুবুজা সাথৰ জলন্ত ভাস্কৰৰ প্ৰতি গীতৰ সুৰেৰে প্ৰণাম জনাবলৈ শিকিবলৈ শান্তিৰে সন্ধানত। বৈবাহিক বন্ধন যেতিয়া সমাজত মূৰ দাঙিলে অন্তৰতও জগি উঠিল বিয়া মুখৰিত কৰাৰ বিয়া নাম। হৃদয় যেতিয়া দাৰ্শনিক ভাৱ-ধাৰাৰে মুক্ত হৈ আহিল মানৱে শিকিলে ধ্বনিৰ আনন্দ ধ্বনিৰ শক্তি ধ্বনিয়ে অনা মোক্ষৰ কথা। হৃদয়ৰ সুৰীয়া অনুৰাগ সংগীত হ'ল। গীতম বাদ্যম তথা নৃত্যম্ এয়ং সংগীতম উচ্যতে।

প্ৰস্তৰ যুগৰ অঘৰী মানুহৰ সংগীত সন্ধানী শিপায়ে যি সৃষ্টিৰ নৌ কোহ বিচাৰি

আগুৱাই গল সেই দৃষ্টি ভংগী আজিও মানৱ হৃদয়ৰ পৰা মাৰ যোৱা নাই। এহাতে সংগীত আজিও হৃদয়ত সহজাত আবেগেৰে সুৰীয়া প্ৰকাশ আন হাতে সংগীত গভীৰৰ পৰা গভীৰতৰ হাতেৰে ঢুকি নোপোৱা মনেৰে ছুব নোৱাৰা এক পৰম জ্যোতি যাক মহা সাধনাতেই লাভ কৰিব পৰা যায়।

কিছুমান মানুহে সংগীতক শান্তি তথা ৰং ৰইচৰ বাহক হিচাবেহে গ্ৰহণ কৰে। পশ্চিমীয়া দেশ-বোৰত বেছিকৈ প্ৰচলন হোৱা দেখা যায় যদিও সংগীতৰ পোৱা নোপোৱা আশা নিৰাশাৰ, হাঁহি আৰু বিননিৰ সোঁত আছে। ওপৰোক্ত দিশ সমূহ থকা সত্বেও কিছুমান মানুহে অমনযোগী ভাবে সময় কটোৱাতহে গীত মাত শুনে বা নৃত্য আদি চায় সমাজত প্ৰত্যেক ব্যক্তিয়েই সংগীতক ভাল পায় যদি কোনোবাই সংগীত ভাল নেপায় তেন্তে কব লাগিব যে, সি নিজকে ভাল নেপায়। সমাজত যদি শিল্পী সকলৰ কঠোৰ পৰিশ্ৰমক মূল্য দিয়া নহয় তেন্তে শিল্পী সকলৰ উৰ্দ্ধগামী গতিধাৰা বক্ৰ হৈ যায় ফলত জাতি এটাৰ কলা কৃষ্টি ধ্বংস হৈ যায়।

শিল্পী সমূহ সমাজৰেই অংগ। সমাজৰ গতি অনুসৰিয়েই এওঁলোক গঢ় লয়। সমাজেও প্ৰায় নিজৰ তাগিদাতেই শিল্পী সৃষ্টি কৰে। শিল্পীৰ অন্তৰ্ৰাজিত থকা নিজা প্ৰতিভাৰে তথা সমাজৰ গতিৰে শিল্পীয়ে গঢ় লয় এক বিশেষ বৈশিষ্ট্যতাৰ মাজেৰে। শিল্পীৰ খুটি আৰু তৰী স্বৰূপ হৈছে সমাজত থকা হিংসা বিদ্বেষ, আশা আকাংখা আমোদ ফুৰ্তি আৰু এওঁলোকৰ উদ্দেশ্য হল কণ্ঠৰ জৰিয়তে সমাজৰ এইবোৰ আতৰ কৰাৰ তৃষ্ণা। বিংশ শতিকাৰ শিল্পীও ভূপেন হাজৰিকা দেৱে বিদ্ৰোহ কৰি আহিছে সমাজৰ বিৰুদ্ধে তীব্ৰ অভিযান। তেওঁৰ প্ৰায় প্ৰত্যেক গীত মাতত লুইত পুৰীয়াৰ হাঁহি বিননি হৰ্ষ, বিষাদ বোৰ বিৰাজমান যেতিয়াই এটি বিশেষ মুহূৰ্তই কোনো শিল্পীৰ কলিজা স্পৰ্শ কৰে তেতিয়াই সি বিদ্যুৎ বেগে শিল্পীৰ কাপৰ মাজেৰে নিজা বৈশিষ্টৰ নিজা প্ৰতিভাৰ জোখেৰে একোটি গীত মাত সাহিত্য সুৰ ইত্যাদিৰ ৰূপ লয়। শিল্পীৰ কেৱল সৃষ্টিতেই উদ্দেশ্য সফল নহয়। কিন্তু সফল হয় ই ব্যাস্তৱত ৰূপায়িত হলেহে। তাতেহে শিল্পীৰ স্বাৰ্থ জৰীত থাকে। এজন সাধকৰ আজীৱন সাধনাৰ সত্যক অস্বীকাৰ কৰা অৱমাননা কৰা কিমান সন্তীয়া চিন্তা, তাক কেৱল বুজায় হে বুজি পায়। কিন্তু কাৰো উপলুঙা বা অৱমাননাৰ দ্বাৰা ৰাতিক দিন আৰু দিনক ৰাতি কৰিব নোৱাৰি যি-কোনো সাংস্কৃতিবান মানুহে সাংস্কৃতিক বুজি পায় তথা শ্ৰদ্ধা কৰে, কথাতে আছে যিয়ে ভাঙে সিয়ে গঢ়ে। গতিকে আমাৰ সমাজত ভাঙোতা জনো আছে, লগতে গঢ়োতা জনো আছে। কিন্তু পৰিস্থিতিৰ কবলত ইয়াৰ ব্যতিক্ৰম হোৱাও দেখা যায়। অৰ্থ্যৎ কেতিয়াবা শিল্পী তথা সাংস্কৃবান পাণে সমাজৰহৈও সমাজ এৰিব লগীয়াত পৰে নিয়ম ভাঙাৰ নিয়মবোৰ মানি নোলোৱাৰ বাবে।

কেতিয়াবা শিল্পীৰ সৃষ্টিৰ সোৱাদৰ প্ৰতি শ্ৰোতাৰ ৰুচিৰ পৰিবৰ্তন হলেও শিল্পীৰ জীৱনলৈ জটিলতা নামি আহে। তেতিয়া তেওঁলোক নিৰব হৈ যায়। বহুজনক কালৰ প্ৰৱল সোঁতেও উটুৱাই নিয়ে নিজে দৃঢ়তাক জলাঞ্জলি নিদিয়াৰ বাবে। এইবোৰ কাৰণত যুগৰ পৰিবৰ্তন বহুত প্ৰতিভাশালী শিল্পীৰ পতন আনহাতে ন-ন দুদিনীয়া কিছুমান শিল্পীৰ সৃষ্টি হৈছে। মুঠতে ওপৰত কব পাৰি যে প্ৰতিভাইহে কেৱল শিল্পী সাহিত্য আদিক সঞ্জীৱনী শক্তি দান দিব পাৰে। আনকি কিছু-মান সৃষ্টিক জনসাধাৰণে বাস্তৱ মুখি বুলি



ঠাৱৰ কৰি লয়। ৰামায়ণ মহাভাৰত আদি কাব্যসমূহ আচলতে প্ৰৱল প্ৰতিভাশালী শিল্পীৰ অমৰ সৃষ্টি। ই যুগে যুগে চলি আহিছে আৰু চলিয়ে থাকিব। ইয়াৰ প্ৰতি মানুহৰ আস্থা ইমান প্ৰৱল যে ইয়াৰ আদৰ্শত সমূহ জনসাধাৰণে চিৰনমস্য স্বৰূপৈ পৰিছে। তেনেদৰে আজিৰ যুগতো গীত কবিতা গল্প ৰূপ কথা আদি মানুহৰ মুখে মুখে প্ৰবাদ বা বেলাড হৈ পৰিছে।

আমাৰ অসমৰ কৃষ্টি সংস্কৃতি বিকাশৰ বাবে যথেষ্ট থল আছে। ধুবুৰীৰ পৰা শদিয়ালৈ ইয়াত বহুত সংস্কৃতিৰ প্ৰাণ দেখিবলৈ পোৱা যায়। নানান জাতি উপ-জাতিৰ যেনেঃ- বড়ো, মিছিং গাৰো, ৰাভা, নেপালী, মণিপুৰী নাগা, মোৰলপৰীয়া ইত্যাদিৰ উৎসৱ পাৰ্ব্বান পিন্ধন উৰণ, বাসস্থান আচাৰ ব্যৱহাৰ আদিৰ দ্বাৰা প্ৰত্যেক জাতি বা উপজাতিৰ নিজা নিজা এক সুকীয়া ধৰণৰ সংস্কৃতিৰ সৃষ্টি অসমত আছে।

তাহানিৰ শংকৰ দেৱ মাধৱ দেৱৰ নাম আমি প্ৰায় প্ৰত্যেক পুথিত বা কিতাপত পাই থাকো ইয়াৰ উপৰিও জ্যোতিপ্ৰসাদ তথা বিষ্ণুৰাভা দেৱলৈকে আৰম্ভ কৰি আজিও নতুন পুৰুষে আমাৰ অসমৰ কৃষ্টিক আকো-ৱালীলৈ সৃষ্টিৰ আদৰ্শ কলৈ নিতৌ নৱ-নৱ সংস্কৃতি সুসমাৰ সৃষ্টি কৰি আছে। কেৱল এইখিনিয়েই নহয়, অসমৰ পথাৰত বিহুৰ সুৰ নদীৰ বুকুত বৈশাগু গীত, পথৰ ধুলিত দেহ বিচাৰৰ গীত, ঘৰুৱা কিছুমান মান অভিমানত লোকগীত বিৰচিত। শংকৰ মাধৱে দিলে ৰাগ সংগীতৰ জ্ঞান, জ্যোতি বিষ্ণুয়ে দিলে শিল্পৰ সংগীতৰ জ্ঞান।

এইবোৰ আদৰ্শশালী ইতিহাস আৰু বৈশিষ্টলৈ আমি আগুৱাই আছো আগলৈ। তথাপি আমাক আৰু লাগে নৱ-নৱ সৃষ্টিৰে উতাল সংগীত এক বৈপ্লৱীক পৰিবেশ। আমি বিচাৰো আমাৰ সংগীতক সৃষ্টিকামী স্থায়ী আৰু আনন্দৰ প্ৰতীক হিচাবে ধ্বংশকামী উত্তেজনাৰ বাহক হিচাবে নহয়। আমি সদায় বিচাৰো অসমীয়া যুৱক যুৱতীৰ ভিতৰত আহক সাধাৰণ ভাৱ ভঙ্গি। সংগীতৰ বিভিন্ন ক্ষেত্ৰত বুৰ গৈ কষ্ট আৰু ধৈৰ্য্যৰে তপস্যাৰ এক নিষ্ঠাৰে তেওঁলোকে তুলি আনক সংগীতৰ মুকতা মালা। সেই মালা ডিঙিত পিন্ধি অসমৰ শিল্পীয়ে মূৰ দাঙি থিয় হওঁক বিশ্বৰ সংগীত দৰবাৰত।

# ঃ ভ্ৰমণ কাহিনীঃ

আব্দুল মাতিন আহমেদ
টি, ডি, ছি, ২য় বাৰ্ষিক (ক'লা)

**১৯৮৬ ইং চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত হৈ যোৱা "ৰাষ্ট্ৰীয় সেৱা আঁচনি"ৰ মঙ্গলদৈ মহাৱিদ্যালয়ত হোৱা পাঁচ দিনিয়া শিৱিৰৰ সংক্ষিপ্ত বিৱৰণীঃ—**

মানৱ মনৰ আশাৰ পৰিধি অন্তহীন। কল্পনাবিলাসী মন দিগন্তৰ পৰিধিত অলেখ কামনাই লুকাভাকু খেলে। মানুহে বিচাৰে নেদেখাটো চাবলৈ, নোপোৱা পাবলৈ, নজনাটো জানিবলৈ। এই বিশাল বিশ্বই বিচিত্ৰ দেশ দেশান্তৰ, নদ-নদী, গিৰি গুহাৰ বিচিত্ৰ সৌন্দৰ্য্য, বিচিত্ৰ ৰীতি-নীতি, সভ্যতা সংস্কৃতি, জীৱ জন্তুৰ সৃষ্টি কৰি সেইবোৰ উদঙাই দেখুৱাবলৈ মানুহক সদায় আহ্বান জনাই আহিছে চিৰদিন। সেই আহ্বানে মানুহৰ দুৰ্ব্বাৰ আকাংক্ষা আৰু প্ৰবল কৰি তুলিছে। তাৰ তাড়নাতেই মানুহে দেশ দেশান্তৰ ভ্ৰমণ কৰে।

বিচিত্ৰ সংসাৰত বিচিত্ৰ মানুহৰ মন আৰু ৰুচি একে নহয়। সেইবাবে বিভিন্ন লোকৰ ভ্ৰমণৰ উদ্দেশ্য বিভিন্ন। চোৱাৰ নয়নৰ তৃপ্তিৰ বাবে, কোনোৱে শিক্ষা আৰু জ্ঞান লাভৰ বাবে, কোনোৱে আত্মাৰ পৰিশুদ্ধি আৰু পুণ্য অৰ্জনৰ বাবে, কোনোৱে ৰত্ন বাজিৰ অনুসন্ধানত, কোনোৱে আৱিস্কাৰ আগ্ৰহত, কোনোৱে স্বাস্থ্যজনিত কাৰণত আৰু কোনোৱে কেৱল ভ্ৰমণৰ হেপাহত ভ্ৰমণ কৰে। মনৰ তৃষ্ণা, সৌন্দৰ্য্য উপভোগৰ তৃষ্ণা, সৌন্দৰ্য্য প্ৰয়াসী লোকক বিশ্বৰ সৌন্দৰ্য্যই নিত্য নিৰন্তৰে হাত বাউলি মাতে। সৌন্দৰ্য্যৰ চিকমিকনিয়ে তেওঁলোকৰ দৃষ্টিত মোহময়ী ইন্দ্ৰজাল তৰি দিয়ে। সেয়েহে তেওঁলোকৰ সৌন্দৰ্য্য পিয়াঁসী হিয়া উদ্বাউল হয়। সৌন্দৰ্য্যৰ পাছত লৰিবলৈ তেওঁলোকে বিশ্বৰ বুকুত ভ্ৰমণ কৰে সৌন্দৰ্য্য উপভোগ কৰি প্ৰাণৰ, মনৰ তৃষ্ণা দূৰ কৰিবলৈ। কিন্তু প্ৰকৃত ভ্ৰমণকাৰী অকল সুন্দৰ দৃশ্যৰ প্ৰতি আকৰ্ষিত নহয়। তেওঁলোৰ কাৰণে ৰাতিপুৱাৰ যাত্ৰাৰম্ভকালৰ উৎসাহ উদ্দীপনা, আনন্দ আৰু গধূলিৰ শান্তিত মন ভৰি পৰা অনুভূতিবিলাকেই বেছি গুৰুত্বপূৰ্ণ। প্ৰকৃত জ্ঞান প্ৰত্যক্ষ অভিজ্ঞতা, আৰু নয়নৰ তৃপ্তি সাধনৰ বাবে ভ্ৰমণৰ বিশেষ প্ৰয়োজন। এনে প্ৰয়োজনীয়তা উপলব্ধি কৰিয়েই ব্যক্তিগত ভাৱে যাত্ৰা আৰম্ভ কৰিছিলোঁ "মঙ্গলদৈ" অভিমুখে।

সেইদিনা আছিল ১৯৮৬ চনৰ ১৬-৭-৮৬ ইং তাৰিখ বুধবাৰ। অসমৰ বিভিন্ন প্ৰান্তৰ মহাবিদ্যালয়ৰ পৰা "জাতীয় সেৱা আঁচনি"ৰ স্বেচ্ছাসেৱক / সেৱিকাসকল উক্ত দিনা যথাসময়ত মঙ্গলদৈ মহাবিদ্যালৰ চৌহদৰ ভিতৰত উপস্থিত হয়। ঠিক সেইদৰে আমি চাৰিজন স্বেচ্ছাসেৱক আৰু এজন কাৰ্য্যসূচী বিষয়া নৱজ্যোতি মহাবিদ্যালয়ৰ পৰা বুধবাৰ দিনা ৰাতিপুৱা পাঁচ বজাত যাত্ৰা আৰম্ভ কৰিলো মঙ্গলদৈ অভিমুখে। কলগাছিয়াৰ পৰা গাড়ীত



উঠি ক্ৰমাগত ভাৱে ভালে কেইখন চহৰ অতিক্ৰম কৰি আমি আমাৰ লক্ষ্যস্থান মঙ্গলদৈ চহৰৰ বিশেষ বাছৰ কাৰ্য্যলয়ত উপস্থিত হৈছিলোঁ। তেতিয়া আবেলি দুইটা বাজিবৰ ১৫ মিনিট বাকী আছিল। আমি যেতিয়া আমাৰ গন্তব্যস্থান মঙ্গলদৈ মহাবিদ্যালয়ৰ চৌহদত উপস্থিত হৈছিলোঁ তেতিয়া আবেলি ২-১৫ বাজিছিল। মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত ভৰি দিয়াৰ লগে লগে চাৰি পাঁচজন ছাত্ৰ বন্ধুৱে আমাক আদৰণি জনালে।

তাৰ পিছত আমাৰ কাৰ্য্যসূচী বিষয়া আমাৰ শিক্ষাগুৰু অধ্যাপক ওমৰ আলী চাহাবে স্বেচ্ছাসেৱক / সেৱিকাসকলৰ নাম ভৰ্ত্তি কৰাৰ তালিকাত আমাৰ নামো ভৰ্ত্তি কৰি দিলে। তাৰ পিছত দুজন ছাত্ৰ বন্ধুৱে আমাক থকাৰ সু-ব্যৱস্থা কৰি দিয়ে। সেই মৰ্ম্মে আমি মহাবিদ্যালয়ৰ ৩৯ নং কোঠালীত বিছনা লওঁ। তেতিয়া আবেলি তিনিটা বাজিছিল। উক্ত কোঠালীত অসমৰ বিভিন্ন প্ৰান্তৰ মহাবিলয়ৰ পৰা অহা আমি ছয়খন মহাবিদ্যালয়ৰ স্বেচ্ছাসেৱক আছিলো। আবেলি ৩-৩০ বজাত প্ৰত্যেকক একোখনকৈ বেছ্ দিয়া হ'ল।

আবেলি ৪টা বজাত শিৱিৰ মুকলি কৰা হয়। শিবিৰ মুকলি কৰাৰ আগমুহুৰ্ত্তত চা-জলপানৰ ব্যৱস্থা কৰা হয়। ৰাতি সাত বজাত বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠান পৰিচালনা কৰে টংলা কলেজৰ অধ্যাপক শ্ৰীযুত বিনয় কুমাৰ মেধি আৰু গুৱাহাটী সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা চেনেহী বেগমে। অসমৰ বিভিন্ন প্ৰান্তৰ মহাবিদ্যালয়ৰ পৰা অহা স্বেচ্ছাসেৱক / সেবিকাসকলে সুললিত কন্ঠেৰে মধুময় গীতৰ ৰাগিণী তুলি সকলোকে আকৰ্ষিত কৰে।

উক্ত অনুষ্ঠানত বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা অধ্যাপক, অধ্যাপিকা, আৰু স্বেচ্ছাসেৱক / সেৱিকাসকলৰ মাজত পৰস্পৰে পৰস্পৰৰ পৰিচয় দাঙি ধৰে। লগতে এই "We shall over come some day" গীতটিৰে সভাৰ সামৰণি মৰা হয়।

ৰাতি দহ বজাত ৰাতিৰ আহাৰ খোৱা হয়। তাৰ পাছত আমি ৩৯ নং কোঠালীৰ স্বেচ্ছাসেৱকসকল আকৌ বিশেষ ভাবে পৰিচিত হওঁ।

১৭-৮-৮৬ ইং তাৰিখে আমি টোপনীৰ পৰা উঠি হাত মুখ ধুই মঙ্গদৈ চহৰ অভিমুখে কাৰ্য্যসূচীমতে "প্ৰভাত ফেৰী" লৈ যাত্ৰা ক.ৰা। তাৰ পৰা উভতি আহি ৰাতিপুৱাৰ চাহ-জলপান কৰিলো। পুৱা ৯ বজাত মহাবিদ্যালয়ৰ সন্মুখত কাৰ্য্যসূচী বিষয়া প্ৰমূখ্যে আমি সকলোৱে সভা আকাৰে বহি বিভিন্ন দলৰ নামাকৰণ কেৰা। সকলো স্বেচ্ছাসেৱক / সেৱিকাসকলক সাতটা দলত বিভক্ত কৰিলে। আমাৰ দলৰ নামাকৰণ কৰিলে "মূলা গাভৰু"ৰ দল। আমাৰ দলৰ দলনায়কৰ হিচাবে নিৰ্ব্বাচিত হৈছিল শ্ৰীদীনেশ ডেকা। দলনায়কৰ নিৰ্দ্দেশত শিৱিৰৰ নিয়মনীতি কেনেকৈ মানি চলিব লাগে ইত্যাদি সম্পৰ্কে সভাৰ সভাপতিয়ে আমাক বুজাই দিয়ে। উক্ত সভাতেই আমাৰ দলক ৰাতিৰ আহাৰ তৈয়াৰ কৰাৰ দায়িত্ব দিয়ে। কাৰ্য্যসূচীমতে পূৱা দহ বজাত বৃক্ষৰোপনৰ কাম আৰম্ভ কৰা হয়। দিনৰ ১২ বজাত দুপৰীয়াৰ অহাৰ খোৱা হয়।

আবেলি তিনি বজাত আমাৰ দলৰ আটায়ে ৰন্ধা-বঢ়া কামত ব্যস্ত থাকে। ইফালে কাৰ্য্যক্ৰমণিকামতে সভাৰ কাম চলি থাকে সন্ধিয়া ৬-৩০ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয় আৰু ৰাতি ১১ টা বজাত সামৰণি পৰে। তাৰ পাছত ৰাতিৰ আহাৰ খোৱা হয়।

১৮-৭-৮৬ ইং তাৰিখ শুক্ৰবাৰ দিনা ৰাতি-পুৱা ৮ বজাত "নতুন শিক্ষানীতি"ৰ ওপৰত ভিত্তি কৰি এখন সভা বহে। উক্ত বিষয়টোৰ ওপৰত ভিত্তি কৰি পৰিদৰ্শক শ্ৰীমতী অঞ্জলী বৰুৱাই বক্তৃতা দিয়ে। দুপৰীয়াৰ আহাৰ খোৱাৰ পিছত আবেলি ২-৩০ বজাত 'প্ৰাপ্ত বয়স্ক শিক্ষা'সম্পৰ্কে বহা আলোচনা সভাত আমি অংশ গ্ৰহণ কৰো। এই সভাৰ সমাপ্ত ঘটে আবেলি চাৰিবজাত। তাৰপাছত 'মঙ্গলদৈ' মহকুমাৰ উপায়ুক্ত মহোদয়ে নিমন্ত্ৰণ কৰা মৰ্মে আমি সকলো শিবিৰাৰ্থীয়ে বিশেষ বাছেৰে যাত্ৰা কৰিলো উপায়ুক্ত মহোদয়ৰ বাসভৱনলৈ। উপায়ুক্ত মহোদয়ে আমাক বিশেষ ভাৱে আদৰণি জনায়। তাৰপাছত উপায়ুক্ত মহোদয় লগতে তেখেতৰ পৰিয়াল বৰ্গৰ লগত শিবিৰাৰ্থীসকলৰ পৰিচয় হয়। ইয়াৰ ওপৰিও উক্ত অনুষ্ঠানতেই মঙ্গলদৈ সমষ্টিৰ বিধায়ক বৰ্তমান অসমৰ কৃষি মন্ত্ৰী শ্ৰীযুত নীল মণি দাসৰ লগতো আমাৰ সাক্ষাৎ হয়। মাননীয় মন্ত্ৰী মহোদয়ে "জাতীয় সেৱা আঁচনি"ৰ গুৰুত্ব ভিত্তি কৰি বক্তৃতা দিয়ে। সন্ধিয়া ৭ বজাত চাহ-জলপান খোৱাৰ পিছত শিবিৰৰ বিশিষ্ট কাৰ্য্য-সূচী বিষয়া এজনে বগা গামোচা এখনেৰে উপায়ুক্ত মহোদয়ক সন্মানিত কৰে। তাৰ পাছত আমি সকলোৱে বিদায় সম্ভাষণ জনাই শিবিৰ অভিমুখে যাত্ৰা কৰো। ৰাতি ৮ বজাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয় আৰু ৰাতি ১১ বজাত সমাপ্ত হয়।

১৯-৭-৮৬ ইং তাৰিখ শনিবাৰ দিনা ৰাতিপুৱা ৮ বজাত "গ্ৰাম উন্নয়ণ আঁচনি" সম্পৰ্কে বহা আলোচনা চক্ৰত যোগদান কৰো। উক্ত সভাত সভাপতিত্ব কৰে সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা শ্ৰীমতি চেনেহী বেগমে এই সভাৰ পৰিসমাপ্তিত অন্য এখন সভা বহে ইয়াত জনস্বাস্থ্য, ক্ষুদ্ৰ উদ্যোগ, আত্মনিয়োগ সামাজিক ব্যাধি নিৰাময় আদি বিষয়ে আলোচনা কৰা হয়। আলোচনাত ভাগ লয় দৰং জিলাৰ স্বাস্থ্য বিষয়া মহোদয়ে।
আবেলি তিনি বজাৰ পৰা আকস্মিক বক্তৃতা আৰু তৰ্ক প্ৰতিযোগিতা সভা আৰম্ভ হয়। সন্ধিয়া চাহ খোৱাৰ পিছত আমি কেইজনমানে মঙ্গলদৈ চহৰ ভ্ৰমণ কৰো। তাৰ পাছত সন্ধিয়া সাংস্কৃতিক সন্ধিয়াত যোগদান কৰো এই অনুষ্ঠান শেষ হয় ৰাতি ১০-৩০ বজাত।

২০-৭-৮৭ ইং তাৰিখ ৰাতি পুৱা ছাফাই কাম কৰা হয়। তাৰ পিছত বিভিন্ন মহাবিদ্যালয়ৰ বছৰেকীয়া প্ৰতিবেদন পাঠ কৰা হয়। ৮-৩০ বজাত কুইজ প্ৰতিযোগিতা আৰম্ভ হয়। দিনৰ ১১ বজাৰ পৰা 'সমাজ কল্যাণ' নাৰী আৰু 'শিশু কল্যাণ,'ৰ ওপৰত ভিত্তি কৰি আলোচনা চক্ৰ আৰম্ভ হয়। তাত অংশ গ্ৰহণ কৰে শ্ৰী এইচ্, এল গগৈ সঞ্চালক সমাজ কল্যাণ বিভাগ আৰু মিষ্টাৰ এছ, এ, খান আঞ্চলিক সঞ্চালক ৰাষ্ট্ৰীয় নাৰী, শিশু কল্যাণ প্ৰশিক্ষণ কেন্দ্ৰ, বেলতলা। এই সভাৰ সমাপ্তি ঘটে আবেলি তিনি বজাত।

বিশেষ মন কৰিব লগীয়া যে, আবেলি চাৰি বজাত আমি সকলো শিবিৰাৰ্থীয়ে ৰিজাৰ্ভ বাছেৰে ভ্ৰমণলৈ যাত্ৰা কৰিলোঁ "পাথাৰি ঘাট" অভিমুখে। পাথাৰি ঘাট সোমোৱাৰ আগতে মোজায়েম হকৰ শ্বহীদ বেদীত মাল্য অৰ্পন কৰা হয়। আমি যেতিয়া আমাৰ গন্তব্য স্থান পাথাৰি ঘাটত উপস্থিত হৈছিলোঁ তেতিয়া ৫-৫০ বাজিছিল। পাথাৰি ঘাট নামটো আজিও বুৰঞ্জীত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে, আৰু ই চিৰদিন ৰৈ থাকিব। কিয়নো এইডোখৰ ঠাইতেই ১৮৯৪ ইং চনত পোন প্ৰথম বাৰৰ বাবে কৃষক বিদ্ৰোহ হয়। পাথাৰি ঘাটৰ পৰা আমি অনা এখন ঠাইলৈ যাত্ৰা কৰো। সেই ঠাইডোখৰৰ নাম 'খটৰা'। ইয়াত এখন পুৰণিকলীয়া সত্ৰ আছে। এই সত্ৰ স্থাপিত হৈছিল ১৫৬৮ ইং চনত।

আমি যেতিয়া শিবিৰত প্ৰৱেশ কৰো তেতিয়া সন্ধিয়া ৭-৩০ বাজিছিল। ৮ বজাত স্বেচ্ছাসেৱক/সেৱিকাসকলক প্ৰমান পত্ৰ দিয়ে জাতীয় সেৱা আঁচনিৰ সমন্বয় ৰক্ষী বিষয়া শ্ৰীযুত ভুপেন দাস মহোদয়ে। এই বছৰৰ "ৰাষ্ট্ৰীয় সেৱা আঁচনি"ৰ শ্ৰেষ্ঠ কৰ্মী হিচাবে বজালী কলেজৰ স্বেচ্ছাসেৱক শ্ৰীপ্ৰশান্ত শৰ্মাক এটা মূল্যবান পুৰস্কাৰ আগবঢ়ায় লগতে আন এজনী ছোৱালীয়ে নগদ দুইশ টকা পুৰস্কাৰ হিচাবে আগবঢ়ায়। ইয়াৰ পাছত সাংস্কৃতি আনুষ্ঠান আৰম্ভ হয়।
ৰাতি ৯ বজাত প্ৰত্যেক মহাবিদ্যালয়ৰ পৰা এজনকৈ স্বেচ্ছাসেৱকক মহাবিদ্যালয়ৰ ৬ নং কোঠালীত যাবলৈ এজন বিশিষ্ট কাৰ্য্যসূচী বিষয়াই নিৰ্দ্দেশ দিয়ে। তাত প্ৰত্যেককে এখনকৈ প্ৰশ্ন কাকত দিয়া হল। প্ৰশ্নবোৰৰ উত্তৰ উক্ত কাকতত লিখিব লাগে। ৰাতি ১১ বজাত সাংস্কৃতিক অনুষ্ঠানৰ যৱনিকা পৰে। পাঁচ দিনীয়া শিবিৰৰ সাংস্কৃতিক অনুষ্ঠানৰ সামৰণি মৰা হয় এই গীতটিৰে—

"অসমী আই ৰূপসী
    গুণৰে নাই শেষ,
ভাৰতৰে পূৰ্ব দিশত
    সূৰ্য্য উঠা দেশ।"
গোটেই জীৱন বিচাৰিলো
    অনেক দিৱস ৰাতি,
অসম দেশৰ দৰে নেপাওঁ
    ইমান ৰসাল মাটি
পাহাৰ ভৈয়াম একে আছে
    ৰামধনুৰে দৰে,
জন্ম ললোঁ ইয়াতে
    ইয়াতেই যেন মৰো।

ৰাতিৰ আহাৰ খোৱাৰ পিছত আমি পৰস্পৰে পৰস্পৰৰ পৰা বিদায় লওঁ। ৰাতিপুৱা আকৌ আমি প্ৰত্যেকে প্ৰত্যকৰ পৰা বিদায় লওঁ লগতে আমাৰ শেষ বিদায়ৰ সামৰণি মৰা হয় এটি সমৱেত সঙ্গীতৰে। গীতটো হল—

"মঙ্গলদৈ তোমাৰ নাম হওঁক
    মঙ্গল তোমাৰ"

উক্ত গীতটিৰে পাঁচ দিনীয়া শিবিৰৰ যৱনিকাৰ আঁৰ কাপোৰ টনা হয়।

মন্তব্যঃ— "নানা দেশ ফুৰে যি, নানা কথা শিকে সি।" কথাষাৰ ব্যক্তিগত বাবে মোৰ জীৱনতো প্ৰযোজ্য হৈছিল। অসমৰ বিভিন্ন প্ৰান্তৰ মুঠ ৪১খন মহাবিলয়ৰ স্বেচ্ছাসেৱক/সেৱিকাসকল আহি একগোট হৈছিলো মঙ্গলদৈ মহাবিদ্যালয়ত। শিবিৰ থকা দিন কেইটাত এই ৪১ খন মহাবিদ্যালয়ৰসমূহ ছাত্ৰ-ছাত্ৰী যেন আমি একেখন পৰিয়ালৰ ভাই-ভনী হিচাবে মিলা প্ৰীতিৰে থাকিছিলো। তাত আমি হিন্দু, মুছলমান, বড়ো, কছাৰী, জৈন খৃষ্টান আদি বিভিন্ন জাতিৰ বিভিন্ন পৰিয়ালৰ ল'ৰা ছোৱালীয়ে শান্তি, ভাতৃত্ব, সমতা আৰু সভ্যতাৰ এনাজৰীৰে বান্ধ খাইছিলো। তাত আমি জাতিভেদৰ কথা অনুভৱ কৰিব পৰা নাছিলোঁ। আমি এনে এখন নতুন পৰিবেশত আশ্ৰয় লৈছিলো, যিটো পৰিবেশত ব্যক্তিগত ভাবে মই নিজৰ ঘৰখনৰ কথা পাহৰি গৈছিলো। পৃথিৱীৰ বুকুত থকা দিন কেইটাত এনে এটি পৰিবেশৰ কথা আমাৰ মনত থাকিব। এনে এখন আদৰ্শমূলক শিবিৰত প্ৰৱেশ কৰি ব্যক্তিগত ভাৱে মই বহতো নতুন নতুন অভিজ্ঞতা লাভ কৰিছো যি অভিজ্ঞতা মই বিগত দিন কেইটাত লাভ কৰিব পৰা নাছিলো।

বিশেষকৈ শিৱিৰৰ তৃতীয় দিনা আবেলি মোৰ বৰ ভাল লাগিছিল। কিয়নো এটি শুভ সময়ত আমি কেইগৰাকী মহান ব্যক্তিক লগ পাইছিলো। মঙ্গলদৈ মহকুমাৰ উপায়ুক্ত মহোদয়ৰ বাসভৱনত হোৱা এই মহান ব্যক্তি সকলৰ লগত আমাৰ সাক্ষাৎ বিগত দিনত হোৱা নাছিল। তেখেতসকলৰ মূল্যবান বক্তৃতাই আমাক আকৰ্ষিত কৰিছিল। ইয়াৰ উপৰিও বৰ্তমান অসমৰ শিক্ষা জগতৰ মুৰব্বী গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীযুত দেৱ প্ৰসাদ বৰুৱাৰ লগতো আমাৰ শিৱিৰত সাক্ষাৎ হয়। তেখেতৰ মহানবাণী আমাৰ মনত চিৰস্মৰণীয় হৈ থাকিব।

শিৱিৰত থকা দিন কেইটাৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য দিনটো আছিল ২০-৭-৮৬ ইং তাৰিখ ৰবিবাৰ। উক্ত দিনা আমি এনে এখন ঠাইলৈ ভ্ৰমণলৈ গৈছিলো যিডোখৰ ঠাইত গৈ আমাৰ ভাল এটা ঐতিহাসিক জ্ঞান আহৰণ হৈছিল। যিডোখৰ ঠাইৰ বিষয়ে আ[...] কিতাপ পত্ৰত পঢ়িছিলো, কিন্তু নিজ চকু[...] কোনো দিনেই মনিব পৰা নাছিলো, ঠা[...] ডোখৰৰ নাম "পাথাৰি ঘাট"।

২১-৭-৮৬ ইং তাৰিখ সোমবাৰ ব্যক্তিগ[...] ভাৱে মোৰ কাৰণে দুঃখৰ দিন আছিল[...] কিয়নো সেই দিনা ৰাতিপুৱা যেতিয়া আ[...] শিৱিৰ এৰি আহিছিলো। তেতিয়া মো[...] অন্তৰত ইমান আঘাত লাগিছিল যে, মা[...] চকুলো ওলাবলৈ বাকী আছিল এনে এখ[...] শিৱিৰত আশ্ৰয় লবলৈ মোৰ অন্তৰখন আবে[...] কান্দি আছে।

এনে ভ্ৰমণে মানুহৰ মাজত গঢ়ি তু[...] শান্তি, ঐক্য, ভ্ৰাতৃত্ব, পাৰস্পাৰিক সহিষ্ণু[...] আৰু সহযোগিতাৰ ভাৱ। যি ভাৱৰ আ[...] য়ত গঢ়ি উঠে বিশ্বত শান্তি প্ৰতিষ্ঠা। মুঠ[...] এনেকুৱা ভ্ৰমণে আমাক বাস্তৱ জগতৰ লগ[...] পৰিচয় কৰাই দিয়ে। গতিকে আমি এ[...] কুৱা ভ্ৰমণৰ প্ৰতি আগ্ৰহশীল হোৱা উচিত[...]

—●—


(* ১৯৪৭ চনৰ অসম ছাত্ৰ সন্মিলনৰ অধিবেশনত দিয়া অভাষণৰ পৰা *)

"সেই শিল্পই আচল শিল্প, খাটি শিল্প, যাৰ দাপোনত জীৱন প্ৰতিফলিত; তাৰ মাজতে বিচা[...] পোৱা যাব যিবোৰ সংঘাত, সংগ্ৰাম আৰু প্ৰেৰণা, জয় পৰাজয় আৰু জীৱনৰ ভালপোৱা, [...] সকলো বিচাৰি পোৱা যাব এজন মানুহৰ সকলো কেইটা দিশ। যি জীৱন সম্পৰ্কে [...] ধাৰণা নিদিয়ে— সেয়েই হৈছে প্ৰকৃত শিল্প খাটি শিল্প।"

— নাজিম হিকমত

# নৱজ্যোতি মহাবিদ্যালয় ছাত্র একতা সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ভাৰপ্ৰাপ্ত বিষয় ববীয়াসকল ।

( চন ১৯৮৫-৮৬ ইং )



চিয়াৰত বহি থকা বাওঁফালৰ পৰা সোঁফাললৈ—

১। আয়নাল হ'ক (সহঃ গ্ৰন্থাগাৰ) ২। আবুল হোচাইন (কেচিয়াৰ) ৩। মজিবৰ ৰহমান (মুখ্য গ্ৰন্থাগাৰ) ৪। অধ্যাপিকা মিচেচ পাৰুল দাস (তত্বাঃ ছাত্ৰী জিৰণি কোঠা) ৫। অধ্যাপক ছোলেমান মণ্ডল (তত্বাঃ সমাজ সেৱা বিঃ) ৬। অধ্যাপক ওমৰ আলী আহমেদ (তত্বাঃ গুৰু খেল বিঃ) ৭। উপাধ্যক্ষ এম, মোজাম্মেল হোচাইন ৮। অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ (সভাপতি ছাত্ৰ একতা সভা) ৯। অধ্যাপক শ্ৰীমৃনাল কান্তি ভৌমিক (তত্বাঃ লঘু খেল বিঃ) ১০। আঃ খালেক (তত্বাঃ লঘু খেল বিঃ) ১১। অধ্যাপক শ্বেখ্ ওমৰ আলী আহমেদ ( তত্বাঃ আলোচনী বিভাগ ) ১২। অধ্যাপক শ্ৰীব্ৰজকিশোৰ শ্যামল (তত্বাঃ ব্যায়াম বিঃ) ১৩। অধ্যাপক দেৱান আঃ গফুৰ (তত্বাঃ তৰ্ক বিঃ) ১৪। অধ্যাপক শ্ৰীলম্বিত কোঁৱৰ ( তত্বাঃ আলোচনী বিঃ) ১৫। অধ্যাপক আঃ আজিজ চৌধুৰী ১৬। অধ্যাপক খন্দঃ আঃ গফুৰ (তত্বাঃ সাংস্কৃতিক বিঃ) ১৭। জাহাঙ্গীৰ খান (সাধাৰণ সম্পাদক)

থিয়হৈ থকা বাওঁফালৰ পৰা সোঁফাললৈ—

১। আবুল কালাম আজাদ (সঃ তৰ্ক বিঃ) ২। হুমায়ুন কবিৰ (উপ-সভাপতি ছাত্ৰ একতা সভা) ৩। নুৰুল ইছলাম (সম্পাদক আলোচনী বিভাগ) ৪। মিচ্ হাফিজা খাতুন (সম্পাদিকা ছাত্ৰী জিঃ কোঠা) ৫। আবুবাক্কাৰ ছিদ্দিক (সঃ গুৰু খেল বিভাগ) ৬। ৰফিকুল ইছলাম (সঃ ছাত্ৰ জিঃ কোঠা) ৭। আঃ মাতিন আহমেদ (সঃ সমাজ সেৱা বিঃ) ৮। আঃ গফুৰ (সহঃ সাঃ সঃ) ৯। আব্দুছ ছবুৰ (সম্পাদক লঘু খেল বিভাগ) ১০। মিনহাজুৰ জুন্নুন (সম্পাদক ব্যায়াম বিভাগ) ১১। শুকুৰ আলী আহমেদ (সম্পাদক সাংস্কৃতিক বিভাগ) ।

সন্মুখত বহি থকা বাওঁফালৰ পৰা সোঁফাললৈ—

১। মোঃ ইদ্ৰিছ আলী ২। আজাহাৰ আলী ৩। আঃ ৰহমান ।

Nabajyoti College Magazine

# ENGLISH SECTION

## 6 th Issue ★ Year 1985-86

EDITOR—
*NURUL ISLAM.*

# My Student Life

ABDUL HAMID
T.D.C .2ND YEAR (Arts)

(I)

O, my student life
Keep on going abright,
The teacher's do fight
All the year round,
Thou faceth light
A peny or a pound.

(II)

Takest thou thy meal
Ever not in time
Walkest on the way,
Never, but in vain,
Harsh though thy life's history
They happy heart is a mystery.

(III)

Thou can'st not look
Beyond the wall of passing marks,
To a world of bitering
That is thy bliss,
O, my student life
Keep on going abright
And let the teacher's do fight.

# "Seeking Thou"

*Shahjahan Ahmed*
*B. Sc. Ist Year*

Know all, that, you are only one,
And have no partner or son.
You have made us, and everything;
And those in the universe, what are unseen.
The sun, the moon, the starry sky;
The land, the sea, the mountain high.
You know, what we think or act;
You see, the seen and unseen fact.
You make, you keep, you save, you kill ;
And only you do, what you will.
I much greatfull for your mercy that going on
Your's good gift, food to eat,by what we live on
Thank you, for your just and love the right;
The wrong is hatefull to your sight.
I love your love, true and equal to all,
Which attract and attend me to your call.
I can'nt understand your invisible might;
I, a tiny and tiny creature to your sight.
But only I pray to know what I am
and you are ?
What is the fact, you and me and how
near or far ?



# Nehru As An Administrator

*Md. Abdul Hamid*
*T. D. C. 2nd Year (Arts)*

Present day India is indebted to Nehru's deep far- sight Revenue, national income and fiscal matters of the country were of immediate concern for him. His intention was to revitalise the economy of India. But if the economic revolution of India did not take effect it was because Nehru could not have been a tough administrator And he could not be harsh because he was a promoter of democracy and upheld the individualistic views

It is largly accepted that after independence whatever has been achieved in India is accreditted to Nehru. The industrial machinaries and scientific and technical institutions established in India are all due to the gen'ousness of Nehru.

The ways of industrial and technical revolution would, however affect the age old customs and values partially or in whole. Inspite of his sincere motives for unlift ment and wellbeing of countryman. Nehru was opposed to achieving all these at the cost of woundiug others feelings and barring other people opportunity for growth and progress. Nehru adopted the policy of planning. With the help of planning the over all achivement of a nation at all levels become feasible and materialised in a high degree and with less cost. India has so far undergone a series of five year plans. It is however, regrettable that planning in India failed to achieve the expected results.

The failure of India planning to achieve the desired results is attributted sometimes to Nehru and his lack of ability in administra-

tion. Not only planning but also many vital issues relating to political and economic life were allowed to drift. The administrative machinary could not be more alert and the inevitable result was India loss in the field of emotional integration and socio-economic development. Nehru was one who was the prime minister of India for over seventeen years. It is argued that if Nehru had been more successful in the adminitration of India the Govt machinery would not have been as it is today. Nehru himself was the chairmen of the planning commission. Yet he was helpless to turn the giant organisation to be effective and to produce good results.

Nehru held unquestionable power and authority, yet he avocated decentralisation of power. He had his own preferences and decissions and his colleagues did not dare to oppose him. On the contrary he failed to check the misure of power which was commitled by some of his colleagues, through he himself was in possessions of high standards of morals. Though he was aware that controls and licences would lead to corruption yet he introduced on over-whelming number of controls and licences and that too in theoritical grounds. Authoritative people, both in India and abroad, many of whom included Nehru's own admirers, observed without malice pointing to these as the greatest stumbling blocks in Iudian's path of economic progress. The result was mounting crruption lethergy, delay and indecision. Controls and licences were introduced based on ideology which often proved to be diverted from the actual needs of the situation.

The question of nationalisation of banks and co-operative forming formed the key to his socialistic pattern of society. Both on theoritical and practical grounds he was convinced of its desirability. But his conviction was often defeated by arguements of those opposed him and sometimes he become watered down by his own colleagues in the field of administratation.



The concept of unilingual states was originated by Gandhiji. Nehru was one who had the opportunity to watch the fast changing political economic and social climate in India and he should have resisted and opposed firmly such linguistic devission of the country. As a result now such devission poses a threat to the countries emotional integration. Nehru's pre-occupation with foreingn affairs was often at the cost of Indian's economic development.

It is neccessary to point out that most of his colleagues, both at the centre and in the states had shown no zeal to implement many of the policies and programmes conected with his theory of socialistic pattern of society. And these were put in cold storage Nehru was aware of the unfortunate phenomena. But he could do little because he had the compulsion, to retain then, in his cabinate to achieve the balances political regional and also communal.

He had also to put up with a civil service. It was slow in adopting itself to the needs and aspirations of the post independence era. They often opposed as they pretened that they knew better then the policy makers. Nehru could do precious little to bring about a radical change in the outlook. Nehru was averse to compulsion or force. He was actually conscious of the weakness and failures of man. He was less inclined to control and restrict human nature by legistlation and even thought it unneccessary if not impossible. Nehru was aware of the corruption and inefficiency of the India administration. But he hesitated to hurt and punish a body of men who were he thought "clean" and "efficient"

Nehru was responsive to criticism and public opinion for an instance, the eighteenth Constitutional Ammanment was possed at the first stage. But Nehru saw there was much public criticism against it and he dropped it. Similarlly in response to public criticism he set aside the proposition that the Low Minister should become the atorney General.

Nehru's democratic and humanistic concept had created in him unwarering faith in the liberty and uninhabited growth of the individual. He used to say "We are not merely out to get more money and more production. We ultimately want better human beings".

Thus while Nehru's administration is subject to scruting, not only its failures and inabilities should be in the forefront. Nehru respected democratic values and institutions. He was anxious as well not to hurt people and the limitations imposed by such human feelings in acting sternly and this deserves attention. An examination, devoid of such consideration will cause irreparable loss and damage to the high human and democratic ideals consistently practised by the maker of modern India.

# Party and Politics.

*M. Mozammel Hussain.*
*Vice-Principal.*

In modern times everybody either directly or indirectly is involved in politics. Politics influences the life of every individual. In other words, he feels the effects of it in every aspect of his life. To speak more evidently, an individual's way of life can not be delinked from the stream of state-politics . With the advent of democracy and democratic systems of governments peoples involvement in politics becomes not only necessary but also binding. The citizens of a democratic state are constitutionally obliged to exercise powers of enfranchisement in order to from a government of their choise so that they can fulfil their aspirations through it. The prosperity of a state and its people as a



whole can be attained only by a popular government which shapes the life of the people in the manner they desire. It also shapes the pattern of the society and formulates the basic policies and programmes of the state as wanted by the people so, in no way an individual can be estranged from the state. He is, on the otherhand, an integral part of it,and has no way to escape from it.

In the days of the Emperors like Akbar, Shajahan Aurangeb the common people had no say in the administration of the state. They were kept away from the politics of the state. The system of government was an inherited one, the son ascended the throne on the death of his father. It was a monarchical system, a rule of one man. In such a system the will of the king or the Emperor prevailed. The people patiently and silently accepted the rule imposed upon them by the Monarch. Situation has now totally changed. Power is now transferred to the people. The people in the changed situation have to participate directly and actively in the affairs of the state. Democracy has developed to such an extent that both men and women have got equal share in the administration. Now, no one can deny the right of a woman to contest an election and even to rule the state. In Pakistan when Miss Fatima Zinnah contested the Presidential election against Ayub Khan some 23 ulemmas issued a fatua (religious decree) calling her a kafir, as according to them, women should be prohibited from taking active parts in public life. But, now in the same state of Pakistan Miss Benazir Bhutto is leading the forces fighting for democracy, and the people of Bangladesh, a territorial wing of the then Fakistan have elected a woman Sheikh Hasina Wazed by name as a member of the Sangsad (parliament). We have seen all these changes coming with the dawn of democracy. Women have asserted their rights now and occupied the highest elective posts of the state. The late Prime Minister Mrs. Indira Gandhi in India, the Prime Minister of Great Bretain Mrs. Margaret Thratcher and the president of Phillipines Mrs Corazon Acquinno,-all these are the examples of achievements that women have set in politics.

Political party is the most im-

portant factor in democracy. Democracy without political parties is no democracy at all. Democracy can exist and flourish where political parties have full liberty to carry on their political activities. Democratic values can not sustain in one-party system even. Countries like Russia and China have, on this ground, been subjected to a scathing criticism by the advocates of democracy. It may be concluded that democracy without poltical party is meaningless. A political party to be helpful in the working of democracy must have a clear-cut programme, a perspective ideology and must conform to the tradition, culture and tastes of the people of the state. It must have distinct economic programme and a comprehensive foreign policy based on the needs of the people. In short, a political party must include in its programme the basic needs of the people so that they can through it fulfil their aspirations of life. The world-politics today is determined by the ideas like capitalism, socialism, democratic socialism and communism. The conflict between the East and the West, I mean the U.S.S.R. and the U.S.A, signifies the Wars of political ideologies. Russia is following the communistic way, a political 'ism' enunciated by Karl Marx while the United states of America is professing the capitalistic system of private enterprise based on free-trade and competition. India, on the other-hand, is following the middle path. She is committed to establish a socialistic pattern of society based on the ideas of democratic socialism as desired by her people. A political party must work on any of these ideas. From the above discussion it is absolutely clear that 'politics' 'state' 'political party' and 'citizens' are inseparably related to one another. So, an individual is to support a political party either directly or indirectly in the greater interest of his own self, society and the state, and in doing so he must believe in a political ideology. Political stability comes into existence when a political party with a clear-cut programme is voted to power. Since people are ultimately to decide as to which party is to rule the destiny of the nation largely depends on them. The people can make a nation great by their wise political decision. At the same time a nation suffers for a long time if the people take to wrong political decision· Generally, such a danger comes from the people lacking in political ideology. Social chaos, confusion and uncertainly also arise from the people and the politicians who always move in political doldrums. ●



# Idiosyncrasy of three Romantic Poets.

*A, S Ahmed* M. A.
Principal Nabajyoti College,
Kalgachia.

During the last quarter of the 18th century English literature anticipated enrichment of its gamut with contribution of literary art from so many Romantic poets. And definitely during the first quarter of the nineteenth century William wordsworth, P. B. shelley, John keats, Lord Byron, S. T. Coleridge, Tennyson and some other few romantic poets brought about a new era which is called the revival of the neo-romantic age.

These romantic poets had deep interest in nature not as a centre of beautiful scences but as an informing and spiritual influence on life. They had a definite break of ideas from the traditional trend which chaucer, spencer or John Milton or Pope or William Blake maintaind. Before these romantists the poets mentioned above made verses out of Legend or knowledge which is Common to humanity. But the romantic poets looked into thamselves, seeking in their own lives for strange sensations.

These romantic poets had idiosyncratic views in their romantic imaginations. I shall discuss William Wordsworth, P. B. shelley and John keats on their respective idiosyncrasy.

William Wordsworth, it is stated sometimes, was the greatest of the romantic poets in English iterature. He was a poet of nature. He thougt man has deep relation with nature. His 'Prelude' which may be called his autobiography of his poetic life is the best testimony in which he has described vividly how he acquired poetic vision and thoughts right from the early period of his childhood, he had good notion about man but this view was disturbed by the French revolution and its effect. His nuisance got repose only when

he returned to his own world of nature with either his sister Dorothy William or his beloved Annette Vallon the French girl. His dull state of mind could be influenced by 'The Daffodils' or The Cuckoo or the 'Solitary Reaper'. His own view regarding poetic feeling, lies in his own words and that is that poetry is the out come of 'a spontaneons over - flow of powerful feeling'. His whole strength of 'powerful feeling' was spent in the world of nature which he animated according to his hearts desire.

P. B. shelley another romantic poet with rebelling spirit from his College and university days had different romantic ideas. He Loved, like William Wordsworth birds and nature. But unlike Wordsworth he got strength from birds and nature to rebel against the corrupt society which he wanted to purify. He wanted to 'fly as a wave a leave and a cloud' and he fell, 'upon the thorns of life'. His poetic drama, 'Prometheus unbound' is the best testimony of his view of life. He thought once society is purified man will have peace on earth. He wanted freedom of human soul. He supperted Romsseau who said, 'man is born free but he is every where in chain'. He showed union of love and purity and the fall of tyranny in 'Prometheus unbound'. The best desciple of Godwin whose daughter Mary Godwin his second wife influenced him much, shelley invoked the spirit of the west wind saw fall of pride in 'Ozymandias of Egypt. He felt disappointed and looked through the skylark.

We look before and after
 And pine for what is not
Our sincerest laughter
 With some pain is fraught
Our sweetest songs are those
 That tell of saddest thought

Shelley wanted purity of human soul which cau be attained by love, For this he had to fight and be expelhd from Oxford university, he had to write 'Necessity of Atheism'. But even though this giant was never a pessimist or else he could not be ableto write. 'If winter comes, can spring be fan behind ?'



John keats, the youngest romantic poet who was born last but who died first had to suffer much. Himself a sufferer of consumption he had to bear the anguisnment for the death of his brother John in a very young stage. He was in search of happiness and beauty. It is beauty or the perception of beauty which created happiness for him. His perception was intensified by his imagination. He found it easy to pursue imagination by his vast study of Greek and Roman archaelogy. He, by his imagination wanted to forget this world where life is full of cores and anxieties, trials and tribulations and sorrows and sufferings. According to him man can achieve no happiness in his short span of life on earth. So his momentary happiness evolved out of strong immagination is the source of joy for man's life. He never pointed out to the next life which Robert Browning had a nation about and of which he said, 'the pretty done and undone vast.'

Keats's entire hope and frustration rested on the affairs of this world of ours. His Endymion, Lamia and Isabella are proper testimony of his attitudes reganding man's life on earth. His 'Odes' are sources of joy and delight for him. 'Heard melodies are sweet; but those unheard are sweeter' in 'Gracian urn' fascinated him deeply for which he forgot himself and could write such beautiful lines,

Though these three romantic poets belonged to the same trend and tradition, they differed in their idiosyncrasy.

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

চন ১৯৮৫-৮৬ ইং



# বিভিন্ন বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদনৰ শিতান

# ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন।

জয় জয়তে মই নৱজ্যোতি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী, বন্ধু বান্ধৱীলৈ অভিনন্দন গবঢ়ালো। পশ্চিম বৰপেটা আৰু পূব অভয়াপুৰী এই বৃহৎ জনবসতিপূৰ্ণ অঞ্চলৰ সাহিত্য ংস্কৃতিৰ একমাত্ৰ প্ৰাণ কেন্দ্ৰ নৱজ্যোতি মহাবিদ্যালয়। এই মহান অনুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী কলৰ নেতৃত্ব লবলৈ যিসকলে মোক উৎসাহ, উদ্দীপনাৰে সহায়, সহযোগ আৰু উপদেশ আগবঢ়ালে ইসকল মহান ব্যক্তিলৈ মোৰ অজানিতে কৰা ভুল ত্ৰুটিৰ ক্ষমা বিচাৰৰ লগতে আন্তৰিক দ্ধাঞ্জলি আগবঢ়ালো।

প্ৰতিবেদনৰ আৰম্ভনিতে মই এষাৰ কথা আপোনালোকক কবলৈ বাধ্য হলো যে, "কোনো তুনত্ব নোহোৱাকৈ গতানুগতিক ভাবে মই মোৰ কাৰ্য্যভাৰ চলাই গলো।" এই গুৰু দায়িত্ব াৰ লোৱাৰ পিছত মই যিখিনি কাম কৰিবলৈ সক্ষম হৈছিলো, তাৰ এটা থূল মূল বিৱৰণ আপোনালোকৰ আগত দাঙি ধৰিলো।

**ক) বাৰ্ষিক কলেজ মহোৎসৱ কলেজ সপ্তাহ পালন—** প্ৰত্যেক বছৰে আমাৰ মহা-বিদ্যালয়ত বাৰ্ষিক কলেজ মহোৎসৱ, কলেজ সপ্তাহ পালন কৰা হয়। সেই হিচাবে এইবেলি বিভিন্ন কাৰ্য্য-সূচীৰে এক সপ্তাহ জোৰা বাৰ্ষিক কলেজ মহোৎসৱ তথা কলেজ সপ্তাহ উলহ-মালহেৰে পালন কৰা হয়। এটা কথা বিশেষ মন কৰিবলগীয়া যে, এইবাৰ অনুষ্ঠিত হোৱা কলেজ সপ্তাহ অইন বছৰতকৈ বিশেষ মনোগ্ৰাহী আৰু সকলো ফালৰ পৰা জাক-জমকতাপূৰ্ণ ভাবে পালন কৰা হয় বুলি কলেও বঢ়াই কোৱা নহয়। প্ৰতিযোগিতা সমূহ আধুনিক ধৰ্মী আৰু আকৰ্ষণীয় হয়। কলেজ সপ্তাহৰ শেষ দিনা বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। এই সভাৰ সভাপতিৰ আসন গ্ৰহণ কৰে আমাৰ মাহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে, তেখেতে যোগদান কৰি আমাক আনন্দিত কৰে। ইয়াৰ উপৰি মূখ্য অথিতি সকল আৰু নিৰ্দ্দিষ্ট বক্তা সকল উপস্থিত থাকি আমাক আনন্দিত কৰা বাবে কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। বঁটা বিতৰণী সভা সমাপ্ত হোৱাৰ পিছত সক্ৰিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

**খ) মহৰম আৰু ফাতেহা-ই-দোৱাজ দাহম উৎসৱ পালন—** অইন বছৰৰ দৰে এইবাৰো আমাৰ কলেজত পৱিত্ৰ মহৰম আৰু ফাতেহা-ই-দোৱাজ দাহম উৎসৱ চিৰাচৰিত নিয়ম অনুযায়ী ধৰ্মীয় গাম্ভীৰ্য্যপূৰ্ণ ভাবে পালন কৰা হয়।

**গ) শোক সভা—** সৃষ্টিৰ আদিৰে পৰা এচাম মানুহ আমাৰ মাজলৈ আহি আছে আৰু এচাম মানুহে গৈ আছে। সেই সকলৰ ভিতৰত কিছুমান ব্যক্তিয়ে আমাৰ মাজৰ পৰা অজানিতে আমাক এৰি আতৰি যায় তেখেত সকলৰ আত্মাৰ সৎগতি আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি শোক সভা পালন কৰা হয়।

ঘ) "নৱাগত আদৰণি সভা— নতুনক সাদৰে গ্ৰহণ কৰাটো প্ৰকৃতিৰ চিৰন্তন নীতি।" প্ৰকৃতিৰ নীতিৰ লগত ৰজিতা খুৱাই অইন অইন বছৰৰ তুলনাত এইবাৰ বেছি জাক জমকতাপূৰ্ণ আৰু শৃংখলাবদ্ধ ভাবে নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। বিশেষ মন কৰিবলগীয়া যে, নৱজ্যোতি মহাবিদ্যালয় স্থাপন হোৱাৰ পৰা "নৱাগত আদৰণি সভা" এনে জাক জমকতাপূৰ্ণ ভাবে সমাপ্ত হোৱা নাই বুলি আমি সকলোৱে স্বীকাৰ কৰিব লাগিব। আন এটা বিশেষ মন কৰিবলগীয়া কথা হ'ল— মোৰ কাৰ্য্য কালতে অসমৰ শিক্ষা জগতৰ মুৰব্বী গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য সন্মানীয় শ্ৰীযুত দেৱ প্ৰসাদ বৰুৱা দেৱৰ আগমন আমাৰ দুখীয়া ৰাইজৰ শিক্ষাৰ প্ৰাণ কেন্দ্ৰ নৱজ্যোতি মহাবিদ্যালয়লৈ। এয়া শ্ৰীযুত বৰুৱাৰ প্ৰথম পদক্ষেপ নৱজ্যোতি মহা বিদ্যালয়লৈ। ই আমাৰ গৌৰৱৰ কাৰণ। ইয়াৰ উপৰিও মুখ্য অতিথি, নিৰ্দ্দিষ্ট বক্তা আৰু স্থানীয় মুখীয়াল মুখীয়াল ব্যক্তি সকল সভাত যোগদান কৰি আমাক সুখী কৰে। সভাৰ শেষত লঘু মিঠাই বিতৰণ কৰা হয়, সন্ধিয়া বিশিষ্ট শিল্পী সকলৰ দ্বাৰা সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয়।

ঙ) শ্বহীদ বেদী নিৰ্মান— ১৯৮৫-৮৬ ইং চনৰ নিৰ্ব্বাচিত ছাত্ৰ একতা সভাৰ সদস্য বৃন্দৰ সহায় সহযোগিতাৰে মোৰ কাৰ্য্য কালত "শ্বহীদ বেদী" নিৰ্মাণ কৰিবলৈ সক্ষম হওঁ। এইটোৱেই নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰথম "শ্বহীদ বেদী।"

চ) অন্যান্য কিছুমান দায়িত্ব পালন— বৰ্ত্তমান বিংশ শতাব্দীৰ আধুনিক যুগ। এই কুৰি শতিকাৰ সমাজত এহেজাৰ একুৰি সমস্যাৰে জৰ্জৰিত নৱজ্যোতি মহাবিদ্যালয়। এই মহান অনুষ্ঠানখন বৰপেটাৰ পশ্চিম অঞ্চলৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান। কিন্তু ইয়াৰ আৰ্থিক অৱস্থা তেনেই শোচনীয়। এই শোচনীয় অৱস্থাৰ লগত খোজ মিলাই কলেজখনৰ বিভিন্ন সমস্যাবোৰৰ সমাধানাৰ্থে মোৰ কাৰ্য্যকাল ছোৱাত ছাত্ৰ একতা সভাৰ ভূমিকা প্ৰশংসনীয়। কলেজ কতৃপক্ষৰ ওচৰত বিভিন্ন সমস্যা সমূহ সমাধানৰ বাবে দাবী জনাই কিছুমান ক্ষেত্ৰত সুফল হোৱাটো প্ৰশংসনীয়। বিশেষকৈ মোৰ কাৰ্য্যকাল ছোৱাত পূৰণ হোৱা কিছুমান অভাৱৰ বিষয়ে আপোনালোকক অৱগত কৰিবলৈ ওলাইছো।

প্ৰথমতে মোৰ কাৰ্য্যকালতে ছাত্ৰ একতা সভাৰ সদস্য বৃন্দই "বিলজাৰ" লাভ কৰাৰ সুবিধা পালে। এয়া আমাৰ মহাবিদ্যালয়ৰ প্ৰথম "বিলজাৰ"ৰ প্ৰচলন।

দ্বিতীয়তে, মোৰ কাৰ্য্যকালতে ছাত্ৰ সকলে আহল বহল এখন জিৰণী কোঠা লাভ কৰে।

তৃতীয়তে, ছাত্ৰী জিৰণী কোঠা আছিল যদিও সেয়া উন্নত ধৰণৰ নাছিল। মোৰ কাৰ্য্যকালতে কিছু পৰিমানে হলেও আগতকৈ বেছি উন্নত কৰা হয়।

চতুৰ্থতে, নামাজৰ কাৰণে এখন কোঠালী আচুতীয়া কৰি দিয়া হয়।

পঞ্চমতে, ছাইকেল ইষ্টেণ্ড আছিল যদিও তাত ছাইকেল থোৱা সম্ভৱ নাছিল। যিটো কাৰ্য্য মোৰ কাৰ্য্যকালত সম্ভৱ হৈ উঠিল।

ষষ্ঠতে, মোৰ কাৰ্য্যকালত বিজ্ঞান শাখাৰ সাঁ-সজুলিৰ সংখ্যা বৃদ্ধি কৰা হয়।

সপ্তমতে, প্ৰায় পাঁচশ ল'ৰা-ছোৱালী বহিব পৰাকৈ এখন স্থায়ী অডিটৰিয়ামৰ দাবী কলেজ কৰ্ত্তীপক্ষৰ ওচৰত উত্থাপন কৰা হয়। পাছত দাবীৰ ভিত্তিত বৰ্ত্তমানত এখন স্থায়ী অডিটৰিয়ামৰ কাম চলি আছে।



ওপৰোক্ত অভাৱবোৰ মোৰ কাৰ্য্যকালত পূৰণ কৰা হয়। [illegible] অভাৱ আংশিক ভাৱে পূৰণ কৰা হৈছে। আশা ৰাখিছো পিছৰ বছৰত গঠিত হোৱা ছাত্ৰ একতা সভাই কতৃপক্ষৰ লগত যোগা যোগ কৰি অভাৱবোৰ পূৰণ কৰিবলৈ ত্ৰুটি নকৰিব।

ইয়াৰ বাহিৰেও আমাৰ কলেজত বহুত অভাৱ অভিযোগ লক্ষ কৰা যায়। এই অভাৱ অভিযোগৰ বিষয়ে আমি বহুতো আলোচনা কৰিছো। সেই বিষয়ে আৰু কবলৈ নেযাওঁ। মাত্ৰ এইখিনিয়ে জনাই থওঁ যে, আমাৰ মহাবিদ্যালয়ৰ খেল পথাৰৰ অভাৱ। গতিকে স্থায়ী খেল পথাৰ এখনৰ বিশেষ প্ৰয়োজন। আমাৰ কলেজৰ স্থায়ী কেণ্টিন এখন নাই। গতিকে কেণ্টিন স্থায়ী কৰাৰ বিশেষ দৰকাৰ। ছাত্ৰাবাসৰ পৰিবেশ আধুনিক কৰা নিত্যান্তই প্ৰয়োজন।

বিজ্ঞান শাখাৰ সাঁ-সজুলি আছে যদিও পৰ্য্যাপ্ত পৰিমানৰ নহয়। গতিকে আশা ৰাখিছো পিছৰ বছৰত গঠিত হোৱা ছাত্ৰ একতা সভাই কতৃপক্ষৰ লগত যোগা যোগ কৰি অভাৱবোৰ পূৰণ কৰিব।

কৃতজ্ঞতা স্বীকাৰ— যিসকলৰ মৰমৰ দাবী আৰু সু-উপদেশত মোৰ কাৰ্য্যকাল চলাবলৈ সক্ষম হৈছো সেই সকলৰ ওচৰত মোৰ সম্পাদকীয় কাৰ্য্যকালতেই নহয় গোটেই জীৱন তেখেত সকলৰ ওচৰত ঋণীহৈ থাকিম। ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, আৰু মোৰ কাৰ্য্যত সু-উপদেশ দিয়া শিক্ষাগুৰু সকলৰ ওচৰত মই ভক্তি আৰু শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। লগতে মোৰ সকলো কামতে সহায় কৰা সমাজ সেৱা বিভাগৰ সম্পাদক অঃ মতিন, আলোচনী সম্পাদক নুৰুল ইছলাম, সংগীত আৰু সাংস্কৃতিক সম্পাদক শুকুৰ আলী, লঘু খেল বিভাগৰ সম্পাদক ছবুৰ আলী, ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হাফিজা খাতুন, নুৰজাহান, ছালেহা খাতুন, আনোৱাৰা খাতুন, ৰুস্তম আলী, আব্দুৰ ৰহিম, ইকবাল, আদিলৈ মই শলাগৰ শৰাই আগবঢ়ালোঁ।

সৰ্বশেষত অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ নামত হিংসা আৰু অন্যায়ৰ বা মাৰলীত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদলৈ মোৰ ভক্তি ভৰা শ্ৰদ্ধাঞ্জলি নিবেদিছো লগতে, নৱজ্যোতি মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি আৰু ভৱিষ্যত উজ্বল কামনাৰে মোৰ প্ৰতিবেদন সামৰিছোঁ।

—জয়হিন্দ—

জয়তু নৱজ্যোতি মহাবিদ্যালয়।

জয়তু নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভা

ধন্যবাদেৰে,

**জাহাঙ্গীৰ খান**

সাধাৰণ সম্পাদক।

# লঘু খেল বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন ।

মোৰ প্ৰতি বেদনৰ আদিম পুৱাতে আমাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু অধ্যাপক, অধ্যাপিকা সকলোলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। লগতে এই মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগৰ সম্পাদক হিচাবে মোক বিপুল ভোটেৰে বিজয়ী কৰিছে সেই সকললৈ মোৰ হিয়া ভৰা মৰম আৰু আন্তৰিকতা আগবঢ়ালোঁ ।

১৯৮৫-৮৬ ইং চনৰ বাবে নৱজ্যোতি মহাবিদ্যালয়ত মই লঘু খেল বিভাগৰ যি গুৰু দায়ীত্ব বহন কৰিছিলো আৰু তাত কিমান দূৰ সফলতা অৰ্জন কৰিব পাৰিছোঁ সেইখিনি বিবেচনা আপোনালোকৰ ওচৰতেই যাচিলো ।

প্ৰতি বছৰৰ দৰে এই বছৰো নানা সমস্যাৰ মাজেদি "মহাবিদ্যালয় সপ্তাহ" পালন হৈ যায় । কিন্তু পৰিতাপৰ বিষয় যে আশানুপাতে খেল অনুষ্ঠিত কৰিব পৰা নগল । ইয়াৰ প্ৰথম কাৰণ হ'ল অৰ্থৰ অভাৱ আৰু দ্বিতীয় কাৰণ প্ৰতিযোগীৰ অভাৱ ।

মোৰ এই প্ৰতিবেদনৰ জৰিয়তে আমাৰ মহাবিদ্যালয়ৰ লঘু খেল বিভাগত পোৱা অসুবিধা সমূহৰ বিষয়ে মহাবিদ্যালয়ৰ কতৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে প্ৰয়োজনুপাতে খেল সামগ্ৰীৰ ভালেখিনি অভাৱ আছে । বিশেষকৈ টেবুল টেনিজ খেলৰ সামগ্ৰী প্ৰায়েই নাই। গতিকে কতৃপক্ষৰ ওচৰত টানি অনুৰোধ জনাও যাতে মহোদয়ে খেল সামগ্ৰী বৃদ্ধি কৰি খেলৰ মান দণ্ড অলপ উন্নত কৰে । লগতে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলোলৈ মোৰ আবেদন থাকিল যাতে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে খেলত উৎসাহেৰে যোগদান কৰি খেলৰ মানদণ্ড বজাই ৰাখে ।

মোৰ কাৰ্যকালৰ ভিতৰত মোৰ ওতঃপ্ৰোত ভাৱে জড়িত থাকি সহায় কৰা অধ্যাপক সকলক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ । লগতে যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়েও ওতঃপ্ৰোত ভাৱে জড়িত থাকি মোক সহায় কৰিলে সেই সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ আগবঢ়ালোঁ ।

সদৌ শেষত মোৰ অজানিতে কৰা ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি তথা নৱজ্যোতি মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰে দীৰ্ঘায়ু কামনা কৰি মই মোৰ প্ৰতিবেদনৰ আৰকাপোৰ টানিলোঁ ।

ধন্যবদেৰে—

আব্দুছ ছবুৰ অহমেদ ।
সম্পাদক, লঘূ খেল বিভাগ ।



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন ।

অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ নামত অসম মাতৃৰ যিসকল জ্ঞাত অজ্ঞাত বীৰ, বীৰাঙ্গনাই হিংসা আৰু অন্যায়ৰ বা মাৰলিত আত্মাহুতি দিলে সেই সকল বীৰ শ্বহীদলৈ মোৰ প্ৰতিবেদনৰ বুলনিতেই ভক্তিৰে সোঁৱৰী শত সহস্ৰবাৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ । আৰু লগতে নৱজ্যোতি মহাবিদ্যালয়ৰ শ্ৰদ্ধাস্পদ সমূহ শিক্ষাগুৰু আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ । আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে সমাজ সেৱা বিভাগৰ নিচিনা গুৰুত্বপূৰ্ণ কামটো চলাবলৈ বহুতো আশা আৰু মৰমেৰে মোক নিৰ্ব্বাচিত কৰাত মই সচাঁকৈয়ে বৰ আনন্দিত হৈছো । আশা কৰা মতে মই কামত কিমান দূৰ আগবাঢ়িব পাৰিছো সেইটো বিচাৰৰ ভাৰ আপোনালোকৰ ওচৰত থৈ দোষ-ক্ৰুটিৰ বাবে ক্ষমা মাগিছোঁ ।

অৱশ্যে এই কথা আমি সকলোৱে মুক্ত কণ্ঠে স্বীকাৰ কৰিব লাগিব যে, সমাজ সেৱা বিভাগৰ কামৰ তুলনাত অৰ্থৰ পৰিমান তেনেই তাকৰ । গতিকে সীমিত অৰ্থৰ লগত খোজ মিলাই যিমান দূৰ আগবাঢ়িব পাৰি সিমান দূৰ আগবাঢ়িছো বুলি মোৰ বিশ্বাস । আনহাতে এটা কথা উনুকিয়াই দিয়াটো সমীচীন হব বুলি মই ভাবো, আমাৰ মহাবিদ্যালয়ত সমাজ সেৱা বিভাগত পৰ্য্যাপ্ত পৰিমানৰ সা-সজুলিৰ নাটনী লক্ষ কৰা যায় । আশা ৰাখিছোঁ ইয়াৰ পিছৰ বছৰৰ পৰা সাঁ-সজুলি বঢ়োৱাৰ ক্ষেত্ৰত যথা-যথ ব্যৱস্থা হাতত লব ।

সমাজ সেৱা বিভাগৰ উদ্দেশ্য যদি সমাজখনক উন্নতিৰ পথত আগবঢ়াই নিয়া হয়, তেনে-হলে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ ইয়াৰ প্ৰতি ইমান অমনোযোগ কিয় ? প্ৰতিযোগি-তামূলক কামত ছাত্ৰ-ছাত্ৰীৰ যোগদানৰ পৰিমান দেখি ভাৱ হয়, বোধহয় ছাত্ৰ-ছাত্ৰী সকলে ইয়াৰ আৱশ্যকতা উপলব্ধি কৰিব পৰা নাই। তেওঁলোকে ভাবি নাচায় যে, নিজৰ শিক্ষানুৰ্ষ্ঠানত পিচপৰি থকা কামবিলাক তেওঁলোকে নিজে নকৰিলে আন কোনোৱে আহি কৰি নিদিয়ে। ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকল, আমি আহি আহি আজি কুৰি শতিকাৰ মাজত ভৰি দিছোঁ । এই বিংশ শতিকাৰ মানৱ সমাজত বাস কৰা লালিত-পালিত মানৱ বিভিন্ন সমস্যাৰে জৰ্জৰিত । এই সমস্যাৰ সমাধান কৰিবলৈ হলে আমি প্ৰত্যেকজন ব্যক্তিয়েই কৰ্মসূচী হব লাগিব । গতিকে পিচলৈ আশা ৰাখিছোঁ নিজৰ শিক্ষানুৰ্ষ্ঠানটোক উন্নতিৰ পথত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত যিকোনো কামতে ছাত্ৰ-ছাত্ৰীসকলে সহযোগ কৰিব ।

এইখিনিতে উল্লেখ ৰাখিব বিচাৰিছোঁ, যোৱা "মহাবিদ্যালয় সপ্তাহ" উপলক্ষে পতা প্ৰতি-যোগিতামূলক সমাজসেৱা কামত চাৰিজন ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰ সহ প্ৰমাণ পত্ৰ দিয়া হয় আৰু এটি বিশেষ মন কৰিবলগীয়া কথা যে, মোৰ কাৰ্যকালতেই যোৱা ১৯৮৬ ইং চনৰ গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ অধিনত অনুষ্ঠিত হোৱা মংগলদৈ মহাবিদ্যালয়ত "ৰাষ্ট্ৰীয় সেৱা আচনি"ৰ পাঁচদিনিয়া

শিৰিৰত আমি আমাৰ নৰজ্যোতি মহাবিদ্যালয়ৰ পৰা যোগদান কৰোঁ। ই আমৰ পৰাজয়ৰ কাৰণ নহয়, ই আমাৰ গৌৰৱৰ কাৰণ।

মোৰ প্ৰত্যেকটো কামত সুচাৰুৰূপে চলোৱাৰ কাৰণে নানা উপদেশ আৰু পৰামৰ্শৰে সহায় কৰা মাননীয় ভাৰপ্ৰাপ্ত অধ্যাপক আৰু সন্মানীয় অধ্যক্ষকে আদি কৰি সমূহ অধ্যাপকবৃন্দৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও মোৰ বিভিন্ন কামত পূৰ্ণ সহযোগ কৰা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক মৰম চেনেহ প্ৰীতি ও শুভেচ্ছা থাকিল।

শেষত মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন আগবঢ়াইছোঁ। মোৰ অজানিতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ লগতে নৰজ্যোতি মহাবিদ্যলয়ৰ সমাজ সেৱা বিভাগৰ ভৱিষ্যত উজ্বল কামনা কৰিলোঁ।

এতিয়া আহক ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকল, আমি কৰ্মবিমুখ নহৈ হাতে হাতে হাত ধৰি আমাৰ আৰু আমাৰ মহাবিদ্যালয়ৰ মঙ্গলৰ বাবে শ্ৰমদান কৰিবলৈ আগবাঢ়ি যাওঁ। আমি প্ৰত্যেকেই নিজৰ দৈনন্দিন কামখিনি কালৈকো অপেক্ষা নকৰি, কাৰো ওপৰত নিৰ্ভৰ নকৰি কৰি যাওঁ। পৰাপক্ষত পিতৃ-মাতৃকো ঘৰুৱা কামত সহায় কৰোঁ। তেতিয়া ঘৰখন, সমাজ আৰু দেশৰ মঙ্গল হব লগতে একোখন মহান অনুষ্ঠানৰ উন্নতি হব।

জয়হিন্দ—

আব্দুল মাতিন আহমেদ।

সম্পাদক,

সমাজ সেৱা বিভাগ।



# গুৰু খেল বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন।

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ নৰজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু লগতে অধ্যাপক, অধ্যাপিকাসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী নিবেদিছোঁ। লগতে নৰজ্যোতি মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোক ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাবে বিনা প্ৰতিদ্বন্দ্বীতাৰে বিজয়ী কৰিছিল সেইসকললৈ মোৰ হিয়াভৰা মৰম আৰু আন্তৰিকতা আগবঢ়ালোঁ।

১৯৮৫-৮৬ ইং চনৰ বাবে নৰজ্যোতি মহাবিদ্যালয়ত মই গুৰু খেল বিভাগৰ যি গুৰু দায়ীত্ব বহন কৰিছিলো আৰু তাত কিমানখিনি সফলতা অৰ্জন কৰিব পাৰিছো সেই খিনি বিবেচনা আপোনালোকৰ ওপৰতেই যাচিলোঁ।

প্ৰতি বছৰৰ দৰে এই বছৰো নানা সমস্যাৰ মাজেদি "মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়। কিন্তু পৰিতাপৰ বিষয় যে, আশানুপাতে খেল ধেমালী অনুষ্ঠিত কৰিব পৰা নগল। ইয়াৰ প্ৰথম কাৰণ হল অৰ্থৰ অভাৱ, দ্বিতীয়তে হ'ল প্ৰতিযোগীৰ অভাৱ, তৃতীয়তে হ'ল খেল ধেমালীৰ উপযুক্ত সা-সজুলীৰ অভাৱ।

মোৰ এই প্ৰতিবেদনৰ জৰিয়তে নৰজ্যোতি মহাবিদ্যালয়ৰ গুৰু খেল বিভাগত থকা অসুবিধা সমূহৰ বিষয়ে মহাবিদ্যালয়ৰ কতৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ টানি অনুৰোধ জনালো। খেল ধেমালীৰ কাৰণে যি অলপ সা-সুজলী আছে সেইখিনি উপযুক্ত খেল পথাৰৰ অভাৱত ছাত্ৰ ছাত্ৰী সকলে সৎ ব্যৱহাৰ কৰিব পৰা নাই। গতিকে মই মহাবিদ্যালয় কতৃপক্ষৰ ওচৰত টানি অনুৰোধ জনাও যে, কতৃপক্ষই যাতে খেল সামগ্ৰীসমূহ বিশেষ ভাৱে যোগান ধৰি খেলৰ মানদণ্ড অলপ উন্নত কৰে যেন। লগতে সমূহ ছাত্ৰ-ছাত্ৰীসকলক মই আবেদন জনাও যে সকলো ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীয়ে খেল ধেমালীত উৎসাহেৰে যোগদান কৰি খেলৰ মানদণ্ড বজাই ৰাখে।

মোৰ কাৰ্য্যকালৰ ভিতৰত মোক ওতঃপ্ৰোত ভাবে জড়িত থাকি সহায়কৰা অধ্যাপকসকলৈ আন্তৰিক শ্ৰদ্ধাঞ্জলী নিবেদিছোঁ। লগতে যিসকল ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোক সকলো কামত সহায় কৰিছে সেই সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত মোৰ অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি তথা নৰজ্যোতি মহাবিদ্যালয়ৰ সৰ্ব্বতো প্ৰকাৰে দীৰ্ঘায়ু কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ আঁৰ কাপোৰ টানিলোঁ।

ধন্যবাদেৰে—

আবুবাক্কাৰ ছিদ্দিক

সম্পাদক, গুৰু খেল বিভাগ।

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন ।

প্ৰতিবেদনৰ পাতনিতে নৱজ্যোতি মহাবিদ্যালয়ৰ **সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ** আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো, কাৰণ **মহাৰিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মৰমৰ** দাবীত তেওঁলোকৰ সহায় সহযোগতহে মহাবিদ্যালয়ৰ **ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা** হিচাবে পৰিচয় দিব পাৰিছোঁ ।

**মৰমৰ** প্ৰতিদান স্বৰূপে গতানুগতিকতাৰ বাহিৰে অন্য **একো দিব পৰা নাই । সম্পাদিকাৰ** দৰে এটি গুৰু গভীৰ পদ হাততলৈ মই কিমানখিনি **কাম কৰিব পাৰিছোঁ** সেই বিচাৰৰ ভাৰটো আপোনালোকৰ ওপৰত ন্যস্ত কৰিছোঁ আৰু **যিখিনি কৰিব পৰা নাই** তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছোঁ ।

আন আন বছৰৰ দৰে এইবাৰো আমাৰ 'কলেজ সপ্তহ' উপলক্ষেপতা সমাৰোহত বিভিন্ন কাৰ্য্যক্ৰমণিকাৰ জৰিয়তে ছাত্ৰী জিৰণি কোঠাৰ খেল প্ৰতিযোগিতা সমূহ পাৰ হৈ যায় । যিসকল বান্ধৱীয়ে এই প্ৰতিযোগিতাত যোগদান কৰিছিল তেওঁলোকক ধন্যবাদ নিদি নোৱাৰিলোঁ । কাৰণ আমাৰ ছাত্ৰীৰ তৰফৰ পৰা খেলুৱৈৰ সংখ্যা অতি নগন্য । কিছুমানক হাতত ধৰি জোৰ জুলুমকৈ খেল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰোৱা হয় । কিয় নাজানো তেওঁলোকে যোগদান কৰিবলৈ টান পায় । বৰ্ত্তমান যুগতো তেওঁলোকৰ মনৰ পৰা ৰক্ষণশীল মনোভাৱ আতৰা নাই । প্ৰতি বছৰৰ প্ৰতিবেদনতেই ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাই একোটা কথাকেই উল্লেখ কৰি গৈছে যে আমাৰ ছাত্ৰীৰ খেলুৱৈৰ অৱস্থা অত্যন্ত মৰ্ম্মস্পৰ্শী । সেয়েহে মই সকলো ছাত্ৰী বান্ধৱীকেই টানি অনুৰোধ জনাওঁ যে তেওঁলোকে যেন কলেজ সপ্তাহ উপলক্ষেপতা বিভিন্ন খেল সমূহত আৰু অইন অইন উৎসৱ পাৰ্ব্বণত অংশ গ্ৰহণ কৰি পৰিবেশটো আনন্দমুখৰ কৰি তোলে ।

এই ছেগতে আমাৰ কলেজ কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যে, ছাত্ৰী জিৰণি কোঠাৰ বাবে এখন টেবুল টেনিচৰ যোগান ধৰি উঠি অহা ছাত্ৰী সকলৰ হাবিয়াস পূৰণ কৰে যেন । তাৰ উপৰি বিভিন্ন খেলৰ সামগ্ৰী, বাতৰি কাকত, আলোচনী, ছাত্ৰী জিৰণি কোঠাৰ কিছুমান দৰকাৰী সাঁ-সৰঞ্জাম আদি কলেজ কৰ্তৃপক্ষক যোগান ধৰিবলৈ টানি অনুৰোধ জনালোঁ । অতি **কম সময়ৰ** ভিতৰত দোপদ-দাপে উন্নতিত আগবঢ়া কলেজ এখনৰ যে এই সামান্য সমস্যা **সমূহৰ সমাধান** নহব তাৰ কোনো মানে নাই ।

মোৰ প্ৰতিবেদনৰ সামৰণিত মোক সকলো ফালৰ পৰা উৎসাহ উপদেশ দিয়া ভাৰপ্ৰাপ্ত মাননীয়া অধ্যাপিকা শ্ৰীযুতা পাৰুল দাস বাইদেউক মই পাহৰিব নোৱাৰিম । মোৰ বিভিন্ন কামত সহায় সহযোগ কৰা বন্ধু-বান্ধৱী সকলৰ ওচৰত মই চিৰ ঋণী হৈ থাকিম ।

নৱজোতি মহাবিদ্যালয় যুগে যুগে অমৰ হওঁক । বিশ্ব ইতিহাসৰ পাতত ইয়াৰ নাম সোণালী আখৰেৰে জিলিকি ৰওক । ইয়াৰ জ্বলি থকা জ্ঞানৰ বৰ্ত্তিৰে হাজাৰ আত্মাক পোহৰাই তোলাৰ কামনাৰে প্ৰতিবেদনৰ সামৰনি মাৰিলোঁ ।

ধন্যবাদেৰে—

**মিচঃ হাফিজা খাতুন**

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ।



# সংগীত আৰু সাংস্কৃতিক সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন ।

আগবুলনিতে নৱজ্যোতি মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ আঁৰ কাপোৰ মেলিছোঁ । লগতে যিসকল বন্ধু-বান্ধৱীয়ে মোক সাংস্কৃতিক সম্পাদক হিচাবে নিৰ্বাচিত কৰি এইখন মহান অনুষ্ঠানৰ ক'লা-কৃষ্টিৰ সেৱা কৰিবলৈ এফেৰি সুযোগ দান কৰিলে তেওঁলোকলৈ আন্তৰিক ভালপোৱা নিবেদিছোঁ ।

সংগীত সংসাৰ মৰুভূমিৰ সৰোৱৰ সাদৃশ । সংসাৰ যাতনাত ক্ষত বিক্ষত হোৱা দুখ যন্ত্ৰনাৰ অৱসান সংগীতৰ প্ৰয়োজন নুই কৰিব নোৱাৰি । সেয়ে সংগীতক শ্ৰেষ্ট ক'লা বুলি কোৱা হয় । সাহিত্যত যেনেকৈ জাতীৰ স্বৰূপ প্ৰতিফলিত হয়, ক'লা সাংস্কৃতিত তেনেকৈ সমাজ তথা দেশ এখনৰ স্বৰূপ বিকশিত হয় । দেশ এখন প্ৰগতিৰ পথত আগবাঢ়িবলৈ শিক্ষা আহৰণ যিমানখিনি প্ৰয়োজন, ঠিক সেইদৰে ক'লা সাংস্কৃতিৰ উৎকৰ্ষ সাধনো অপৰিহাৰ্য । এনে ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱীসকলৰ ক'লা সংস্কৃতিৰ প্ৰতি থকা বৈৰাগ্য ভাৱ বাৰুকৈয়ে দুখৰ কথা ।

প্ৰতি বছৰৰ দৰে এইবাৰো সাত দিনীয়া কাৰ্য্যক্ৰমনিকাৰে 'মহাবিদ্যালয় সপ্তাহ' ৰ শুভ আৰম্ভণী কৰা হয় । ইয়াৰে দুদিন একাংকীয়া নাট আৰু তিনিদিন সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয় । কিন্তু দুখৰ কথা একাংকীয়া নাট প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা কম হোৱাত দু-দিনীয়া কাৰ্য্য তালিকা এদিনতে সামৰি লব লগাত পৰিছিলোঁ । সংগীত প্ৰতিযোগিতাৰ ক্ষেত্ৰত সেই একেই কথা প্ৰযোজ্য আঙুলিৰ মূৰত লেখিব পৰা কেইজনমান বন্ধু-বান্ধৱীয়েহে সংগীত প্ৰতিযোগিতাত অংশ গ্ৰহন কৰিছিল । প্ৰতিযোগীৰ অভাৱত কেইটামান গান তালিকাৰ পৰা কাটি দিয়াৰ উপৰিও দুবাৰ তিনিজন প্ৰতিযোগীৰ মাজত প্ৰতিযোগিতা পাতিবলৈ বাধ্য হৈছিলো । ইয়াৰ উপৰিও যিবিলাক বন্ধু-বান্ধৱীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহন কৰে তেওঁলোক অভ্যাস নকৰাকৈ মঞ্চত আহি উপস্থিত হয় । যাৰ ফলত সংগীতৰ মানদণ্ড তেনেই কম । মহাবিদ্যালয় এখনৰ ক্ষেত্ৰত ই অতি পৰিতাপৰ বিষয় । এনে ক্ষেত্ৰত মই পূৰ্ববৰ্ত্তী সম্পাদকসকলে উনুকীয়াই যোৱা এষাৰ অপ্ৰিয় অথচ সত্য কথা প্ৰতিবেদনত ঠাই দিবলৈ বাধ্য হৈছোঁ । সেয়া হ'ল— বন্ধু-বান্ধৱী সকলোৰ ক'লা সাংস্কৃতিৰ প্ৰতি থকা 'পশ্চাৎগামী' মনোভাৱ । মই আশা ৰাখিছোঁ পৰবৰ্ত্তী সম্পাদকসকলে যাতে তেওঁলোক প্ৰতিবেদনত এইষাৰ কথা লিখাৰ সুযোগ নেপায় ।

ক'লা সংস্কৃতিৰ বেদীত এপাহি পুষ্পাঞ্জলী তৰ্পন কৰাৰ অদম্য প্ৰয়াসেৰে নৱজ্যোতি মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদকৰ দায় ভাৰ গ্ৰহন কৰিছিলো যদিও নানা ধৰণৰ আলৈ আহকাল আৰু বিপৰ্য্যয়ৰ কাৰণে নিষ্কৰ্মাৰ শাৰীত থিয় দি মনে মনে সাংস্কৃতিক উন্নতি কামনা কৰাৰ

বাহিৰে অইন একো গত্যন্তৰ নেথাকিল। অস্থায়ী মঞ্চ এখনত অনুষ্ঠান পৰিচালনা কৰা কিমান কষ্টসাধ্য কাম সাংস্কৃতিক সম্পাদক হলেহে বুজিব পাৰি। ছাত্ৰ-ছাত্ৰী সকলৰ সংগীত চৰ্চা কৰিবৰ বাবে আচুতীয়া কোঠালী এটাৰ ব্যৱস্থা নাই। ইয়াৰ উপৰি বাদ্য-যন্ত্ৰৰ সংখ্যা তেনেই তাকৰ। বছৰেকীয়া বাজেটত সাংস্কৃতিক বিভাগৰ অৰ্থ মঞ্জুৰী নিচেই কম। যাৰ ফলত বাদ্যযন্ত্ৰৰ সংখ্যা বঢ়াব পৰা নেযায়। ইয়াৰ দ্বাৰা সাংস্কৃতিক প্ৰয়োজনীয়তাক উপেক্ষাহে কৰা হৈছে। সেয়ে মহাবিদ্যালয় কৰ্তৃপক্ষই যেন সাংস্কৃতিক পোহৰেৰে বাধাগ্ৰস্থ বিশাল অঞ্চলত প্ৰতিষ্ঠিত এইখন মহা-বিদ্যালয়ত সাংস্কৃতিক বিভাগৰ প্ৰয়োজনীয় আহিলাপাতি খিনিৰ যোগান ধৰি ক'লা কৃষ্টিৰ সেৱা কৰিবলৈ এফেৰি সুযোগ দান কৰে।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত গঠনমূলক দিহা পৰামৰ্শ আগবঢ়োৱা বাবে অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়কে ধৰি ভাৰপ্ৰাপ্ত অধ্যাপক খন্দকাৰ আঃ গফুৰ চাহাব, মৃনাল কান্তি ভৌমিক, লম্বিত কোঁৱৰ, আঃ খালেক আৰু অধ্যাপিকা মিচ্ ছৈয়দা মেহেৰুন নেছা বাইদেউলৈ মোৰ ভক্তি-পূৰ্ণ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছোঁ।

যিসকল সংগীত প্ৰেমী বন্ধু-বান্ধৱীয়ে মোৰ প্ৰতিটো পদক্ষেপত সহায় সহযোগিতা আগবঢ়াই-ছিল তেওঁলোকৰ নাম স্মৰণ নকৰি নোৱাৰিলো। তেওঁলোক হ'ল— মাহমুদুৰ ৰহমান খান নুৰুল ইছলাম, আছিয়া খাতুন, মাহমুদা খানম, আলিম উদ্দিন, ছালেহা খাতুন, আঃ মাতিন আবু ভাইটি গিয়াছ উদ্দিনলৈ মোৰ আন্তৰিক মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সামৰণিত মোৰ কাৰ্য্যকালত শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীসকলৰ ওচৰত জ্ঞাতে অজ্ঞাতে কৰি অহা ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি লগতে নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্বল কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ আঁৰ কাপোৰ টানিলোঁ। ইতি—

ধন্যবাদেৰে—

শুকুৰ আলী আহমেদ।
সম্পাদক, সাংস্কৃতি বিভাগ

**● সমাপ্ত ●**

# অসমৰ জাতীয় সংগীত

অ' মোৰ আপোনাৰ দেশ ।
অ' মোৰ চিকুণী দেশ ॥
এনেখন শুৱলা এনেখন সুফলা ।

এনেখন মৰমৰ দেশ ।
অ' মোৰ সুৰীয়া মাত ।
অ' মোৰ সুৰদী মাত ॥

পৃথিৱীৰ ক'তো, বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত ।

অ' মোৰ ওপজা ঠাই ।
অ' মোৰ অসমী আই ।

চাই লওঁ এবাৰ মুখখনি তোমাৰ
হেঁপাহ মোৰ পলোৱা নাই ।

—ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা

NABAJYOTI COLLEGE LIBRARY
Estd-1971
Dist:-Kamrup, (Assam)
P.O. KALGACHIA

নবজ্যোতি মহাবিদ্যালয় ছাত্র একতা সভাৰ হৈ— আলোচনী সম্পাদক, নুৰুল ইছলামৰ দ্বাৰা প্ৰকাশিত আৰু দেৱান প্ৰেছ, (কলগাছিয়া) ত মুদ্ৰিত ।